www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

❐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ দিন হ'ল আপুনি জন্ম লোৱা দিনটো আৰু কিয় সেইটো গম পোৱা দিনটো। — মাৰ্ক টুৱেইন

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ২৯৯ ❐ সোমবাৰ ❐ ০৭ ছেপ্টেম্বৰ, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 299 ❐ Monday ❐ 07th September, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

■ উচ্চ শিক্ষানুষ্ঠানে দায়বদ্ধ নাগৰিক গঢ়াত গুৰুত্ব দিয়ক ঃ ৰাধাকৃষ্ণণ ■

# দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপ-ৰাষ্ট্ৰপতি চিপি ৰাধাকৃষ্ণণ



## গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ ছেপ্টেম্বৰ ঃ** দেশৰ উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দেওবাৰে গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভূমিকা সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয় যে শিক্ষানুষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীক কেৱল কেৰিয়াৰ গঢ়াৰ বাবে প্ৰস্তুত নকৰি সমাজ আৰু গণতন্ত্ৰলৈ অৰ্থপূৰ্ণ অৱদান আগবঢ়াব পৰাকৈ সজাগ আৰু দায়বদ্ধ নাগৰিক হিচাপে গঢ়ি তোলাৰ প্ৰয়োজন। তিনিদিনীয়া উত্তৰ-পূব ভ্ৰমণ সূচী হাতত লৈ পুৱা গুৱাহাটীত উপস্থিত হোৱা উপৰাষ্ট্ৰপতিগৰাকীয়ে পূৰ্বতে 'কন্যা মহাবিদ্যালয়' নামেৰে পৰিচিত গীতানগৰ মহাবিদ্যালয়ৰ ❐ ৬ পৃষ্ঠাত

২০২৩, ২০২৪ আৰু ২০২৫ বৰ্ষৰ জন বেৰী হোৱাইট বঁটা প্ৰদান

## শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ চতুৰ্থ দীক্ষান্ত সমাৰোহত উপৰাষ্ট্ৰপতি



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ ছেপ্টেম্বৰ ঃ** খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তঃৰাষ্ট্ৰীয় কলা মন্দিৰত শনিবাৰে অনুষ্ঠিত হয় শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ চতুৰ্থ দীক্ষান্ত সমাৰোহ। এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল ভাৰতৰ উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ। লগতে বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যও মঞ্চত উপবিষ্ট থাকে। উক্ত দীক্ষান্ত ❐ ৬ পৃষ্ঠাত

## ৰকিবুল হুছেইন, ৰিপুণ বৰা আৰু ৱাজেদ আলী চৌধুৰী থকালৈকে কংগ্ৰেছ ক্ষমতালৈ আহিব নোৱাৰে ঃ অখিল গগৈ



**অসম বাৰ্তা, গেলেকী, ৬ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ দলৰ তিনিগৰাকী শীৰ্ষস্থানীয় নেতা ক্ৰমে ৰকিবুল হুছেইন, ৰিপুণ বৰা আৰু ৱাজেদ আলী চৌধুৰীক তীব্ৰ সমালোচনাৰে আক্ৰমণ কৰিছে শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। নাজিৰা ❐ ৬ পৃষ্ঠাত

২০২৯ চনলৈ ড্ৰাগছমুক্ত কৰাৰ ৰোডমেপ প্ৰস্তুত

## ড্ৰাগছমুক্ত যুৱশক্তিয়েই বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰিব ঃ অমিত শ্বাহ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে ২০২৯ চনৰ ভিতৰত ভাৰতক সম্পূৰ্ণৰূপে ড্ৰাগছমুক্ত কৰাৰ বাবে এক সুস্পষ্ট ৰোডমেপ প্ৰস্তুত কৰিছে। দেওবাৰে গোৱাত আয়োজিত এখন অনুষ্ঠানত ভাষণ দি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লক্ষ্য হৈছে ২০৪৭ চনত বিকশিত ভাৰত গঢ়ি তোলা, আৰু সেই লক্ষ্য পূৰণৰ বাবে ড্ৰাগছমুক্ত যুৱশক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে মোদী চৰকাৰে যিদৰে নক্সালবাদ আৰু সন্ত্ৰাসবাদৰ ভাবুকি নিৰ্মূল কৰিবলৈ কঠোৰ ❐ ৬ পৃষ্ঠাত

শতবাৰ্ষিকী উদযাপনৰ মাজতে অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াৰ পৰিদৰ্শন

## ড° ভূপেন হাজৰিকাৰ কলকাতাৰ বাসভৱন সংৰক্ষণ কৰিব চৰকাৰে

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** অহা ৮ ছেপ্টেম্বৰ তাৰিখে অসমবাসীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শততম জন্মদিন পালন কৰিবলৈ সাজু হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত এই শতবাৰ্ষিকী উদযাপন বাৰ্ষিকী ধুমধামেৰে চলি আছে। ভাৰতৰত্নখ্যাত এই মহান শিল্পীগৰাকী কেৱল অসমৰেই নহয়, সমগ্ৰ ভাৰত তথা বিদেশতো তেওঁৰ অনন্য প্ৰতিভাই সমাদৰ লাভ কৰিছিল। ❐ ৬ পৃষ্ঠাত



পঞ্জাব-হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে অশ্বনী কুমাৰ মিশ্ৰৰ দায়িত্ব গ্ৰহণ

## ৮খন উচ্চন্যায়ালয়ত নতুন মুখ্য ন্যায়াধীশ নিযুক্তি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে দেশখনৰ আটাইতকৈ ডাঙৰ ন্যায়িক পুনৰ্গঠনৰ অংশ হিচাপে ৮খন উচ্চ ন্যায়ালয়ত নতুন মুখ্য ন্যায়াধীশ নিযুক্তি ঘোষণা কৰিছে। এই নিযুক্তিৰ জৰিয়তে পঞ্জাব আৰু হাৰিয়ানা উচ্চন্যায়ালয়কে ধৰি একাধিক ৰাজ্যিক উচ্চ ন্যায়ালয় ন্যায়াধীশৰ ৰদবদল ঘটোৱা হৈছে। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ❐ ৭ পৃষ্ঠাত

## ডমিনিকান ৰিপাব্লিকৰ জ'হেইৰী মোলা ডমিংগুৱেজে অৰ্জন কৰিলে মিছ ৱৰ্ল্ড ২০২৬ৰ মুকুট

ভিয়েটনামৰ ন ট্ৰাঙত অনুষ্ঠিত গ্ৰেণ্ড ফিনালে




**নিউজ ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** বিশ্ব সৌন্দৰ্য জগতৰ অন্যতম সন্মানীয় মঞ্চ 'মিছ ৱৰ্ল্ড'ৰ ২০২৬ বৰ্ষৰ খিতাপ অৰ্জন কৰিছে ডমিনিকান ৰিপাব্লিকৰ জ'হেইৰী মোলা ডমিংগুৱেজে। ভিয়েটনামৰ ন ট্ৰাঙ চহৰত শনিবাৰে (৫ ছেপ্টেম্বৰ) আয়োজিত গ্ৰেণ্ড ফিনালে পৰ্যায়ত তেওঁ এই গৌৰৱময় সাফল্য লাভ কৰে। বিশ্বৰ প্ৰায় ১০০খন দেশৰ প্ৰতিদ্বন্দ্বীসকলক পিছপেলাই জ'হেইৰী মোলাই এই প্ৰতিযোগিতাত নিজৰ ❐ ৬ পৃষ্ঠাত

■ ক্ষেত্ৰীৰ ৰাজ্যিক চিকিৎসালয়ৰ কোৱাৰ্টাৰত চাঞ্চল্যকৰ হত্যাকাণ্ড ■

## হাত-ভৰি বন্ধা অৱস্থাত উদ্ধাৰ একাদশ শ্ৰেণীৰ মেধাৱী ছাত্ৰৰ মৃতদেহ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** অসমৰ ডিমৰীয়া জিলাৰ ক্ষেত্ৰী অঞ্চলত দেওবাৰে দিন-দুপৰতে এক শিহৰণকাৰী হত্যাকাণ্ড সংঘটিত হয়। স্বাস্থ্য বিভাগৰ কৰ্মচাৰী মনোজ শৰ্মাৰ চৰকাৰী কোৱাৰ্টাৰৰ ভিতৰতে একাদশ শ্ৰেণীৰ ছাত্ৰ গাণ্ডিপ লাহন শৰ্মাক (১৭) নৃশংসভাৱে হত্যা কৰা হয়। এই ঘটনাই সমগ্ৰ অঞ্চলত তীব্ৰ চাঞ্চল্য আৰু হাহাকাৰৰ সৃষ্টি কৰিছে। পৰিয়াল সূত্ৰে জানিব পৰা মতে, ঘটনাটো সংঘটিত হোৱাৰ সময়ত পিতৃ-মাতৃ ঘৰত উপস্থিত নাছিল। তেওঁলোক ❐ ৬ পৃষ্ঠাত

## দিল্লীৰ সত্য নিকেতনত খহি পৰিলে তিনিমহলীয়া অট্টালিকা

ধ্বংসস্তূপৰ তলত কেইবাজনো লোক আবদ্ধ ঃ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাৰ যুদ্ধকালীন অভিযানৰ নিৰ্দেশ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৬ চেপ্টেম্বৰ ঃ** দক্ষিণ-পশ্চিম দিল্লীৰ সত্য নিকেতন অঞ্চলত দেওবাৰে আবেলি এটি তিনিমহলীয়া ভৱন হঠাতে ভাগি পৰে। ঘটনাটো দিল্লী বিশ্ববিদ্যালয়ৰ দক্ষিণ কেম্পাছৰ সন্নিকটত সংঘটিত হয়, যাৰ ফলত এলেকাত ব্যাপক আতংক বিয়পি পৰে। প্ৰত্যক্ষদৰ্শীসকলে জানিবলৈ দিয়া মতে, শিৱ মন্দিৰৰ ওচৰত অৱস্থিত অট্টালিকাটো হুৰহুৰাই তললৈ নামি আহে। স্থানীয় লোকসকলে তৎক্ষণাৎ আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীক ❐ ৬ পৃষ্ঠাত




ৰাইজৰ দলৰ সৈতে মিত্ৰতা ভংগৰ পাছতেই অখিলৰ আক্ৰমণৰ জবাব গৌৰৱৰ

## 'অখিল গগৈয়ে কেতিয়াও মিত্ৰতাৰ ধৰ্ম পালন কৰা নাই' ঃ গৌৰৱ গগৈ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ ছেপ্টেম্বৰ ঃ** 'ৰাইজৰ দল'ৰ সৈতে আনুষ্ঠানিক মিত্ৰতা ভংগ হোৱাৰ পাছত দলটোৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে কংগ্ৰেছৰ বিৰুদ্ধে চলাই থকা আক্ৰমণাত্মক ভাষ্যৰ প্ৰত্যুত্তৰত দেওবাৰে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে। সংবাদ মাধ্যমৰ আগত গৌৰৱ গগৈয়ে স্পষ্টভাৱে কয় যে অখিল গগৈয়ে কংগ্ৰেছৰ সৈতে কেতিয়া আৰু ❐ ৬ পৃষ্ঠাত



ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক দায়িত্ব

## অসম কংগ্ৰেছৰ নতুন প্ৰভাৰী ভূপেশ বাঘেল ঃ গৌৰৱ গগৈৰ আদৰণি

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ ছেপ্টেম্বৰ ঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে (এআইচিচি) অসমৰ প্ৰভাৰী পদৰ বাবে ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলক নিযুক্তি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্তক ❐ ৬পৃষ্ঠাত



মুখ্যমন্ত্ৰীৰ 'শূন্য সহনশীলতা' নিৰ্দেশৰ পিছতে সফলতা

## বিশ্বনাথত আৰক্ষীৰ নৈশ অভিযানত ৯ অবৈধ বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে বিশ্বনাথ জিলা আৰক্ষীয়ে এক উল্লেখনীয় সফলতা লাভ কৰিছে। জিলাখনৰ বিভিন্ন প্ৰান্তত যোৱা নিশা চলোৱা এক বিশেষ নৈশ অভিযানত আৰক্ষীয়ে মুঠ ৯ জনকৈ অবৈধ বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এই প্ৰসংগত আজি বিশ্বনাথৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক (এছপি) আছিফ আহমেদে সংবাদমেলৰ আয়োজন কৰি সমগ্ৰ তথ্য ৰাইজৰ সমুখত সদৰি কৰে। উল্লেখ্য যে, ইয়াৰ কিছুদিন পূৰ্বেই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰিছিল। উক্ত বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যত অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে 'শূন্য সহনশীলতা' নীতি গ্ৰহণ কৰি কঠোৰ ব্যৱস্থা ল'বলৈ স্পষ্ট নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ সেই নিৰ্দেশৰ পাছতেই বিশ্বনাথ জিলা আৰক্ষী সম্পূৰ্ণ 'একচন মুড'ত অৱতীৰ্ণ হয় আৰু গোপন তথ্যৰ ভিত্তিত তৎপৰতা বৃদ্ধি কৰে। এছপি আছিফ আহমেদৰ প্ৰত্যক্ষ নেতৃত্বত গঠন কৰা কেইবাটাও আৰক্ষী দলে যোৱা নিশাৰ পৰা আজি পুৱালৈকে জিলাখনৰ সম্ভাব্য স্থানসমূহত সঘনভাৱে তালাচী অভিযান চলায়। এই তীব্ৰ অভিযানৰ পৰিণতিতেই আৰক্ষীৰ জালত পৰে ৯গৰাকী অবৈধ অনুপ্ৰৱেশকাৰী। অভিযানকালত আৰক্ষীয়ে তেওঁলোকৰ পৰা ❐ ৬ পৃষ্ঠাত



ইণ্ডোনেছিয়াত পুনৰ সতৰ্কতা 'আনাক ক্ৰাকাটাউ' ঃ ৫০ হাজাৰ ফুটলৈ ছাই, জাকাৰ্তাৰ বিমানবন্দৰ বন্দৰ

## ছোকাৰ্ণো-হাট্টা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ২০৯খন বিমান চলাচল প্ৰভাৱিত, ২২ হাজাৰ যাত্ৰী অৱৰুদ্ধ

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** ইণ্ডোনেছিয়াৰ ছাণ্ডা প্ৰণালীত অৱস্থিত সুপৰিচিত আগ্নেয়গিৰি 'আনাক ক্ৰাকাটাউ' দেওবাৰে পুনৰ সক্ৰিয় হৈ বিস্ফোৰণ ঘটায়। জাভা আৰু ছুমাত্ৰা দ্বীপৰ মাজত থকা এই জ্বালামুখী পৰ্বতটোৰ বিস্ফোৰণে অঞ্চলটোত তৎক্ষণাৎ আতংকৰ সৃষ্টি কৰে। বিস্ফোৰণৰ ফলত নিৰ্গত হোৱা আগ্নেয় ধোঁৱা স্তূপ প্ৰায় ৫০ হাজাৰ ফুটলৈকে ওপৰলৈ উঠি যায়, যাৰ ফলত আকাশী পথ সুৰক্ষাৰ বাবে ডাঙৰ ভাবুকি আহি পৰে। আগ্নেয় ছাইৰ উপস্থিতিয়ে বিমানৰ ❐ ৬ পৃষ্ঠাত

## অৰুণাচলত ভাৰত-চীনৰ প্ৰথমখন কৰ্পছ কমাণ্ডাৰ পৰ্যায়ৰ বৈঠক সম্পন্ন

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** অৰুণাচল প্ৰদেশত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (LAC)ক লৈ চলি থকা মতভেদৰ মাজতে আজি ভাৰত আৰু চীনৰ সেনাৰ মাজত প্ৰথমবাৰৰ বাবে কৰ্পছ কমাণ্ডাৰ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব। অৰুণাচল প্ৰদেশৰ ৰাচা-দামাই সীমান্ত বৈঠকস্থলীত এই গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হোৱাৰ কথা। সূত্ৰ অনুসৰি, পূব ছেক্টৰত দুয়োখন দেশৰ সেনাৰ কৰ্পছ কমাণ্ডাৰ পৰ্যায়ৰ বিষয়াসকলৰ মাজত এইখনেই প্ৰথম বৈঠক। ৬ ছেপ্টেম্বৰত ভাৰতীয় ভূখণ্ডৰ ৰাচা সীমান্ত বৈঠকস্থলীত অনুষ্ঠিত হ'বলগীয়া আলোচনাত অঞ্চলটোত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাক লৈ ❐ ৭ পৃষ্ঠাত

মাজুলীৰ শালমৰাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপন

## গৰিমা শইকীয়া গাৰ্গৰ উন্মোচন ঃ প্ৰতিষ্ঠা দ্বিতীয়খন জুবিন ক্ষেত্ৰ

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ প্ৰাণৰ শিল্পী, যুৱ প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি আৰু অসমীয়া সংগীত, সংস্কৃতি তথা চলচ্চিত্ৰ জগতলৈ তেওঁৰ অসামান্য অৱদানক চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে মাজুলীৰ ইতিহাসপ্ৰসিদ্ধ শালমৰাত



আজি প্ৰতিষ্ঠা কৰা হ'ল শিল্পীগৰাকীৰ এক পূৰ্ণাংগ প্ৰতিমূৰ্তি। শালমৰাৰ যুৱ সমাজ আৰু স্থানীয় ৰাইজৰ যৌথ উদ্যোগত বিগত প্ৰায় এটা বছৰে চলাই অহা নিৰালস্য প্ৰচেষ্টাৰ অন্তত আজি প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ডিব্ৰুগড়ৰ বিশিষ্ট ভাস্কৰ যদুমণি গগৈয়ে নিৰ্মাণ কৰা এই প্ৰতিমূৰ্তিটো আজি এক আৱেগঘন পৰিৱেশৰ মাজত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। প্ৰতিমূৰ্তি উন্মোচনৰ মুহূৰ্তত উপস্থিত সহস্ৰাধিক অনুৰাগীৰ মাজত এক আবেগিক পৰিৱেশৰ সৃষ্টি হয়। বহু লোকৰ দুচকুৰে বৈ আহে অশ্ৰুধাৰা। প্ৰিয় শিল্পীগৰাকীক স্মৰণ কৰি অনুৰাগীসকলে শ্ৰদ্ধা নিবেদন কৰে। মৃৎশিল্প আৰু ❐ ৬ পৃষ্ঠাত

### আপত্তিজনক অস্ত্ৰসহ দুই যুৱকক আটক কৰি গতাই দিলে আৰক্ষীক

## চেপনত গাঞ্জা আৰু ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে জাতীয় সংগঠনৰ ব্যাপক অভিযান

**অসম বাৰ্তা, চেপন, ৬ ছেপ্টেম্বৰ** ঃ উজনি অসমৰ চৰাইদেউ, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সীমান্তৱৰ্তী বৃহত্তৰ চেপন আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত মদ, ভাং, নিষিদ্ধ ড্ৰাগছ সেৱন কৰা আৰু সৰবৰাহ কৰাসকলৰ বিৰুদ্ধে অঞ্চলটোৰ আছু, আটাছু, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদকে কেবাটাও জাতীয় সংগঠনে ঐক্যবদ্ধভাৱে অভিযান চলাই থকাৰ সময়তে আজি বহুকেইজন যুৱকক পৃথকে পৃথকে আটক কৰি আৰক্ষীৰ হাতত গতাই দিয়ে। প্ৰাপ্ত তথ্য অনুসৰি আজি বিয়লি চেপন আৰক্ষী চকীৰ অন্তৰ্গত লাইপ্লেঙৰ বৰদলঙৰ সমীপত এ.এচ. ০৪/এচ-৬৭০০ নম্বৰৰ বগা ৰঙৰ এখন চাফাৰী গাড়ীত দুজন যুৱক সন্দেহজনক অৱস্থাত সন্মুখেদি পাৰ হৈ অহা স্থানীয় দুজনমান যুৱকে প্ৰত্যক্ষ কৰে। সেই সময়ত গাড়ীখনৰ ভিতৰত থকা এজন যুৱকে অভব্য আচৰণ কৰি গাড়ী লৈ পলাবলৈ চেষ্টা কৰে যদিও যুৱকেইজনে অঞ্চলটোৰ জাতীয় সংগঠনৰ একাংশ বিষয়ববীয়াৰ সহযোগত পিছে পিছে খেদি যায় আৰু পাটসাঁকো সমীপৰ চুক বৰুৱা চুক অঞ্চলত অতি কৌশলেৰে আটক কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱক কেইজন ক্ৰমে শিৱসাগৰ জিলাৰ বকতা নেমুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত মহখুটি বগৰীটিং অঞ্চলৰ নিৱাসী শিক্ষক সঞ্জীৱ ফুকনৰ পুত্ৰ চিন্ময় ফুকন (১৭) আৰু পবিত্ৰ ফুকনৰ পুত্ৰ সুভজিৎ মহন (২৫) বুলি জানিব পৰা গৈছে। আনহাতে যুৱক দুজনে ব্যৱহাৰ কৰা ছাফাৰী গাড়ীখনৰ পৰা লোৰ হস্তনিৰ্মিত কেবাটাও অস্ত্ৰ জব্দ কৰিবলৈ সক্ষম হয়। পাছত জাতীয় সংগঠনৰ সদস্যসকলে আপত্তিজনক অস্ত্ৰ আৰু গাড়ীসহ দুয়োজন যুৱকক চেপন আৰক্ষী চকীত চমজাই দিয়ে। উল্লেখ্য যে, আজি আটক হোৱা চিন্ময় ফুকন নামৰ কমবয়সীয়া যুৱকজন বিভিন্ন অপৰাধমূলক কাৰ্যকলাপত জড়িত বুলি স্থানীয় ৰাইজে সদৰী কৰিছে। স্থানীয় এখন চিনিয়ৰ চেকেণ্ডাৰী স্কুলত পঢ়ি থকা সময়তে নিষিদ্ধ গাঞ্জা সেৱন কৰাৰ অপৰাধত বিদ্যালয়খনৰ পৰা বহিস্কৃত হোৱা আৰু বৰ্তমান পাটসাঁকো মহাবিদ্যালয়ত একাদশ শ্ৰেণীত অধ্যয়ন কৰি থকা বুলি পৰিয়ালে তথ্য দিয়া যুৱকজনৰ বিৰুদ্ধে নেমুগুৰি আৰক্ষী থানাত বহুকেইটা গোচৰ পঞ্জীয়ন হৈ থকাৰ লগতে যুৱকজনৰ বাহনৰ খুন্দাত এগৰাকী মহিলাৰ মৃত্যু হোৱা বুলিও ৰাইজে অভিযোগ কৰিছে। আজি চেপনৰ জাতীয় সংগঠনকেইটাই এই দুয়োজন যুৱকৰ গতি বিধি তথা তেওঁলোকৰ কাৰ্যকলাপৰ প্ৰতি সন্দেহ উপজাত চেপন আৰক্ষী চকীত এখন এজাহৰ দাখিল কৰিছে। তদুপৰি এই ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ পোষকতা কৰি যুৱক দুজন দোষীসাব্যস্ত হ'লে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী জনাইছে। ইফালে এই ঘটনাটো সংঘটিত হোৱাৰ কিছু সময়ৰ পাছতে চেপন আৰক্ষী চকীৰ অন্তৰ্গত চেপন-জয়াপুৰৰ নাতিদূৰৈৰ দিৰৈ দলঙৰ সমীপত স্থানীয় প্ৰায় ১০-১৫জনীয়া এটা কমবয়সীয়া যুৱকৰ দলে দিনদুপৰতে মুকলিকৈ মদৰ অড্ডা চলাই থকাৰ এক তথ্য অঞ্চলটোৰ জাতীয় সংগঠনৰ সদস্যসকলে লাভ কৰে। লগে লগে জাতীয় সংগঠনৰ সদস্যসকল যুৱকৰ দলটোৰ মদৰ আড্ডাথলীত উপস্থিত হয়গৈ আৰু আটাইকেইজনকে কৰায়ত্ত কৰি চেপন আৰক্ষী চকীত চমজাই দিয়ে। উল্লেখ্য যে চেপন আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলসমূহত এচাম ফুলকুমলীয়া ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱক যুৱতীয়ে মদ, গাঞ্জা, ড্ৰাগছ আদি কেতবোৰ মাৰাত্মক নিচাযুক্ত দ্ৰব্য সেৱন কৰি নিজৰ জীৱনলৈ অন্ধকাৰ নমাই অনাৰ লগতে স্থানীয় বৃহৎ অঞ্চলটোৰ সামাজিক পৰিৱেশ অস্থিৰ কৰি তুলিছে। সীমান্তৱৰ্তী এলেকা আৰু উল্লেখিত তিনিওখন জিলাৰ আৰক্ষী প্ৰশাসনৰ নিৰ্লিপ্ততাৰ সুযোগ লৈ বৃহত্তৰ চেপন আৰু ইয়াৰ সমীপৱৰ্তী ৰুকাং, লাইপ্লেং, পাটসাঁকো, ডবা, টিফুক, ১/২ নং হলগুৰি, ডোমৰ দলং, গড় পাৰা, মৌডুমুনী আদি অঞ্চলৰ বহুসংখ্যক কম বয়সীয়া ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতী নিচাযুক্ত দ্ৰব্যৰ কৱলত পৰাৰ লগতে সামাজিক বাতাৱৰণ কলুষিত কৰিছে। শেহতীয়াকৈ এইসকল উশৃংখল তথা বিপথগামী যুৱক-যুৱতীৰ বিৰুদ্ধে চেপন অঞ্চলৰ সমূহ জাতীয় দল-সংগঠনে ঐক্যবদ্ধভাৱে কঠোৰ অভিযান চলোৱা কাৰ্যক স্থানীয় সচেতন ৰাইজে শলাগ লৈছে।

### দহগৰাকী শিক্ষকক জিলাৰ পৰ্যায়ৰ কৃতি শিক্ষকৰ বঁটা প্ৰদান; 'প্ৰজ্ঞাৰ বাটেৰে' উন্মোচন

## তিনিচুকীয়া জিলা শিক্ষা বিভাগৰ উদ্যোগত শিক্ষক দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৬ ছেপ্টেম্বৰ** ঃ তিনিচুকীয়া জিলা শিক্ষা বিভাগৰ উদ্যোগত আৰু জিলাৰ সমূহ শিক্ষক সংস্থাৰ সহযোগত আজি তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত অভিৰৰ্তন কেন্দ্ৰত অনুষ্ঠিত হোৱা ৬৫ সংখ্যক 'শিক্ষক দিৱস'ৰ জিলা পৰ্যায়ৰ কেন্দ্ৰীয় অনুষ্ঠানত নিৰ্বাচিত ১০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক 'জিলা পৰ্যায়ৰ কৃতি শিক্ষক বঁটা-২০২৬' প্ৰদান কৰা হয়। এই বঁটা লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল হ'ল- চোটহাপজান ২৩ নং লাইন প্ৰাথমিক বিদ্যালয়ৰ ঘনদীপ বৰুৱা, ২ নং চপাখোৱা টাউন প্ৰাথমিক বিদ্যালয়ৰ গীতাঞ্জলি সোণোৱাল, মাৰ্ঘেৰিটা চাহ বাগিচা বস্তি লাইন প্ৰাথমিক বিদ্যালয়ৰ বিউটি ফুকন, ৰামপুৰ গাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ ভেশৰাজ উপাধ্যায়, পাৱৈ মজলীয়া বিদ্যালয়ৰ ৰাজীৱ গগৈ, হাতীমৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পীযুষ ভূষণ চেতিয়া, তালাপ বালি বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ইন্দ্ৰ নেৱাৰ, পি.এম. শ্ৰী চুনপোৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰঘুনাথ দাহাল, টিৰাপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুক্তি বাহাদুৰ ছেত্ৰী আৰু উজনি শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কমল বৰা। এগছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰে জিলা আয়ুক্ত সুমিত সত্তাৱনে। উদ্দেশ্য ব্যাখ্যা কৰে জিলা অধিবিদ্যা পৰিষদৰ কাৰ্যকৰী সভানেত্ৰী নিলাক্ষী দত্তই। জিলা পৰ্যায়ৰ শিক্ষক দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি তিনিচুকীয়া জিলা শিক্ষা বিভাগৰ তত্ত্বাৱধানত আৰু জিলা শৈক্ষিক গোটৰ উদ্যোগত দুৰ্জয় লোচন চেতিয়াৰ সম্পাদনাত প্ৰকাশিত ই-আলোচনী 'প্ৰজ্ঞাৰ বাটেৰে'ৰ দ্বিতীয় সংখ্যা উন্মোচন কৰা হয়। শুভ উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক তথা প্ৰথিতযশা সাহিত্যিক ড° কৰবী ডেকা হাজৰিকাই। অনুষ্ঠানৰ মুখ্য অতিথি তথা উন্মোচকৰ আসনৰ পৰা তেখেতে শিক্ষাগুৰুসকলক উদ্দেশ্যি কয় যে, শিক্ষকসকল কেৱল ছাত্ৰসকলৰ বাবেই নহয় সমাজখনৰ বাবেও অতন্দ্ৰ প্ৰহৰী স্বৰূপ। জনসমূহৰ দৈনন্দিনতাত জীৱন, প্ৰকৃতি আৰু সমাজলৈ শিক্ষকসকলে দেখাৰ বৰঙনি যোগাই আহিছে। শিক্ষা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত জংগমীৰ ৰংফাৰফি, শদিয়াৰ সমজিলা আয়ুক্ত সিন্ধু এন ৰাঘৱন আৰু মাৰ্ঘেৰিটাৰ সমজিলা আয়ুক্ত কে এন চন্দনা জাহ্নৱী উপস্থিত থকা সভাখনত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় বিশিষ্ট কথাশিল্পী তথা ব্যঙ্গ লেখক পুণ্য শইকীয়াই। তিনিচুকীয়া জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক (ভাৰপ্ৰাপ্ত) তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু সমগ্ৰ শিক্ষাৰ জিলা মিছন সমন্বয়ক বিন্তী শৰ্মাই আদৰণি ভাষণেৰে স্বাগত সম্ভাষণ জনোৱা অনুষ্ঠানটোৰ আঁত ধৰে তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি জাহ্নৱী ফুকন আৰু দুৰ্জয় লোচন চেতিয়াই। তিনিচুকীয়া জিলাৰ পৰা ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত কৃতী শিক্ষক বঁটা লাভ কৰা কৃতীমান শিক্ষকসকল, বিভিন্ন বিদ্যালয়ৰ প্ৰধানসকল, জিলা অধিবিদ্যা পৰিষদ, জিলা মাধ্যমিক আৰু প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয়ববীয়াসকল, বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়, জিলা প্ৰথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় আৰু সমগ্ৰ শিক্ষা জিলা মিছন সমন্বয়কৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল উক্ত অনুষ্ঠানত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## লখিমপুৰৰ কাকৈ বালিজান প্ৰাথমিক বিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন



**অসম বাৰ্তা, লীলাবাৰী, ৬ ছেপ্টেম্বৰ** ঃ আজি শৈক্ষিক, সামাজিক তথা ব্যক্তিগত জীৱনৰ পথপ্ৰদৰ্শক, অনুপ্ৰেৰণাৰ উৎস আৰু চৰিত্ৰ নিৰ্মাতাসকলৰ প্ৰতি শ্ৰদ্ধা, কৃতজ্ঞতা আৰু সন্মান প্ৰকাশ কৰাৰ এক বিশেষ দিন। শিক্ষক দিৱস। সমাজ গঠনৰ ক্ষেত্ৰত শিক্ষকসকলৰ অৱদান, বিশেষকৈ জ্ঞান, ধৈৰ্য, ত্যাগ আৰু নিৰন্তৰ প্ৰচেষ্টাই এখন শিক্ষিত, সচেতন আৰু মানৱীয় সমাজ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিশিষ্ট দাৰ্শনিক, অধ্যাপক তথা দেশৰ দ্বিতীয়জন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিনটোত লখিমপুৰ জিলাৰ লীলাবাৰী অঞ্চলৰ বহুকেইখন শিক্ষানুষ্ঠানত শিক্ষক দিৱস পালন কৰে। কাকৈ বালিজান প্ৰাথমিক বিদ্যালয়টো পৰিচালনা সমিতিয়ে আজি শিক্ষক দিৱস পালন কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মইনা ভূমিজৰ সঞ্চালনাত অনুষ্ঠিত শিক্ষক দিৱসৰ কাৰ্যসূচীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সম্বৰ্দ্ধনা গ্ৰহণ কৰি বিদ্যালয়খনৰ প্ৰধান শিক্ষক নিকুঞ্জ দত্তই মহাভাৰতৰ উদাহৰণ দি কয়, শিষ্য একলব্যই নিজৰ বুঢ়া আঙুলি কাটি গুৰু দ্ৰোণ আচাৰ্যক দক্ষিণা প্ৰদান কৰা কাহিনী ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰেৰণা হ'ব পাৰে। একলব্যৰ একনিষ্ঠ প্ৰতিভা, ধৈৰ্য, আৰু শিকাৰ মানসিকতাক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা জীৱনত প্ৰয়োগ কৰি পাৰে। তেখেতৰ লগতে সহকাৰী শিক্ষক অপূৰ্ব পূজাৰীয়ে শিক্ষক দিৱসৰ তাৎপৰ্যৰ সমান্তৰালকৈ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনকৃতি সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক সবিস্তাৰে কয়। কাৰ্যসূচীটিত গাঁও-প্ৰধান তপন মিঞ্জুৰ, বালিজান আঙ্গণবাড়ী কেন্দ্ৰৰ সহায়িকা বিনীতা হেমৰমৰ উপৰিও বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যাই অতিথি ৰূপে অংশগ্ৰহণ কৰে।

## অসমৰ ভাওনা চেন্নাইলৈ; চেন্নাইত 'সিন্ধুমুণিৰ পিতৃভক্তি' পৰিৱেশন কৰিব মঞ্জুলা কলা কেন্দ্ৰই

**অসম বাৰ্তা, দেৰগাঁও, ৬ ছেপ্টেম্বৰ** ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি ভাওনা অসমৰ সংস্কৃতিৰ এক অনন্য পৰিচয়। ভগৱানৰ গুণ-গৰিমা আৰু আধ্যাত্মিক আদৰ্শ সাধাৰণ জনতাৰ মাজলৈ লৈ যোৱাৰ লগতে অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰত ভাওনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। গুৰুজনাৰ এই অমূল্য সাংস্কৃতিক অৱদান অসমৰ বাহিৰত তথা দেশ-বিদেশত প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে যোৰহাটৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান মঞ্জুলা কলা কেন্দ্ৰই বিভিন্ন সময়ত বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এইবাৰ কেন্দ্ৰটোৱে ভাওনাৰ দল লৈ চেন্নাইলৈ যাত্ৰা কৰিব। অহা ২০ ছেপ্টেম্বৰত চেন্নাইত মঞ্জুলা কলা কেন্দ্ৰৰ শিল্পীসকলে 'সিন্ধুমুণিৰ পিতৃভক্তি' ভাওনা পৰিৱেশন কৰিব। চেন্নাই অসমীয়া সাংস্কৃতিক সমাজৰ আমন্ত্ৰণৰ পৰিপ্ৰেক্ষিতত যোৰহাটৰ পৰা শিল্পীসকল চেন্নাইলৈ ৰাওনা হ'ব। মঞ্জুলা কলা কেন্দ্ৰৰ সঞ্চালক তথা অধ্যক্ষ ভৱেন হাজৰিকাৰ পৰিচালনাত শিল্পীসকলে ভাওনাখন পৰিৱেশন কৰিব। উল্লেখ্য যে, মঞ্জুলা কলা কেন্দ্ৰই ইয়াৰ পূৰ্বেও অসমৰ গায়ন-বায়ন, বৰগীত, ভাওনাকে ধৰি গুৰুজনাৰ সংস্কৃতি অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ কৰি আহিছে। যোৰহাটৰ সাংস্কৃতিক ক্ষেত্ৰৰ পৰা চেন্নাইলৈ এই ভাওনা যাত্ৰাই অসমীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত এক গৌৰৱময় অধ্যায় সংযোজন কৰিব বুলি আশা কৰা হৈছে।

## বৰক্ষেত্ৰীৰ হিদিলাট্টাৰীস্থিত বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীত গুৰু পূজন

### ভাৰতীয় সভ্যতা, সনাতনী সংস্কৃতিত গুৰু পূজন অতুলনীয় ঃ নাৰায়ণ ডেকা

**অসম বাৰ্তা, দৌলাশাল, ৬ ছেপ্টেম্বৰ** ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত হিদিলাট্টাৰীস্থিত বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীত আজি উলহ-মালহেৰে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। প্ৰজ্ঞা নলবাৰী জিলাৰ উদ্যোগত আৰু বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰী স্কুলৰ সহযোগত আজি বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰী স্কুলত গুৰু পূজন শীৰ্ষক কাৰ্যসূচীৰে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। গুৰু পূজন কাৰ্যসূচীৰ সহঃ প্ৰমুখ মানসজ্যোতি তালুকদাৰ আৰু মৃদুল ডেকাই আঁত ধৰা শিক্ষক দিৱস উদযাপন অনুষ্ঠানৰ আৰম্ভণিতেই ভাৰতমাতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি ৰাজু ডেকা আৰু মাল্যাৰ্পণ কৰে বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ অমৰজ্যোতি বৰ্মনে। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিশামনি মেধি আৰু মাল্যাৰ্পণ কৰে বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰীৰ সঞ্চালক ভুৱন বৰ্মনে। গুৰু পূজন শীৰ্ষক অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰি প্ৰজ্ঞা নলবাৰী জিলা সমিতিৰ সভাপতি দীপক শৰ্মাই কয় যে- "২০১৪ চনত জন্ম লাভ কৰা প্ৰজ্ঞাই প্ৰতিবছৰে শিক্ষক দিৱস অনুষ্ঠিত কৰি গুৰু পূজনৰ কৰি আহিছে।" ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু ভাৰতীয় সমাজ ব্যৱস্থাৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰি দীপক শৰ্মাই পুনৰ কয় যে- ভাৰতীয় সংস্কাৰৰ দৰে পৃথিৱীৰ ক'তোৱেই নাই তেনে সংস্কাৰ। গুৰু পূজন শীৰ্ষক অনুষ্ঠানটোলৈ বৰক্ষেত্ৰীৰ বিভিন্ন অঞ্চলৰ কেইবাখনো বিদ্যালয়ৰ নমস্য তথা অৱসৰী শিক্ষকক আমন্ত্ৰণ কৰি আনি বোধিদ্ৰুম হায়াৰ চেকেণ্ডাৰীৰ শিক্ষাৰ্থীসকলে নমস্য ব্যক্তি সকলৰ চৰণ ধুৱাই গুৰু পূজন কৰি আশীৰ্বাদ গ্ৰহণ কৰে। এই কাৰ্যসূচীতে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা উপস্থিত থাকি পূব বৰক্ষেত্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক প্ৰমোদ গোস্বামীৰ চৰণ ধুৱাই আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পাছতেই বোধিদ্ৰুম হায়াৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষকবৃন্দক শিক্ষানুষ্ঠানখনৰ শিক্ষাৰ্থীসকলে গুৰু পূজন কৰি আশীৰ্বাদ গ্ৰহণ কৰে। অনুষ্ঠানটোত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা উপস্থিত থাকি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰি কয় যে- ভাৰতীয় সভ্যতা, সনাতনী সংস্কৃতিত গুৰু পূজন অতুলনীয়। আধুনিক শিক্ষা ব্যৱস্থাই এগৰাকী শিক্ষাৰ্থীক মেধা হিচাপে গঢ়ি তুলিছে কিন্তু এগৰাকী ভাল মানুহ হিচাপে প্ৰতিষ্ঠা কৰিব পৰা নাই বুলিও কয় নাৰায়ণ ডেকাই। প্ৰজ্ঞাই ২০১৪ চনৰ পৰা ভাৰতীয় সভ্যতা আৰু সংস্কৃতি পুনৰুদ্ধাৰ কৰা ক্ষেত্ৰত নীৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে বুলিও মন্তব্য কৰে বিধায়ক নাৰায়ণ ডেকাই। গুৰু পূজন অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি যুৱনেতা জিতাংকুৰ দাসে আধ্যাত্মিক চিন্তা ধাৰাৰ ওপৰত বক্তব্য প্ৰদান কৰি মনুষ্যই আত্মাৰ উৎকৰ্ষ সাধনৰ অৰ্থে কাম কৰিব লাগে বুলি কৈ ছাত্ৰ-ছাত্ৰীসকলে আধ্যাত্মিক পথৰে আগুৱাই যাব লাগে বুলিও মন্তব্য কৰে। যাতে মৃত্যুৰ পাছত দহজন মানুহে চকুলো টুকিব পাৰে, সেই মানসিকতাৰে আমি কৰ্ম কৰিব লাগে বুলিও কয় জিতাংকুৰ দাসে। শিক্ষক দিৱস উপলক্ষে শিক্ষানুষ্ঠানখনত পুৱাৰে পৰা বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰে গুৰু পূজন অনুষ্ঠানটোৰ সামৰণি পৰে।

## উত্তৰ শালমাৰা জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত



**অসম বাৰ্তা, লেংটিছিঙা, ৬ ছেপ্টেম্বৰ** ঃ টাপাট্টাৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত উত্তৰ শালমাৰা জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা সফলতাৰে অনুষ্ঠিত হয়। জিতুমনি দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাখনত কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যা আৰু অসুবিধাৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰাৰ লগতে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ, ন্যায্য দাবী আৰু বিভিন্ন স্বাৰ্থজড়িত বিষয়সমূহৰ ওপৰত আলোচনা কৰা হয়। উক্ত সভাত উপস্থিত আমন্ত্ৰিত অতিথিসকলে কৰ্মচাৰীসকলৰ স্বাৰ্থ সুৰক্ষা, অধিকাৰ আদায় আৰু সংগঠনৰ ভূমিকা সম্পৰ্কে মূল্যৱান বক্তব্য আগবঢ়ায়। বক্তা সকলে কৰ্মচাৰীসকলক ঐক্যবদ্ধভাৱে নিজৰ ন্যায্য অধিকাৰৰ বাবে কাম কৰি যোৱাৰ আহ্বান জনায়। আজিৰ সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মন, সাংগঠনিক সম্পাদক জুলফিকৰ ৰহমান, যুটীয়া সম্পাদক উৎপল দাস, কাৰ্যবাহী সদস্য দিব্যজ্যোতি চক্ৰৱৰ্তী, সহিদুল মণ্ডলৰ লগতে উত্তৰ শালমাৰা জিলাৰ বিভিন্ন বিভাগত কৰ্মৰত বহু সংখ্যক কৰ্মচাৰী উপস্থিত থাকে। সভাৰ শেষত সৰ্বসন্মতিক্ৰমে নতুনকৈ উত্তৰ শালমাৰা জিলা কৰ্মচাৰী পৰিষদৰ নতুন সমিতি গঠন কৰা হয়। নতুন সমিতিত নুৰ হুছেইনক সভাপতি আৰু সহিদুল ইছলামক সাধাৰণ সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। উল্লেখ্য যে, নতুনকৈ গঠিত সমিতিয়ে আগন্তুক দিন সমূহত কৰ্মচাৰীসকলৰ বিভিন্ন সমস্যা সমাধান, ন্যায্য অধিকাৰ আদায় আৰু তেওঁলোকৰ স্বাৰ্থ সুৰক্ষাৰ বাবে সক্ৰিয়ভাৱে কাম কৰিব বুলি সকলোৱে মত প্ৰকাশ কৰিছে।

## ধোদাঙ গাঁৱৰ শিপাৰ পৰা চিকিৎসক হোৱাৰ সপোন সফলতাৰ বাটত স্পন্দন, দেৱ চন্দন, উন্নাভ আৰু জ্যোতিস্মান

**অসম বাৰ্তা, নুমলীগড়, ৬ ছেপ্টেম্বৰ** ঃ সপোন দেখিছে, সপোনক বাস্তৱ কৰাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিছে আৰু এতিয়া সফলতাৰ দিশে দৃঢ় খোজেৰে আগবাঢ়িছে বোকাখাত সম-জিলাৰ নুমলীগড়ৰ ধোদাং গাঁৱৰ চাৰিজন মেধাৱী যুৱক-যুৱতী, স্পন্দন শৰ্মা বাঢ়ৈ, দেৱ চন্দন বৰা, উন্নাভ শৰ্মা বাঢ়ৈ আৰু জ্যোতিস্মান বাঢ়ৈ। চিকিৎসক হোৱাৰ লক্ষ্যৰে আগবঢ়া এই চাৰিগৰাকী কৃতি শিক্ষাৰ্থীয়ে নিজৰ পৰিয়ালৰ লগতে ধোদাং গাঁও আৰু নুমলীগড় অঞ্চললৈও কঢ়িয়াই আনিছে আশাৰ বতৰা। এই সফলতাৰ কাহিনীৰ অন্যতম উজ্জ্বল নাম স্পন্দন শৰ্মা বাঢ়ৈ। MBBS সম্পূৰ্ণ কৰাৰ পিছত গ্ৰাম্য সেৱাত (Rural Posting) কৰ্তব্য সম্পাদন কৰি বৰ্তমান স্নাতকোত্তৰ চিকিৎসা শিক্ষা (PG) গ্ৰহণৰ দিশে আগবাঢ়িছে স্পন্দন। চিকিৎসা বিজ্ঞানৰ উচ্চ শিক্ষাৰ দিশে তেওঁৰ এই যাত্ৰাই অঞ্চলটোৰ নতুন প্ৰজন্মৰ বাবে এক শক্তিশালী প্ৰেৰণা হিচাপে পৰিগণিত হৈছে। স্পন্দনৰ ভাতৃ উন্নাভ শৰ্মা বাঢ়ৈও জ্যেষ্ঠ ভাতৃৰ পদাংক অনুসৰণ কৰি চিকিৎসক হোৱাৰ লক্ষ্যৰে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰত। দুয়োগৰাকী ভাতৃৰ এই শৈক্ষিক সফলতাৰ আঁৰত আছে পৰিয়ালটোৰ শিক্ষাৰ প্ৰতি থকা গভীৰ অনুৰাগ আৰু পৰিশ্ৰম। দুয়োগৰাকী কৃতি শিক্ষাৰ্থীৰ পিতৃ ড° বেদব্ৰত বাঢ়ৈ নুমলীগড় শোধনাগাৰৰ এগৰাকী বিষয়া। কৰ্মসূত্ৰে বৰ্তমান নুমলীগড় শোধনাগাৰ নগৰাঞ্চলৰ বাসিন্দা যদিও বাঢ়ৈ পৰিয়ালটোৰ শিপা ধোদাং গাঁৱৰ সৈতে বহু পুৰণি। শিক্ষা আৰু সমাজৰ প্ৰতি সচেতন ড° বাঢ়ৈৰ পৰিচালনাত নুমলীগড়ৰ ধনশিৰি ভেলী পাব্লিক স্কুলত নাৰ্চাৰীৰ পৰা দশম শ্ৰেণীলৈ CBSE পাঠ্যক্ৰমৰ শিক্ষা আৰু নুমলীগড় জ্ঞান মাৰ্গ ছিনিয়ৰ ছেকেণ্ডাৰী একাডেমীত নৱম শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষলৈ SEBA পাঠ্যক্ৰমৰ শিক্ষা সুকলমে চলি আছে। ড° বেদব্ৰত বাঢ়ৈৰ সহধৰ্মিণী স্মৃতি শিক্ষা শৰ্মা বাঢ়ৈও দুয়োখন শিক্ষানুষ্ঠানৰ তদাৰকীৰ সৈতে জড়িত হৈ শিক্ষাৰ এক সুস্থ পৰিৱেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইফালে, চিকিৎসক হোৱাৰ সপোনক বুকুত বান্ধি আগবাঢ়িছে দেৱ চন্দন বৰা। বৰ্তমান তেওঁ ডিফু চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ। দেৱ চন্দনৰ পিতৃ জিতেন বৰা (ওজা) অসমৰ এগৰাকী প্ৰখ্যাত ঢুলীয়া শিল্পী। অসম, ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে বাংলাদেশ আৰু আমেৰিকালৈকে ঢোল বাদ্যৰে অসমৰ লোকসংস্কৃতিৰ সুৰ কঢ়িয়াই নিবলৈ সক্ষম হোৱা জিতেন বৰাৰ সাংস্কৃতিক পৰিচয় নিজেই এক অনুপ্ৰেৰণাৰ কাহিনী। পিতৃৰ সাংস্কৃতিক আদৰ্শৰ পৰাও অনুপ্ৰেৰণা লাভ কৰিছে দেৱ চন্দনে। চিকিৎসা বিজ্ঞানৰ অধ্যয়নৰ সমান্তৰালভাৱে তেওঁ ঢোল বাদ্যৰ চৰ্চাও অব্যাহত ৰাখিছে। সুন্দৰ ঢোল বাদনেৰে লোকসংস্কৃতিৰ প্ৰতি থকা তেওঁৰ অনুৰাগ প্ৰকাশ পোৱাৰ লগতে ভৱিষ্যতে এগৰাকী চিকিৎসকৰ সৈতে এগৰাকী লোকশিল্পী হিচাপেও পৰিচিত হোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে। দেৱ চন্দনৰ মাতৃ ববিতা বৰা এগৰাকী সুযোগ্যা গৃহিণী। আনহাতে, জ্যোতিস্মান বাঢ়ৈয়েও যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হিচাপে অধ্যয়নৰ বাবে স্থান লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ পিতৃ অনন্ত বাঢ়ৈ (বিজয়) এগৰাকী ব্যৱসায়ী আৰু সমাজৰ সৈতে ওতপ্ৰোতভাৱে জড়িত ব্যক্তি। মাতৃ মালা জ্যোতি বাঢ়ৈ এগৰাকী সুযোগ্যা গৃহিণী। এখন গাঁৱৰ পৰা একেলগে কেইবাগৰাকীও শিক্ষাৰ্থীয়ে চিকিৎসা বিজ্ঞানৰ দৰে প্ৰতিযোগিতামূলক ক্ষেত্ৰত সফলতা লাভ কৰাটো কেৱল এটা পৰিয়ালৰ বাবেই নহয়, সমগ্ৰ ধোদাং আৰু নুমলীগড় অঞ্চলৰ বাবেও আনন্দ আৰু আশাৰ বতৰা। পৰিয়ালত উপযুক্ত পৰিৱেশ, অভিভাৱকৰ সঠিক দিশ-নিৰ্দেশনা আৰু নিজৰ লক্ষ্যৰ প্ৰতি একাগ্ৰতা থাকিলে গ্ৰামাঞ্চলৰ পৰাও মানবিশিষ্ট সাফল্য অৰ্জন কৰিব পাৰি। চিকিৎসক হোৱাৰ সপোনেৰে আগবঢ়া স্পন্দন, উন্নাভ, দেৱ চন্দন আৰু জ্যোতিস্মান এতিয়া কেৱল নিজৰ ভৱিষ্যৎ গঢ়াৰ যাত্ৰাতে সীমাবদ্ধ নহয়; তেওঁলোক হৈ পৰিছে ধোদাং গাঁৱৰ নতুন প্ৰজন্মৰ বাবে আশাৰ প্ৰতীক। তেওঁলোকৰ সফলতাৰ কাহিনীয়ে গাঁৱৰ আন বহু ছাত্ৰ-ছাত্ৰীকো উচ্চ শিক্ষা আৰু নিজৰ সপোনক লৈ আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

## সদৌ মৰাণ ছাত্ৰ সন্থা আৰু মৰাণ জাতীয় মহিলা পৰিষদৰ উদ্যোগত বাৰেকুৰিৰ কেইবাখনো বিদ্যালয়ৰ শিক্ষকক সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, মাকুম, ৬ ছেপ্টেম্বৰ** ঃ ৫ ছেপ্টেম্বৰ শিক্ষক দিৱসৰ পৱিত্ৰ ক্ষণত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠানত আজি পালন কৰা হৈছে শিক্ষক দিৱস। শিক্ষাৰ পোহৰেৰে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা শিক্ষাগুৰুসকলৰ প্ৰতি কৃতজ্ঞতা আৰু সন্মান জ্ঞাপনৰ এই বিশেষ দিনটোত মাকুমৰ বৃহত্তৰ বাৰেকুৰি অঞ্চলতো গ্ৰহণ কৰা হয় এক প্ৰশংসনীয় পদক্ষেপ। সদৌ মৰাণ ছাত্ৰ সন্থা, মাকুম আঞ্চলিক সমিতি আৰু মৰাণ জাতীয় মহিলা পৰিষদ, বাৰেকুৰি আঞ্চলিক সমিতিৰ উদ্যোগত শিক্ষক দিৱস উপলক্ষে অঞ্চলটোৰ কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাগুৰুসকলক সাক্ষাৎ কৰি সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচীৰ অংশ হিচাপে উদ্যোক্তাসকলে বৃহত্তৰ বাৰেকুৰি অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানলৈ গৈ শিক্ষকসকলক সাক্ষাৎ কৰে। শিক্ষাগুৰুসকলৰ সমাজ গঢ়াৰ ক্ষেত্ৰত থকা অৱদানৰ প্ৰতি সন্মান জনাই মৰাণ জনগোষ্ঠীৰ পৰম্পৰাগত গামোচাৰে শিক্ষকসকলক সম্বৰ্ধনা জনোৱাৰ লগতে একোখনকৈ ডায়েৰীও প্ৰদান কৰা হয়। কেৱল আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱাতে সীমাবদ্ধ নাথাকি উদ্যোক্তাসকলে শিক্ষকসকলৰ সৈতে মত-বিনিময় কৰি শিক্ষানুষ্ঠানসমূহৰ শৈক্ষিক পৰিৱেশ, শিক্ষকসকলৰ বিভিন্ন সমস্যা তথা অভাৱ-অসুবিধাৰ বিষয়েও বুজ লয়। এই সময়ছোৱাত অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহত শিক্ষকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ স্থায়ী সমাধানৰ বাবে চৰকাৰৰ অধিক সক্ৰিয় হস্তক্ষেপৰ প্ৰয়োজনীয়তাৰ কথাও উত্থাপন কৰে। কাৰ্যসূচীত উপস্থিত থকা সদৌ মৰাণ ছাত্ৰ সন্থা, মাকুম আঞ্চলিক সমিতিৰ সভাপতি গুণধৰ মৰাণ আৰু মৰাণ জাতীয় মহিলা পৰিষদৰ বিষয়ববীয়াসকলে শিক্ষকসকলৰ বিভিন্ন অভাৱ-অসুবিধাৰ প্ৰতি চৰকাৰে গুৰুত্ব আৰোপ কৰি শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে আহ্বান জনায়। তেওঁলোকে কয় যে এখন সুস্থ আৰু শিক্ষিত সমাজ গঢ়াৰ মূল ভেটি হৈছে শিক্ষাব্যৱস্থা। সেয়েহে শিক্ষাৰ মান উন্নত কৰাৰ লগতে শিক্ষকসকলক এক সুস্থ আৰু অনুকূল পৰিৱেশ প্ৰদান কৰাটোও অতি জৰুৰী। শিক্ষকসকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰ আৰু সংশ্লিষ্ট বিভাগে অধিক গুৰুত্ব প্ৰদান কৰিলে গ্ৰামাঞ্চলৰ শিক্ষাব্যৱস্থা অধিক শক্তিশালী হ'ব বুলি মত প্ৰকাশ কৰে।

# কামৰূপ জিলাত ৬৫ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৬ ছেপ্টেম্বৰ ঃ** মহান দাৰ্শনিক পণ্ডিত, শিক্ষাবিদ তথা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি শনিবাৰে দেশৰ আন প্ৰান্তৰ লগতে কামৰূপ জিলাতো ৬৫ সংখ্যক শিক্ষক দিৱস উদযাপন কৰা হয়। কামৰূপ জিলা প্ৰশাসন আৰু শিক্ষা বিভাগ, কামৰূপৰ উদ্যোগত গুৱাহাটী বায়'টেক পাৰ্কৰ প্ৰেক্ষাগৃহত শিক্ষক দিৱসৰ জিলা পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰা হয়। শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি অসমৰ ৰাজ্যপালে প্ৰৱৰ্তন কৰা 'ৰাজ্যপাল অসম বৰিষ্ঠ শিক্ষক সন্মান-২০২৬'ৰ অধীনত কামৰূপ জিলাৰ জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত শিক্ষকসকলকো বিশেষভাৱে সন্মানিত কৰা হয়। এই উদ্যোগৰ জৰিয়তে বিশেষকৈ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আজীৱন অৱদান আগবঢ়োৱা জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ সেৱা আৰু ত্যাগক স্বীকৃতি প্ৰদান কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে, এই উদ্যোগৰ অংশস্বৰূপে শিক্ষক দিৱসৰ জিলা পৰ্যায়ৰ অনুষ্ঠানৰ পূৰ্বে কামৰূপ জিলাৰ বোকো অঞ্চলৰ জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত শিক্ষক মোহন চন্দ্ৰ শৰ্মাক অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ হৈ কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই তেওঁৰ বাসগৃহত উপস্থিত হৈ 'ৰাজ্যপাল অসম বৰিষ্ঠ শিক্ষক সন্মান-২০২৬'ৰ অধীনত সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ উপৰি কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ আন আঠগৰাকী জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত শিক্ষককো 'ৰাজ্যপাল অসম বৰিষ্ঠ শিক্ষক সন্মান-২০২৬'ৰ অধীনত সংশ্লিষ্ট সম জিলা আয়ুক্ত আৰু চক্ৰ বিষয়াসকলে তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষক দিৱসৰ জিলা পৰ্যায়ৰ অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) গীতাশ্ৰী লাচিতে ছাত্ৰ-ছাত্ৰীৰ জীৱন গঠন আৰু এখন সুস্থ তথা প্ৰগতিশীল সমাজ নিৰ্মাণত শিক্ষকসকলৰ অনন্য ভূমিকা আৰু অৱদানৰ বিষয়ে আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে শিক্ষকসকলে কেৱল পাঠ্যপুথিৰ জ্ঞান প্ৰদান কৰাই নহয়, ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিকতা, শৃংখলাবোধ, দায়িত্ববোধ আৰু মানৱীয় মূল্যবোধ গঢ়ি তোলাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অনুষ্ঠানত বক্তব্য ৰাখি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই শিক্ষক দিৱস উপলক্ষে শিক্ষক সমাজলৈ শুভেচ্ছা জ্ঞাপন কৰি কয় যে, শিক্ষক হৈছে এগৰাকী শিক্ষাৰ্থীৰ জীৱন গঢ়াৰ অন্যতম প্ৰধান পথপ্ৰদৰ্শক। শিক্ষকসকলে কেৱল জ্ঞান প্ৰদান কৰাই নহয়, ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ, আত্মবিশ্বাস, শৃংখলাবোধ আৰু দায়িত্ববোধ গঢ়ি তোলাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। জিলা আয়ুক্ত গৰাকীয়ে লগতে উল্লেখ কৰে যে শিক্ষকৰ কৰ্ম কেৱল শিক্ষাদানতে সীমাবদ্ধ নহয়। পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ শিক্ষা আৰু ভৱিষ্যৎ গঢ়াৰ এক গুৰু দায়িত্ব শিক্ষকসকলৰ ওপৰত অৰ্পণ কৰে। বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো শিক্ষকসকলে ৰাষ্ট্ৰ গঠন আৰু সমাজ গঠনৰ ক্ষেত্ৰত আগবঢ়াই অহা অৱদান অতুলনীয় আৰু সদায়েই সন্মানৰ যোগ্য বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসু মনৰ জিজ্ঞাসা দূৰ কৰাৰ লগতে তেওঁলোকক জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ সৈতে পৰিচিত কৰি একোগৰাকী দায়িত্বশীল আৰু সক্ষম নাগৰিক হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ শিক্ষকসকলক প্ৰতিগৰাকী শিক্ষাৰ্থীৰ সুকীয়া সামৰ্থ্য, ৰুচি আৰু অন্তৰ্নিহিত প্ৰতিভা চিনাক্ত কৰি তেওঁলোকক সঠিক দিশত আগুৱাই নিয়াৰ বাবে আহ্বান জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি দৰং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক পূৰ্ণেশ্বৰ নাথে শিক্ষক সমাজৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি শিক্ষাৰ্থীৰ জীৱন আৰু সমাজৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত শিক্ষকসকলৰ গুৰু দায়িত্বৰ বিষয়ে আলোকপাত কৰি কয় যে দেশৰ শিক্ষা ক্ষেত্ৰৰ পৰিকাঠামো সবল কৰাৰ ক্ষেত্ৰত তথা শিক্ষা ক্ষেত্ৰৰ আমোল পৰিৱৰ্তন সাধন কৰাত অপৰিসীম ভূমিকা গ্ৰহণ কৰা ৰাষ্ট্ৰনায়ক ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীত সমগ্ৰ দেশে আজিৰ দিনটো "শিক্ষক দিৱস" হিচাবে উদ্‌যাপন কৰে। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে তেওঁৰ পুত্ৰৰ শিক্ষকলৈ লিখা বিখ্যাত পত্ৰখনৰ কথা উল্লেখ কৰি তেওঁ কয় যে শিক্ষা কেৱল পুথিগত জ্ঞান আহৰণতে সীমাবদ্ধ থাকিব নালাগে; বৰং শিক্ষাৰ্থীৰ মাজত সততা, সাহস, আত্মমৰ্যাদা, সহমৰ্মিতা আৰু দৃঢ় নৈতিক মূল্যবোধ গঢ়ি তোলাটোও শিক্ষাৰ এক অন্যতম উদ্দেশ্য। ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজিত তেওঁৰ শিক্ষাগুৰুসকলৰ প্ৰভাৱৰ কথা উল্লেখ কৰি মুখ্য অতিথিগৰাকীয়ে কয় যে এগৰাকী শিক্ষকৰ প্ৰেৰণা আৰু দিহা-পৰামৰ্শই শিক্ষাৰ্থীৰ জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। তেওঁ উপস্থিত শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ মাজত সু-নাগৰিক হিচাপে গঢ়ি উঠাৰ মূল্যবোধ, সমাজৰ প্ৰতি দায়িত্ববোধ আৰু মানৱীয়তাৰ শিক্ষা প্ৰদান কৰাৰ লগতে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ অন্তৰ্নিহিত প্ৰতিভা চিনাক্ত কৰি তেওঁলোকক জীৱনত আগবাঢ়ি যোৱাৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত গৰ্গ মোহন দাস, অতিৰিক্ত জিলা আয়ুক্ত আদিত্য গগৈ, কামৰূপৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতাকে ধৰি শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী সকল উপস্থিত থাকে। শিক্ষক দিৱস উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত কামৰূপ জিলাৰ শ্ৰেষ্ঠ শিক্ষকসকলক তেওঁলোকে শিক্ষা ক্ষেত্ৰলৈ আগবঢ়োৱা নিষ্ঠাপূৰ্ণ সেৱা আৰু উল্লেখনীয় অৱদানৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি বিগত বৰ্ষত ৰাজ্যিক পৰ্যায়ত শ্ৰেষ্ঠ শিক্ষক বঁটা লাভ কৰা কামৰূপ জিলাৰ শিক্ষক সকলকো বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত ৰাজেন্দ্ৰ প্ৰসাদ মেধি সোঁৱৰণী ন্যাসৰ তৰফৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনুষ্ঠিত কৰা মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত কামৰূপ জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীক ৰাজেন্দ্ৰ প্ৰসাদ মেধি সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। বঁটাপ্ৰাপকক সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, শৰাই আৰু নগদ ১০,০০০ টকা প্ৰদান কৰা হয়।

## বিদ্যালয়ৰ বাৰ্ষিক আলোচনী আৰু এখন গ্ৰন্থ উন্মোচন

# দুধনৈ জাতীয় বিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দুধনৈ, ৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ দুধনৈতো উখল-মাখল পৰিৱেশত উদযাপন কৰা হ'ল শিক্ষক দিৱস। দুধনৈ জাতীয় বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে শিক্ষক দিৱসৰ লগতে অনুষ্ঠিত হয় এক গ্ৰন্থ উন্মোচনী সভা। এই উপলক্ষে বিদ্যালয়ৰ স্মৃতিগ্ৰন্থকে ধৰি উন্মোচন কৰা হয় এখন মূল্যবান গ্ৰন্থ। শিক্ষাগুৰুৰ চৰণত শ্ৰদ্ধাঞ্জলি জনাই দুধনৈ জাতীয় বিদ্যালয়ত উলহ-মালহেৰে অনুষ্ঠিত হ'ল শিক্ষক দিৱস। পুৱাৰ ভাগত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু জাতীয় বিদ্যালয়ৰ সংগীতেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতেই বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী চামিনা খাটুনে আঁতধৰা এখন বিশেষ সভা বিদ্যালয়ৰ মুকলি মঞ্চত অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ চাংমাইৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাত অংশগ্ৰহণ কৰে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে। সভাৰ অংশ হিচাপে দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। বিদ্যালয়খনৰ বাৰ্ষিক আলোচনী "দোকমোকালি"



আনুষ্ঠানিকভাৱে উন্মোচন কৰে দুধনৈ প্ৰাথমিক শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ভদ্ৰাৱতী বৰ্মণে। আনহাতে, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ চাংমাইৰ স্বৰচিত গ্ৰন্থ "ৰোমন্থন" নিৰ্বাচিত প্ৰবন্ধ সংকলন উন্মোচন কৰে দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা শিক্ষাবিদ ক্ষীৰোদ খাখলাৰীয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ চাংমাইয়ে সংবাদ মাধ্যমক শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি অতীতৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে বৰ্তমান শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধা হ্ৰাস পোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰে যে শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ সন্মিলিত প্ৰচেষ্টাতহে দেশৰ ছাত্ৰ-ছাত্ৰীক সুনাগৰিক হিচাপে গঢ়ি তুলিব পৰা যাব, যাৰ বাবে শিক্ষকসকলক উচিত সন্মান জনোৱাটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ উপৰিও বৰ্তমান শিক্ষক সমাজক চৰকাৰে ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাদান কৰিবলৈ দায়িত্ব দিয়াৰ উপৰিও আন আন কামটো নিয়োগ কৰাটো দুৰ্ভাগ্যজনক বুলি অভিহিত কৰে। গুৰু-শিষ্যৰ পৱিত্ৰ সম্পৰ্ক আৰু সাহিত্য চৰ্চাৰ এই মধুৰ ক্ষণত সমগ্ৰ বিদ্যালয় চৌহদতেই শিক্ষক শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক অভিভাৱিকাৰ উপস্থিতিত এক অনন্য উৎসাহ-উদ্দীপনা দেখা যায়।

# মৰিগাঁৱৰ বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ফকৰুদ্দিন মহম্মদ আছজাদলৈ জিলা কৃতী শিক্ষকৰ সন্মান

**অসম বাৰ্তা, মৈৰাবাৰী,** শিক্ষখণ্ডত আগবঢ়োৱা উল্লেখনীয় অৱদান আৰু শিক্ষকতাৰ জৰিয়তে সমাজলৈ আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ স্বীকৃতি স্বৰূপে মৰিগাঁও জিলাৰ এখনি আগশাৰীৰ শিক্ষা অনুষ্ঠান বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ফকৰুদ্দিন মহম্মদ আছজাদলৈ 'জিলা কৃতী শিক্ষক বঁটা' আগবঢ়োৱা হৈছে। মৰিগাঁও জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ উদ্যোগত মৰিগাঁও পবিতৰা হাটত আয়োজিত ৬৫ সংখ্যক ৰাষ্ট্ৰীয় শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই কৃতী শিক্ষক সন্মান প্ৰদান কৰা হয়। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি, দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি তথা মহান দাৰ্শনিক আৰু শিক্ষাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্ত সৃষ্টি সিংহ আৰু মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াৰ উপস্থিতিত জিলাখনৰ মাধ্যমিক পৰ্যায়ৰ ৬ গৰাকী আৰু প্ৰাথমিক পৰ্যায়ৰ ৬ গৰাকী শিক্ষকক এই সন্মান জ্ঞাপন কৰা হয়। ইয়াৰে বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিষ্ঠাবান শিক্ষক ফকৰুদ্দিন মহম্মদ আছজাদলৈ এই বিশেষ সন্মান প্ৰদান কৰাত সমগ্ৰ অঞ্চলটোত আনন্দৰ জোৱাৰ উঠিছে। কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই বঁটা বিতৰণী অনুষ্ঠানত জিলা আয়ুক্ত সৃষ্টি সিংহ, IAS; অসম চৰকাৰৰ প্ৰাক্তন সচিব তথা



অৱসৰপ্ৰাপ্ত IAS বিষয়া আৰু মুখ্য অতিথি থানেশ্বৰ মালাকাৰ; জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সত্যজিৎ চেতিয়া, ACS; অতিৰিক্ত জিলা আয়ুক্ত ড° নীলাক্ষী বাইশ্য, ACS; অৱসৰপ্ৰাপ্ত শিক্ষাবিদ পুনাৰাম নাথ; বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শিক্ষকতাক কেৱল এটা পেছা হিচাপে নলৈ, ব্ৰত হিচাপে গ্ৰহণ কৰা ফকৰুদ্দিন মহম্মদ আছজাদে দীৰ্ঘদিন ধৰি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক আৰু নৈতিক বিকাশৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। তেওঁৰ আদৰ্শগত পাঠদান শৈলী, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মৰম আৰু বিদ্যালয়ৰ সৰ্বাংগীণ উন্নয়নত তেওঁৰ সক্ৰিয় অংশগ্ৰহণে অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ চহকী কৰি তুলিছে। এই সাফল্যত নিজৰ অনুভৱ প্ৰকাশ কৰি শিক্ষক ফকৰুদ্দিন মহম্মদ আছজাদে তেওঁৰ এই সফলতাৰ কৃতিত্ব বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰীসকল, শুভাকাংক্ষী, সমাজ আৰু অভিভাৱকসকলৰ অনুপ্ৰেৰণাকে উছৰ্গা কৰে। লগতে, আগন্তুক দিনতো শিক্ষাৰ মান উন্নয়নেৰে সমাজ সেৱাত নিয়োজিত থাকিবলৈ তেওঁ দৃঢ় প্ৰতিশ্ৰুতি প্ৰকাশ কৰে।

# তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত এক পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তেজনাময় পৰিৱেশ

**অসম বাৰ্তা, মাকুম, ৬ ছেপ্টেম্বৰ ঃ** মাকুম শুকান পুখুৰী স্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ সন্মুখত সংঘটিত এক পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি নিশা সৃষ্টি হয় উত্তেজনাময় পৰিস্থিতিৰ। ঘটনাৰ বিৱৰণ অনুসৰি কালি সন্ধ্যা তিনিচুকীয়া জিলাৰ মনখুচি চাহ বাগিচাৰ এ এছ-০১-আৰ চি-৫৬৪০ নম্বৰৰ এখন চৰকাৰী এম্বুলেন্সে এ এছ-২৩-এল-৭৫৮৭ নম্বৰৰ এখন বাইকসহ এজন চিকিৎসা মহাবিদ্যালয়ৰ কেণ্টিনত কৰ্মৰত কৰ্মচাৰীক মহতিয়াই নিয়াৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। এম্বুলেন্সখনৰ খুন্দাত বাইক আৰোহী তথা তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ কেণ্টিনত কৰ্মৰত দেৱ খাৰীয়া নামৰ কৰ্মচাৰীজন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ পাছতে আহত দেৱ খাৰীয়াক ততাতৈয়াকৈ চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত ভৰ্তি কৰোৱা হয়। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে মাকুম থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাত জড়িত এম্বুলেন্সখনৰ চালকজনক সোধা-পোছাৰ বাবে থানালৈ লৈ যায়। ইফালে, আহত কৰ্মচাৰীজনৰ পৰিয়াল ঘটনাস্থলীত উপস্থিত হৈ দেৱ খাৰীয়াক উন্নত চিকিৎসাৰ বাবে ব্যক্তিগত চিকিৎসালয়লৈ স্থানান্তৰ কৰাৰ দাবী উত্থাপন কৰে। এই দাবী সন্দৰ্ভত পৰিয়ালৰ লোকে মনখুচি চাহ বাগিচাৰ পৰিচালকক অৱগত কৰে। পৰিয়ালৰ অভিযোগ অনুসৰি, সন্ধিয়া প্ৰায় ৫ বজাত দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছটো নিশা প্ৰায় ১০ বজালৈকে মনখুচি চাহ বাগিচাৰ পৰিচালক ঘটনাস্থলীত উপস্থিত নোহোৱাত পৰিয়ালৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হয়। যুৱক জনৰ উন্নত চিকিৎসা প্ৰদানৰ দাবী পূৰণ নকৰালৈকে দুৰ্ঘটনাত জড়িত এম্বুলেন্সখন থানালৈ লৈ যাবলৈ দিয়া নহ'ব বুলি সংবাদ মাধ্যমৰ জৰিয়তে স্পষ্ট কৰি দিয়ে পৰিয়ালবৰ্গই। পৰিস্থিতি উত্তেজনাময় হৈ পৰাত পৰৱৰ্তী সময়ত মাকুম থানাৰ পৰিদৰ্শক পুলক কুমাৰ ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষী বিষয়াগৰাকীয়ে পৰিয়ালবৰ্গৰ সৈতে আলোচনা কৰি বিষয়টোত শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে।

# জনপ্ৰিয় মহাবিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জনীয়া, ৬ ছেপ্টেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে ৰাজ্যজুৰি আজি উদ্‌যাপন কৰা হৈছে শিক্ষক দিৱস। শিক্ষক সমাজৰ প্ৰতি সন্মান আৰু কৃতজ্ঞতা জ্ঞাপনৰ উদ্দেশ্যে বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে বানিয়াৰাপাৰাৰ ঐতিহ্যমণ্ডিত জনপ্ৰিয় মহাবিদ্যালয়তো বৰ্ণাঢ্য কাৰ্যসূচীৰে শিক্ষক দিৱস উদযাপন কৰা হয়। শিক্ষক দিৱস উপলক্ষে মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হয় বিশেষ অনুষ্ঠান। শিক্ষক দিৱসত অনন্য সন্মান যাচি ছাত্ৰ-ছাত্ৰীয়ে নিজ হাতে অংকন কৰা অধ্যক্ষৰ ছবি, গামোচা আৰু কলমেৰে জনালে সন্মান। লগতে সকলো শিক্ষক কৰ্মচাৰীক কলম আৰু গামোচাৰে সম্বৰ্ধনা জনাই আশীৰ্বাদ লয় ছাত্ৰ ছাত্ৰীয়ে। উল্লেখযোগ্য যে শিক্ষক দিৱসৰ দিনাই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° আব্দুল হাই সভাত ৰাজহুৱাকৈ গ্ৰহণ কৰা এক কঠোৰ পদক্ষেপে বিশেষ চৰ্চা লাভ কৰিছে। মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত ছাত্ৰ-ছাত্ৰীয়ে ৰিলচ বনোৱা, ভিডিঅ' শ্বুট কৰা আদি কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ হ'ব বুলি ৰাজহুৱাকৈ স্পষ্ট কৰি দিয়ে অধ্যক্ষই। সমান্তৰালভাৱে ছাত্ৰ ছাত্ৰীয়ে মহাবিদ্যালয়ত ইউনিফৰ্ম পিন্ধি অহাটো বাধ্যতামূলক। শ্ৰেণীত ৭৫ শতাংশ উপস্থিত নাথাকিলে বহিব নোৱাৰিব পৰীক্ষাত আৰু চৰকাৰী সা-

### মহাবিদ্যালয় চৌহদত ৰিল বনোৱা ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত অধ্যক্ষৰ



সুবিধাৰ পৰাও বঞ্চিত হ'ব বুলি ঘোষণা কৰে অধ্যক্ষই। মহাবিদ্যালয় চৌহদৰ শৈক্ষিক পৰিৱেশ আৰু শৃংখলা অটুট ৰখাৰ স্বাৰ্থত কোনো ছাত্ৰ-ছাত্ৰীয়ে অনুমতি অবিহনে চৌহদত ৰিলচ বা বিনোদনমূলক ভিডিঅ' প্ৰস্তুত কৰিলে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি অধ্যক্ষই ঘোষণা কৰে। আনকি এনে কাৰ্যত জড়িত ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰাৰ দৰে কঠোৰ সিদ্ধান্ত লোৱা হ'ব বুলিও জানিবলৈ দিয়ে। অধ্যক্ষৰ এই সিদ্ধান্তক লৈ ছাত্ৰ-ছাত্ৰীৰ মাজত সৃষ্টি হৈছে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ। মহাবিদ্যালয়ৰ শৃংখলা আৰু পঢ়া-শুনাৰ পৰিৱেশ বজাই ৰাখিবলৈ এনে কঠোৰ পদক্ষেপ প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰিছে সচেতন ৰাইজে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ প্ৰতি মনোযোগ বৃদ্ধি কৰা আৰু শিক্ষানুষ্ঠানৰ পৰিৱেশ শৃংখলাবদ্ধ কৰি ৰখাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে বুলি জানিব পৰা গৈছে। শিক্ষক দিৱসৰ বিশেষ দিনটোত অধ্যক্ষৰ এই কঠোৰ নিৰ্দেশে এতিয়া শিক্ষানুষ্ঠান শান্তি শৃংখলা আৰু সুন্দৰ শৈক্ষিক পৰিৱেশ পূৰ্বৰ দৰে অটুট থাকিব বুলি ধাৰণা কৰা হৈছে।

### ● চেলেঞ্জ কৰি পোৱা কৃতকাৰ্যতাৰ সুখ অনাবিল ঃ ৰঞ্জিত দত্ত ●

# বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ শিক্ষক দিৱসত সাংসদ ৰঞ্জিত দত্ত

**অসম বাৰ্তা, গহপুৰ, ৬ ছেপ্টেম্বৰ ঃ** গহপুৰ সমজিলাৰ বৃহত্তৰ ছয়দুৱাৰ অঞ্চলৰ ইংৰাজী মাধ্যমৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান মৰ্ণিং ষ্টাৰ হাইস্কুলত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে শিক্ষক দিৱস উদযাপন কৰা হয়। বিদ্যালয়খনৰ পৰিচালন সঞ্চালক যাদৱ চলিহাই পৰিচালনা কৰা শিক্ষক দিৱসৰ কাৰ্যসূচীৰ আঁত ধৰে অধ্যক্ষ দিনেশ কুমাৰ কেচিয়ে। উক্ত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই ভাষণ প্ৰসংগত তেতিয়াৰ দিনৰ শিক্ষা ব্যৱস্থাৰ আওপুৰণি শিক্ষা পদ্ধতিৰ বিভিন্ন উদাহৰণ ডাঙি ধৰি নষ্টালজিক হৈ পৰে। ভাষণ প্ৰসংগত তেওঁ তেওঁ কয় যে তেতিয়াৰ দিনৰ শিক্ষা ব্যৱস্থা আৰু এতিয়াৰ এই শিক্ষা ব্যৱস্থাৰ মাজত আকাশ পাতালৰ পাৰ্থক্য। আধুনিক আৰু প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাৰ লগত বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলে ফেৰ মাৰিব পৰাৰ কথা উল্লেখ কৰি তেওঁ ভাষণ প্ৰসংগত আৰু কয় যে বহু চেলেঞ্জ কৰি কৃতকাৰ্যতাৰ মুখ দেখিবলৈ সক্ষম হৈছে এইখন বিদ্যালয়ে। প্ৰত্যাহ্বান নেওচি লাভ কৰা সুখৰ আনন্দ অনাবিল বুলি উল্লেখ কৰি ৰঞ্জিত দত্তই কয় যে বৃহত্তৰ অঞ্চলটোত মেট্ৰিক পৰীক্ষাৰ ফলাফলত "ষ্টেণ্ড" কৰাৰ পৰিৱেশ এইখন বিদ্যালয়ৰ পৰাই সূচনা হৈছিল। মৰ্ণিং ষ্টাৰ হাইস্কুলৰ সু-শাসন আৰু পদ্ধতিগত শিক্ষা ব্যৱস্থাৰ বাবে প্ৰতি বছৰে বিদ্যালয়খনৰ পৰা মধুৰ ফচলৰ উৎপাদন হোৱা বুলি তেওঁ ভাষণত উল্লেখ কৰে। উল্লেখযোগ্য যে -এই অনুষ্ঠানত মৰ্ণিং ষ্টাৰ হাইস্কুলে সাংসদ ৰঞ্জিত দত্তক আনুষ্ঠানিকভাৱে প্ৰদান কৰে "ৰাজনীতিৰ সিংহপুৰুষ" সন্মান। এই সন্মানত আছে এখন গামোচা, এখন চেলেং, এটা জাপি আৰু এখন প্ৰশস্তি পত্ৰ। এই ক্ষেত্ৰত পৰিচালন সঞ্চালক যাদৱ চলিহাই কয় যে ২০০১ চনৰ বৰ্তমানলৈকে অসম তথা সংসদীয় ৰাজনীতিত নিজৰ দক্ষতা বিস্তাৰ কৰি থকা ৰঞ্জিত দত্তই ২০০১, ২০০৬, ২০১৬ আৰু ২০২১ চনত বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ লগতে ২০১৬ চনত অসম চৰকাৰৰ জলসিঞ্চন, ৰেচম আৰু সংখ্যালঘু উন্নয়ন দপ্তৰৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ পিছত ২০২৪ চনত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ হিচাপে নিৰ্বাচিত হৈ বৰ্তমান তেওঁ উক্ত পদত অধিষ্ঠিত হৈ আছে। ইয়াৰ উপৰিও ২০০২ চনত বিজেপিৰ ৰাষ্ট্ৰীয় যুৱ মৰ্চাৰ সম্পাদক আৰু ২০০৯ চনত অসম ৰাজ্যিক বিজেপিৰ সভাপতি হিচাপে মনোনীত হৈছিল ৰঞ্জিত দত্ত। সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ দীৰ্ঘদিনীয়া দক্ষতাৰে পুষ্ট সাংসদ ৰঞ্জিত দত্তক এই সন্মান প্ৰদান কৰিবলৈ পাই বিদ্যালয় কৰ্তৃপক্ষই যথেষ্ট সন্তোষ প্ৰকাশ কৰা বুলি উল্লেখ কৰে যাদৱ চলিহাই। ইপিনে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰকাশ কৰি উলিওৱা ২০০ ফুট দৈৰ্ঘ্যৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিশিষ্ট নাট্যকাৰ, শিক্ষাবিদ তৰুণ বৰুৱাই। ইয়াৰ পূৰ্বে বিদ্যালয়খনৰ পৰিচালন সঞ্চালিকা প্ৰয়াত ৰূপৰেখা চলিহাৰ সমাধিত বৃক্ষ ৰোপণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক লীলা তিমচিনাই। শিক্ষক দিৱস উপলক্ষে ছাত্ৰী-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীয়ে জীপাল কৰি তোলে বিদ্যালয়খনৰ চৌপাশ। উল্লেখযোগ্য যে- গহপুৰৰ জনপ্ৰিয় ডিজিটেল মাধ্যম নিউজ নৰ্থ আছামে লিমাৰচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জৱাহৰলাল মিলি আৰু মৰ্ণিং ষ্টাৰ হাইস্কুলৰ শৈক্ষিক সমন্বয়ক ৰুদ্ৰ ভড়ালীক উক্ত অনুষ্ঠানত "গুৰুদেৱ বঁটা" প্ৰদান কৰে।

# অৰুণাচল বিশ্ববিদ্যালয়, নামচাইৰ কৃষি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ তিনিচুকীয়াস্থিত টেঙা আৰু ৰোপণ শস্য গৱেষণা কেন্দ্ৰ পৰিদৰ্শন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৬ ছেপ্টেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ নামচাইস্থিত অৰুণাচল বিশ্ববিদ্যালয় অব ষ্টাডিজৰ কৃষি বিজ্ঞান বিভাগৰ ৩৫ গৰাকী চতুৰ্থ বৰ্ষৰ ৩ ছেপ্টেম্বৰত পৰিদৰ্শণমূলক ভ্ৰমণ কাৰ্যসূচীৰ অংশ হিচাপে তিনিচুকীয়াস্থিত টেঙা আৰু ৰোপণ শস্য গৱেষণা কেন্দ্ৰ পৰিদৰ্শন কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° ৰাজ কুমাৰ কাকতিয়ে আদৰণি ভাষণ প্ৰদান কৰি গৱেষণা কেন্দ্ৰটোৰ বিভিন্ন কৃতিত্ব, চলি থকা গৱেষণা কাৰ্যকলাপ আৰু কৰ্ম পৰিসৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তেওঁ উল্লেখ কৰে যে অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ অধীনস্থ এই গৱেষণা কেন্দ্ৰটো ৰাজ্যখনৰ টেঙা গৱেষণাৰ অন্যতম অগ্ৰণী কেন্দ্ৰ। বিশেষকৈ টেঙা জাতীয় বিভিন্ন প্ৰজাতি সংগ্ৰহ, সংৰক্ষণ আৰু ব্যৱহাৰৰ ওপৰত কেন্দ্ৰটোৱে গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ লগতে জানিবলৈ দিয়ে যে কেন্দ্ৰটোৰ ফিল্ড জিন বেংকত প্ৰায় ১৫০টা টেঙাৰ প্ৰজাতি সংৰক্ষণ কৰা হৈছে। ড° কাকতিয়ে কেন্দ্ৰটোত উদ্যানশস্য, উদ্ভিদ ৰোগ বিজ্ঞান, কীট-পতংগ আৰু মৃত্তিকা বিজ্ঞান আদি বিভিন্ন বিষয়ক সামৰি চলি থকা বহুবিষয়ক গৱেষণা কাৰ্যকলাপৰ বিষয়েও আলোকপাত কৰে। পৰিদৰ্শনকালত ছাত্ৰ-ছাত্ৰীসকলে কেন্দ্ৰটোৰ মলিকিউলাৰ লেবৰেটৰী, উদ্ভিদ ৰোগ বিজ্ঞান গৱেষণাগাৰ, কীট-পতংগ গৱেষণাগাৰ আৰু মৃত্তিকা বিজ্ঞানৰ সুবিধাসমূহ পৰিদৰ্শন কৰাৰ লগতে নাৰ্চাৰী উৎপাদন গোট আৰু বিভিন্ন পৰীক্ষামূলক খণ্ডসমূহো পৰিদৰ্শন কৰে। উদ্ভিদ ৰোগ বিজ্ঞানৰ বিজ্ঞানী ড° মনোজ গগৈয়ে টেঙাৰ ৰোপণ সামগ্ৰীৰ গুণগত মান নিশ্চিত কৰাৰ ক্ষেত্ৰত মলিকিউলাৰ ইনডেক্সিঙৰ গুৰুত্ব ব্যাখ্যা কৰে। তেওঁ টেঙা খেতিত দেখা দিয়া বিভিন্ন ৰোগজনিত সমস্যা আৰু ৰোগ নিয়ন্ত্ৰণ ব্যৱস্থাপনাৰ বিষয়েও ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ উপৰি প্ৰধান বিজ্ঞানী ড° বিজিত কুমাৰ সৌদ, ড° নীলিম কলিতা, ড° প্ৰিয়ংকা বৰবৰুৱা আৰু ড° জাহ্নৱী হাজৰিকাই কেন্দ্ৰটোত চলি থকা বিভিন্ন গৱেষণা কাৰ্যকলাপৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অৰুণাচল বিশ্ববিদ্যালয়, নামচাইৰ অধ্যাপিকা ড° পাৰবিন হুণ্ডা বৰুৱাই এ'প'জাৰ ভিজিট কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰি কৃষি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আধুনিক গৱেষণা আৰু প্ৰযুক্তিৰ ব্যৱহাৰিক জ্ঞান আহৰণৰ ক্ষেত্ৰত এনে পৰিদৰ্শনৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। এই পৰিদৰ্শনে ছাত্ৰ-ছাত্ৰীসকলক টেঙাৰ বিভিন্ন প্ৰজাতিৰ সংৰক্ষণ, গুণগত মানসম্পন্ন ৰোপণ সামগ্ৰী উৎপাদন, মলিকিউলাৰ ইনডেক্সিং, কীট-পতংগ আৰু ৰোগ ব্যৱস্থাপনা, মৃত্তিকা বিজ্ঞান তথা পথাৰভিত্তিক গৱেষণা কাৰ্যকলাপৰ বিষয়ে ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰাৰ সুযোগ প্ৰদান কৰে।

## সম্পাদকীয়

# এআই উদ্যোগৰ সম্ভাৱনা, প্ৰত্যাহ্বান আৰু ভৱিষ্যৎ

একবিংশ শতিকাৰ বিশ্ব অৰ্থনীতি আৰু ক্ৰমবৰ্ধমান উদ্যোগ খণ্ডক পৰিচালনা কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ভূমিকা এতিয়া অনস্বীকাৰ্য। বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা বা এআই (Artificial Intelligence) সম্প্ৰতি কেৱল কম্পিউটাৰ বিজ্ঞানৰে এক শাখা হৈ থকা নাই, বৰঞ্চ ই মানৱ সভ্যতাৰ বিকাশৰ গতিপথ সলনি কৰাৰ মূল চালিকাশক্তি হৈ পৰিছে। এই দিশৰ পৰা চাবলৈ গ'লে, এন ডি এ (NDA) চৰকাৰৰ তৃতীয় সংস্কৰণৰ প্ৰথম ১০০ দিন পূৰ্তিৰ ঐতিহাসিক মুহূৰ্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা ৪০ কোটি টকাৰ 'ইণ্ডিয়া এআই উৎকৰ্ষ কেন্দ্ৰ', ৬খন জিলাত ১০টা 'ইনকিউবেচন কেন্দ্ৰ' আৰু ৰাজ্যৰ প্ৰথমটো 'জি PU ক্লাষ্টাৰ' স্থাপনৰ সিদ্ধান্তই অসমক প্ৰযুক্তিৰ মানচিত্ৰত এক নতুন পৰিচয় দিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰিব পাৰি।

এই পদক্ষেপ কেৱল এক চৰকাৰী আঁচনি বা ঘোষণাৰ মাজতে সীমিত নহয়। উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-ৰাজনৈতিক আৰু ভৌগোলিক স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই অঞ্চলে প্ৰযুক্তিৰ ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰাটো অত্যন্ত সময়োপযোগী। এআই-ভিত্তিক ৯টা ষ্টাৰ্টআপক সহায় কৰাৰ লগতে প্ৰথমটো জিপিইউ (GPU - Graphics Processing Unit) ক্লাষ্টাৰ প্ৰতিষ্ঠা কৰাৰ যি সিদ্ধান্ত লোৱা হৈছে, ই স্থানীয় যুৱ প্ৰজন্মৰ উদ্ভাৱনী শক্তিক এক উপযুক্ত মঞ্চ প্ৰদান কৰিব। উন্নত গৱেষণা, ডাটা প্ৰচেছিং আৰু হাই-পাৰফৰ্মেন্স কম্পিউটিং সুবিধা উপলব্ধ হ'লে ৰাজ্যৰ মেধাৱী যুৱক-যুৱতীসকলে ৰাজ্যৰ বাহিৰলৈ নোযোৱাকৈয়ে নিজৰ ঘৰতে বিশ্বমানৰ এআই প্ৰকল্পসমূহৰ ওপৰত কাম কৰিবলৈ সুযোগ পাব।

অৱশ্যে, যিকোনো নতুন প্ৰযুক্তিগত বিপ্লৱৰ সূচনা হ'লে সাধাৰণ ৰাইজ আৰু বুদ্ধিজীৱী সমাজৰ মনত কিছু প্ৰশ্ন আৰু শংকাৰ উদয় হোৱাটো স্বাভাৱিক। এই বৃহৎ প্ৰকল্পসমূহ কাৰ্যকৰী কৰাৰ মুহূৰ্ততো বহু কেইটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হয় ঃ

প্ৰথমতে, ডিজিটেল আন্তঃগাঁথনিৰ বিষয়ে চিন্তা কৰা প্ৰয়োজন। ৰাজ্যত এআই চালিত ব্যৱস্থা আৰু জিপিইউ ক্লাষ্টাৰ সফলতাৰে চলোৱাৰ বাবে নীৰৱচ্ছিন্ন বিদ্যুৎ যোগান, উচ্চ গতিৰ ইণ্টাৰনেট আৰু সুৰক্ষিত ডাটা চেণ্টাৰৰ প্ৰয়োজন। গুৱাহাটীৰ উপৰি গাঁও আৰু আন চহৰসমূহৰ ডিজিটেল পাৰ্থক্য (Digital Divide) কেনেদৰে দূৰ কৰা হ'ব? দ্বিতীয়তে, কৰ্মসংস্থানৰ প্ৰশ্ন। সমগ্ৰ বিশ্বতে এআইৰ সম্প্ৰসাৰণে সাধাৰণ মানুহৰ সংস্থাপন কাঢ়ি নিব নেকি— এই বিষয়টো লৈ চৰ্চা চলিছে। অসমৰ দৰে এখন ৰাজ্যত য'ত নিবনুৱা সমস্যা অন্যতম প্ৰধান প্ৰত্যাহ্বান, তাত এআই প্ৰযুক্তিয়ে নতুন চাকৰিৰ সৃষ্টি কৰিব নে পৰম্পৰাগত কৰ্মসংস্থানৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব? চৰকাৰে আধুনিক শিক্ষা ব্যৱস্থাত এআই আৰু ৰোবটি' অন্তৰ্ভুক্ত কৰি স্থানান্তৰিত কৰ্মসংস্থানৰ বাবে যুৱপ্ৰজন্মক দক্ষ কৰি তুলিব পাৰিবনে? তৃতীয়তে, এই ধনৰ উচিত ব্যৱহাৰ আৰু ইনকিউবেচন কেন্দ্ৰসমূহৰ নিৰপেক্ষ পৰিচালনা। ৪০ কোটি টকাৰ ব্যয়সাপেক্ষে গঢ়ি তুলিবলৈ লোৱা এই ব্যৱস্থা কেৱল বিল্ডিং বা আন্তঃগাঁথনিয়েই আবদ্ধ নাথাকি প্ৰকৃত উদ্ভাৱক আৰু প্ৰতিভাবান ষ্টাৰ্টআপৰ হাতলৈ কেনেকৈ পোনপটীয়াভাৱে পাব, সেয়া নিশ্চিত কৰাটো এক ডাঙৰ দায়িত্ব।

সামৰণিত ক'ব পাৰি যে প্ৰযুক্তিৰ জোৱাৰক ৰুদ্ধ কৰাটো অসম্ভৱ। অসমক এক উদ্যোগশীল আৰু ডিজিটেল অৰ্থনীতিৰ প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ হ'লে এনেধৰণৰ সাহসী আৰু সুদূৰপ্ৰসাৰী সিদ্ধান্তৰ প্ৰয়োজন আছিল। চৰকাৰৰ এই পদক্ষেপে নিশ্চিতভাৱে অসমৰ যুৱসমাজক নতুন স্বপ্ন দেখিবলৈ উৎসাহিত কৰিব। কিন্তু এই পৰিকল্পনাসমূহ কেৱল কাগজ-কলমে বা সামাজিক মাধ্যমৰ ঘোষণাতে সীমাৰদ্ধ নাৰাখি, স্বচ্ছতা আৰু দক্ষতাৰে বাস্তৱত ৰূপায়ণ কৰাটোই হ'ব চৰকাৰৰ বাবে আটাইতকৈ ডাঙৰ পৰীক্ষা।

# পৰিসীমা নিৰ্ধাৰণৰ বিতৰ্ক




*বৰ্তমান ৰাজ্যসভাৰ আসনসমূহো জনসংখ্যাৰ ভিত্তিতহে নিৰ্ধাৰণ কৰা হয়। যদি লোকসভাত জনসংখ্যাৰ ভিত্তিত উত্তৰৰ ৰাজ্যসমূহে আধিপত্য বিস্তাৰ কৰে, তেন্তে যুক্তৰাষ্ট্ৰীয় ভাৰসাম্য ৰক্ষা কৰিবলৈ আমেৰিকা যুক্ত ৰাষ্ট্ৰৰ ছিনেটব্যৱস্থাৰ আৰ্হিত ভাৰতৰ ৰাজ্যসভাতো প্ৰতিখন ৰাজ্যৰ বাবে সমান সংখ্যক আসনৰ ব্যৱস্থা কৰিব পৰা যায়। ইয়াৰ ফলত সৰু বা কম জনসংখ্যাৰ ৰাজ্যসমূহেও উচ্চ সদনত নিজৰ মাত সাব্যস্ত কৰাৰ সমান সুযোগ পাব। লগতে, বিত্তীয় হস্তান্তৰৰ ক্ষেত্ৰত জনসংখ্যাক একমাত্ৰ বা প্ৰধান মাপকাঠী হিচাপে ধৰাৰ সলনি ৰাজ্যসমূহৰ জনগাঁথনিগত সফলতা, পৰিৱেশ সুৰক্ষা প্ৰচেষ্টা আৰু কৰ সংগ্ৰহৰ সামৰ্থ্যক অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে পৰিসীমা নিৰ্ধাৰণ আয়োগ গঠন কৰাৰ যি প্ৰস্তুতি চলাইছে, তাত সকলো ৰাজ্যৰ প্ৰতিনিধিক উপযুক্ত স্থান দিয়াটো অত্যন্ত জৰুৰী যাতে কোনো ৰাজ্যই নিজকে অৱহেলিত বুলি অনুভৱ নকৰে। ভাৰতৰ পৰিসীমা নিৰ্ধাৰণ বিতৰ্কটো কেৱল নিৰ্বাচনী অংকৰ বিষয় নহয়, ই হ'ল ভাৰতৰ "বৈচিত্ৰ্যৰ মাজত একতা"ৰ আদৰ্শৰ এক অগ্নিপৰীক্ষা। গণতন্ত্ৰৰ পৰিসংখ্যাগত দাবী আৰু যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ আৱেগিক বান্ধোনৰ মাজত এক সুন্দৰ সমন্বয় স্থাপন কৰাটোৱেই বৰ্তমানৰ ৰাজনৈতিক নেতৃত্বৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।*

ভাৰতীয় গণতন্ত্ৰ বৰ্তমান এক অতি গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ সাংবিধানিক সন্ধিক্ষণত উপনীত হৈছে। ২০২৬ চনৰ পাছত প্ৰথমটো লোকপিয়লৰ ভিত্তিত হ'বলগীয়া সংসদীয় সমষ্টিৰ পৰিসীমা নিৰ্ধাৰণ বা ডিলিমিটেচন প্ৰক্ৰিয়াই সমগ্ৰ দেশজুৰি এক গভীৰ ৰাজনৈতিক আৰু বৌদ্ধিক বিতৰ্কৰ সূত্ৰপাত কৰিছে। শেহতীয়াকৈ সংসদত উত্থাপিত হোৱা পৰিসীমা নিৰ্ধাৰণ বিধেয়ক আৰু সংবিধানৰ ১৩১ সংখ্যক সংশোধনী বিধেয়কৰ প্ৰস্তাৱসমূহে এই বিতৰ্কক এক নতুন মাত্ৰা প্ৰদান কৰিছে। এই বিধেয়কসমূহৰ জৰিয়তে লোকসভাৰ আসনৰ সংখ্যা বৰ্তমানৰ ৫৪৩ খনৰ পৰা ৮৫০ খনলৈ বৃদ্ধি কৰাৰ যি প্ৰস্তাৱ ৰখা হৈছে, সিয়ে ভাৰতৰ উত্তৰ আৰু দক্ষিণৰ ৰাজ্যসমূহৰ মাজত এক স্পষ্ট ৰাজনৈতিক বিভাজনৰ ইংগিত দিছে। এজন বিশ্লেষক হিচাপে চাবলৈ গলে এই সমগ্ৰ প্ৰক্ৰিয়াটোক কেৱল এখন নিৰ্বাচনী মানচিত্ৰৰ সালসলনি হিচাপে চোৱাটো ভুল হ'ব; দৰাচলতে এয়া হৈছে ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা, জনসংখ্যা নিয়ন্ত্ৰণৰ নীতি আৰু গণতান্ত্ৰিক প্ৰতিনিধিত্বৰ মাজত থকা ভাৰসাম্যৰ এক বৃহৎ পৰীক্ষা।

ভাৰতীয় সংবিধানৰ ৮১ আৰু ৮২ নং অনুচ্ছেদ অনুসৰি প্ৰতিটো লোকপিয়লৰ পাছত জনসংখ্যাৰ ভিত্তিত লোকসভা আৰু ৰাজ্যিক বিধানসভাবোৰৰ আসনসমূহৰ পুনৰ্গঠন বা পৰিসীমা নিৰ্ধাৰণ কৰাটো বাধ্যতামূলক। ইয়াৰ মূল উদ্দেশ্য হৈছে "এজন ব্যক্তি, এটা ভোট আৰু এক মূল্য" (One Person, One Vote, One Value) নীতি প্ৰতিষ্ঠা কৰা। অৰ্থাৎ, প্ৰতিজন সাংসদে যাতে প্ৰায় সমান সংখ্যক জনসাধাৰণক প্ৰতিনিধিত্ব কৰে, সেয়া নিশ্চিত কৰা। কিন্তু এই সহজ গাণিতিক সূত্ৰটোৱে ভাৰতৰ দৰে বৈচিত্ৰ্যময় আৰু বিশাল দেশ এখনত এক জটিল ৰাজনৈতিক সংকটৰ সৃষ্টি কৰিব পাৰে বুলি সত্তৰৰ দশকতেই অনুভৱ কৰা হৈছিল। ১৯৭৬ চনত জৰুৰীকালীন অৱস্থাৰ সময়ত ইন্দিৰা গান্ধীৰ চৰকাৰে সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে লোকসভাৰ আসনৰ সংখ্যা ১৯৭১ চনৰ লোকপিয়লৰ ভিত্তিত ২০০০ চনলৈকে নিৰ্ধাৰিত কৰি ৰাখিছিল। ইয়াৰ মূল কাৰণ আছিল জনসংখ্যা নিয়ন্ত্ৰণ বা পৰিয়াল পৰিকল্পনাৰ চৰকাৰী কাৰ্যসূচীক উৎসাহিত কৰা। যিবোৰ ৰাজ্যই সফলতাৰে জনসংখ্যা নিয়ন্ত্ৰণ কৰিছিল, আসনৰ সংখ্যা হ্ৰাস পোৱাৰ ভয়ত যাতে তেওঁলোক নিৰুৎসাহিত নহয়, তাৰ বাবেই এই সিদ্ধান্ত লোৱা হৈছিল। পৰৱৰ্তী সময়ত, ২০০১ চনত অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বাধীন এনডিএ চৰকাৰে ৮৪ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে এই স্থগিতাদেশ ২০২৬ চনৰ পাছৰ প্ৰথমটো লোকপিয়ললৈকে বৃদ্ধি কৰে। এই সুদীৰ্ঘ অৰ্ধশতিকাৰ সময়ছোৱাত ভাৰতৰ জনগাঁথনিত এক অভাৱনীয় পৰিৱৰ্তন ঘটিল, যিয়ে বৰ্তমানৰ উত্তৰ-দক্ষিণ বিতৰ্কৰ মূল ভেটি গঢ়ি তুলিছে। যোৱা পাঁচটা দশকত দক্ষিণ ভাৰতৰ ৰাজ্যসমূহ যেনে- কেৰালা, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু কৰ্ণাটকে শিক্ষা, স্বাস্থ্য, পৰিয়াল পৰিকল্পনা আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত অভূতপূৰ্ব সফলতা অৰ্জন কৰিছে। এই ৰাজ্যসমূহত প্ৰজননৰ হাৰ প্ৰতিষ্ঠাপন স্তৰতকৈ বহু তললৈ নামি আহিছে। আনহাতে, উত্তৰ ভাৰতৰ হিন্দীভাষী ৰাজ্যসমূহ, বিশেষকৈ উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থান আৰু মধ্যপ্ৰদেশত জনসংখ্যা বৃদ্ধিৰ হাৰ আজিও যথেষ্ট বেছি। ফলস্বৰূপে, বৰ্তমান ভাৰতৰ মুঠ জনসংখ্যাৰ এক বৃহৎ অংশ উত্তৰ ভাৰতত কেন্দ্ৰীভূত হৈ পৰিছে। এই জনগাঁথনিগত পাৰ্থক্যৰ অৰ্থ হ'ল যে যদি ২০২৬ চনৰ পাছত কেৱল জনসংখ্যাৰ ভিত্তিত লোকসভাৰ আসনসমূহৰ পুনৰ বিতৰণ কৰা হয়, তেন্তে উত্তৰ প্ৰদেশ আৰু বিহাৰৰ দৰে ৰাজ্যসমূহে বহুতো নতুন আসন লাভ কৰিব আৰু ইয়াৰ বিপৰীতে তামিলনাডু বা কেৰালাৰ দৰে ৰাজ্যসমূহৰ প্ৰতিনিধিত্ব তুলনামূলকভাৱে বহু পৰিমাণে হ্ৰাস পাব। শেহতীয়াকৈ ২০২৬ চনৰ আৰম্ভণিতে লোকসভাত উত্থাপিত হোৱা প্ৰস্তাৱ অনুসৰি, যদি লোকসভাৰ আসন ৮৫০ খনলৈ বৃদ্ধি কৰা হয়, তেন্তে কেৱল উত্তৰ প্ৰদেশতেই আসনৰ সংখ্যা ৮০ৰ পৰা প্ৰায় ১৪০-লৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এনে পৰিস্থিতিত, সংসদত দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ মাত একেবাৰে দুৰ্বল হৈ পৰাৰ আশংকা কৰা হৈছে। এই সম্ভাৱনাই দক্ষিণৰ ৰাজনৈতিক নেতাসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তেওঁলোকে যুক্তি দৰ্শাইছে যে যিবোৰ ৰাজ্যই ৰাষ্ট্ৰীয় নীতি মানি চলি জনসংখ্যা নিয়ন্ত্ৰণ কৰিলে আৰু দেশৰ অৰ্থনীতিলৈ সৰ্বাধিক অৱদান আগবঢ়ালে, তেওঁলোকক এতিয়া ৰাজনৈতিকভাৱে শাস্তি দিয়াৰ যো-জা চলোৱা হৈছে। এই বিতৰ্ক কেৱল সংসদীয় আসনৰ সংখ্যাতেই আৱদ্ধ থকা নাই; ই ভাৰতৰ অৰ্থনৈতিক আৰু বিত্তীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থালৈকো সম্প্ৰসাৰিত হৈছে। দক্ষিণৰ ৰাজ্যসমূহ ভাৰতৰ অৰ্থনীতিৰ মূল চালিকা শক্তি। জিডিপিৰ বিকাশ, তথ্য প্ৰযুক্তি, উদ্যোগ আৰু বিদেশী বিনিয়োগৰ ক্ষেত্ৰত এই ৰাজ্যসমূহ বহু আগবাঢ়ি আছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহ সংগ্ৰহত তেওঁলোকৰ অৱদান অপৰিসীম। কিন্তু বিত্ত আয়োগৰ জৰিয়তে কেন্দ্ৰীয় কৰৰ যি অংশ ৰাজ্যসমূহক বিতৰণ কৰা হয়, তাতো বৰ্তমান জনসংখ্যাক এক প্ৰধান মাপকাঠী হিচাপে ধৰা হয়। পঞ্চদশ বিত্ত আয়োগে ১৯৭১ চনৰ সলনি ২০১১ চনৰ লোকপিয়লৰ তথ্য ব্যৱহাৰ কৰাৰ ফলত দক্ষিণৰ ৰাজ্যসমূহে ইতিমধ্যে বিত্তীয় লোকচানৰ সন্মুখীন হৈছে বুলি অভিযোগ উত্থাপন কৰিছে। তেওঁলোকৰ মতে, দক্ষিণৰ ৰাজ্যসমূহৰ পৰা সংগৃহীত কৰৰ ধনেৰে উত্তৰৰ ৰাজ্যসমূহৰ উন্নয়নমূলক কাম-কাজ চলোৱা হৈছে, অথচ ৰাজনৈতিক ক্ষমতাৰ ক্ষেত্ৰত দক্ষিণক ক্ৰমান্বয়ে একাষৰীয়া কৰাৰ চেষ্টা কৰা হৈছে। এই পৰিস্থিতিক বহুতে "উন্নয়নৰ শাস্তি" বুলি আখ্যা দিছে। শেহতীয়া সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি, দক্ষিণ ভাৰতৰ কেইবাজনো মুখ্যমন্ত্ৰীয়ে এই বিষয়টোক লৈ একগোট হৈ কেন্দ্ৰৰ ওপৰত চাপ সৃষ্টি কৰাৰো প্ৰয়াস কৰিছে, যিয়ে ভৱিষ্যতে এক বৃহৎ আঞ্চলিক সংঘাতৰ ৰূপ লোৱাৰো আশংকা আছে। কিন্তু মুদ্ৰাটোৰ আনটো ফাল একেবাৰেই আওকাণ কৰিব নোৱাৰি। এক সুৰক্ষিত আৰু প্ৰকৃত গণতন্ত্ৰৰ মূল আধাৰেই হৈছে সমতা। বৰ্তমানৰ ব্যৱস্থাত উত্তৰ ভাৰতৰ ৰাজ্যসমূহৰ জনসাধাৰণ সাংবিধানিকভাৱে এক প্ৰকাৰৰ বৈষম্যৰ বলি হৈছে বুলি ক'লেও বঢ়াই কোৱা নহ'ব। বৰ্তমানৰ পৰিস্থিতিত ৰাজস্থান বা উত্তৰ প্ৰদেশৰ এজন সাংসদে প্ৰায় ২৫-৩০ লাখ ভোটাৰক প্ৰতিনিধিত্ব কৰিবলগীয়া হয়, আনহাতে কেৰালা বা তামিলনাডুৰ এজন সাংসদে মাত্ৰ ১৫-১৮ লাখ ভোটাৰক প্ৰতিনিধিত্ব কৰে। ইয়াৰ অৰ্থ হ'ল উত্তৰ ভাৰতৰ এজন ভোটাৰৰ ভোটৰ মূল্য দক্ষিণৰ এজন ভোটাৰৰ ভোটৰ মূল্যতকৈ গাণিতিকভাৱে বহু কম। এখন গণতান্ত্ৰিক দেশত এনে বৈষম্য দীৰ্ঘদিন ধৰি বৰ্তাই ৰাখিব নোৱাৰি। উত্তৰৰ ৰাজ্যসমূহৰ দৰিদ্ৰতা, শিক্ষাৰ অভাৱ আৰু ঐতিহাসিক অনগ্ৰসৰতাৰ বাবেই তাত জনসংখ্যা বৃদ্ধি পাইছে; ইয়াৰ বাবে তাত বসবাস কৰা সাধাৰণ নাগৰিকসকলক তেওঁলোকৰ ন্যায্য ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত কৰাটো গণতান্ত্ৰিক মূল্যবোধৰ পৰিপন্থী। তদুপৰি, এজন সাংসদৰ বাবে ইমান বৃহৎ সংখ্যক জনসংখ্যাৰ সমস্যাৱলী বুজি পোৱা আৰু তাৰ সমাধান কৰাটো বাস্তৱিকতেই অসম্ভৱ হৈ পৰে, যিয়ে প্ৰশাসনীয় অদক্ষতাৰ সৃষ্টি কৰে। সেয়েহে, পৰিসীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াক কেৱল উত্তৰ বনাম দক্ষিণৰ যুঁজ হিচাপে গণ্য নকৰি, সকলো নাগৰিকৰ সমান ৰাজনৈতিক অধিকাৰ সুনিশ্চিত কৰাৰ এক প্ৰয়োজনীয় পদক্ষেপ হিচাপেও চাব লাগিব।

এই জটিল সমস্যাৰ সমাধান কেৱল এখন সাধাৰণ সংসদীয় বিধেয়কৰ জৰিয়তে সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন হ'ব এক ব্যাপক সাংবিধানিক সংস্কাৰ আৰু ৰাষ্ট্ৰীয় ঐক্যমতৰ। ৰাজনৈতিক বিশ্লেষক আৰু বিশেষজ্ঞসকলে এই সংকট মোচনৰ বাবে কেইবাটাও বিকল্পৰ প্ৰস্তাৱ আগবঢ়াইছে। তাৰে ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱটো হৈছে ৰাজ্যসভাৰ গঠন প্ৰণালীৰ আমূল পৰিৱৰ্তন কৰা। বৰ্তমান ৰাজ্যসভাৰ আসনসমূহো জনসংখ্যাৰ ভিত্তিতহে নিৰ্ধাৰণ কৰা হয়। যদি লোকসভাত জনসংখ্যাৰ ভিত্তিত উত্তৰৰ ৰাজ্যসমূহে আধিপত্য বিস্তাৰ কৰে, তেন্তে যুক্তৰাষ্ট্ৰীয় ভাৰসাম্য ৰক্ষা কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছিনেট ব্যৱস্থাৰ আৰ্হিত ভাৰতৰ ৰাজ্যসভাতো প্ৰতিখন ৰাজ্যৰ বাবে সমান সংখ্যক আসনৰ ব্যৱস্থা কৰিব পৰা যায়। ইয়াৰ ফলত সৰু বা কম জনসংখ্যাৰ ৰাজ্যসমূহেও উচ্চ সদনত নিজৰ মাত সাব্যস্ত কৰাৰ সমান সুযোগ পাব। লগতে, বিত্তীয় হস্তান্তৰৰ ক্ষেত্ৰত জনসংখ্যাক একমাত্ৰ বা প্ৰধান মাপকাঠী হিচাপে ধৰাৰ সলনি ৰাজ্যসমূহৰ জনগাঁথনিগত সফলতা, পৰিৱেশ সুৰক্ষা প্ৰচেষ্টা আৰু কৰ সংগ্ৰহৰ সামৰ্থ্যক অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে পৰিসীমা নিৰ্ধাৰণ আয়োগ গঠন কৰাৰ যি প্ৰস্তুতি চলাইছে, তাত সকলো ৰাজ্যৰ প্ৰতিনিধিক উপযুক্ত স্থান দিয়াটো অত্যন্ত জৰুৰী যাতে কোনো ৰাজ্যই নিজকে অৱহেলিত বুলি অনুভৱ নকৰে। ভাৰতৰ পৰিসীমা নিৰ্ধাৰণ বিতৰ্কটো কেৱল নিৰ্বাচনী অংকৰ বিষয় নহয়, ই হ'ল ভাৰতৰ "বৈচিত্ৰ্যৰ মাজত একতা"ৰ আদৰ্শৰ এক অগ্নিপৰীক্ষা। গণতন্ত্ৰৰ পৰিসংখ্যাগত দাবী আৰু যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ আৱেগিক বান্ধোনৰ মাজত এক সুন্দৰ সমন্বয় স্থাপন কৰাটোৱেই বৰ্তমানৰ ৰাজনৈতিক নেতৃত্বৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। এখন পৰিপক্ক গণতন্ত্ৰ হিচাপে ভাৰতে নিশ্চিতভাৱে এনে এক মধ্যম পন্থা উদ্ভাৱন কৰিব লাগিব য'ত উত্তৰৰ জনসাধাৰণে তেওঁলোকৰ প্ৰাপ্য প্ৰতিনিধিত্ব লাভ কৰে আৰু একে সময়তে দক্ষিণৰ ৰাজ্যসমূহেও নিজৰ উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে ৰাজনৈতিকভাৱে ক্ষতিগ্ৰস্ত হোৱা বুলি অনুভৱ নকৰে। ২০২৬ চনৰ পৰৱৰ্তী এই প্ৰক্ৰিয়াই কেৱল সংসদৰ মজিয়াৰ গাঁথনিকেই সলনি নকৰে, বৰঞ্চ ই আগন্তুক দশকবোৰত ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰিব। সেয়েহে, এক সুস্থিৰ আৰু ঐক্যবদ্ধ ভাৰতবৰ্ষ গঢ়ি তোলাৰ স্বাৰ্থত এই সমগ্ৰ প্ৰক্ৰিয়াটো অত্যন্ত স্বচ্ছতা, দূৰদৰ্শিতা আৰু পাৰস্পৰিক বিশ্বাসৰ মাজেৰে সম্পন্ন হোৱাটো বাঞ্ছনীয়। সংকীৰ্ণ দলীয় স্বাৰ্থৰ উৰ্ধলৈ গৈ সমগ্ৰ দেশৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ এয়াই উপযুক্ত সময়।



চন্দন কুমাৰ নাথ

# বানপানীৰ পাছত মানসিক অস্থিৰতা

**প্ৰদীপ দাস**

হিমালয়ৰ কোলাত অৱস্থিত ৰাষ্ট্ৰ নেপালত শেহতীয়াকৈ প্ৰকৃতিৰ এক সংহাৰী ৰূপ দেখা গ'ল। আকস্মিক বানে নেপালৰ সীমান্তৱৰ্তী অঞ্চলসমূহ ধ্বংসস্তূপত পৰিণত কৰিলে। কেইবাশ লোকৰ মৃত্যু আৰু সহস্ৰাধিক মানুহ সন্ধানহীন হোৱাৰ লগতে পথ-যোগাযোগ, ঘৰ-দুৱাৰ আৰু বিদ্যুৎ প্ৰকল্প ধ্বংস হৈ এতিয়া বহু আশ্ৰয়হীন মানুহে খাদ্য আৰু বিশুদ্ধ পানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে।

প্ৰায় এমাহৰ পূৰ্বে উজনি অসমৰ কেইবাখনো জিলাক আকস্মিক বানপানীয়ে এনেদৰে বুৰাই পেলাইছিল। মুহূৰ্তৰ ভিতৰতে বহু মানুহৰ চিনাকি ঘৰখনেই যেন অচিনাকি হৈ পৰিছিল। অসমৰ বেলিকাত সম্প্ৰতি বানপানী শাম কাটিছে, বাট-পথ মুকলি হৈছে, মানুহে লাহে লাহে নিজৰ দৈনন্দিন জীৱনলৈ ঘূৰি যোৱাৰ চেষ্টা কৰিছে। কিন্তু পানী শুকালেই জানো বান শেষ হয়? বহু মানুহৰ বাবে বান এতিয়াও শেষ হোৱা নাই। কাৰণ পানীৰ সৈতে উটি গৈছে তেওঁলোকৰ ঘৰ, সাঁচি থোৱা সম্পদ, খেতি আৰু বছৰ বছৰ ধৰি বুকুত সাঁচি ৰখা এখন পৃথিৱী।

বানপানী অসমৰ বাবে নতুন নহয়। প্ৰতি বছৰে বানপানীয়ে অসমৰ জনজীৱনলৈ কঢ়িয়াই আনে এক ভয়াৱহ বিভীষিকা। ঘৰ-দুৱাৰ, খেতি-বাতি, গৰু-ম'হ সকলো হেৰুৱাই আশ্ৰয় শিবিৰত দিন কটাবলগীয়া হোৱা এই সময়ছোৱাত মানুহ কেৱল শাৰীৰিক বা আৰ্থিকভাৱেই জুৰুলা নহয়, বৰঞ্চ মানসিকভাৱেও ভাঙি পৰে। কিন্তু এইবাৰ উজনি অসমত হোৱা বানপানী এক অনাকাংক্ষিত আকস্মিক ঘটনা আছিল। এইকেইখন জিলাত পূৰ্বে বানৰ এনে ভয়াবহ ৰূপ দেখা নজিৰ নাই। ৰাতিটোৰ ভিতৰতে হাতীটো হৈ অহাৰ দৰে প্ৰচণ্ড গৰম আৰু খৰাঙৰ পাছত হঠাৎ ডুবাই পেলালে উজনিৰ কেওখন জিলা। ফলস্বৰূপে সাম্প্ৰতিক সময়ত বানপীড়িত ৰাইজৰ মাজত অৰ্থনৈতিক আচলাৱস্থাৰ লগতে এক গভীৰ মানসিক সংকট আৰু চাপ দেখিবলৈ পোৱা গৈছে। বানত যেতিয়া এখন ঘৰ ভাঙি যায়, তেতিয়া কেৱল এটা বাসগৃহই নোহোৱা হয়নে? তাৰ সৈতে নোহোৱা হয় মানুহৰ বহুদিনৰ সাঁচি ৰখা জীৱনৰ এটা অংশ। বানৰ দৃশ্যমান ক্ষয়-ক্ষতিতকৈও এই অদৃশ্য মানসিক আঘাত বহু ভয়ংকৰ আৰু দীৰ্ঘম্যাদী হয়। ঘৰ-দুৱাৰ, খেতিপথাৰ ধ্বংস হোৱা আৰু আপোনজনক হেৰুওৱাৰ পাছত ভুক্তভোগীসকলৰ মনত যি মানসিক অস্থিৰতাই দেখা দিয়ে সেয়া এবাৰ পৰ্যালোচনা কৰাটো জৰুৰী।

অনিশ্চয়তা আৰু নিৰাপত্তাহীনতা: বানপানী শুকাই যোৱাৰ পাছত জনসাধাৰণৰ মনত যি মানসিক চাপ উৎপন্ন হয় তাৰ ভিতৰত আটাইতকৈ ডাঙৰ প্ৰভাৱটো হ'ল— ভৱিষ্যতক লৈ থকা চৰম অনিশ্চয়তা। অসমৰ বেছিভাগ মানুহেই কৃষিজীৱী। বছৰটোৰ বাবে কৰা খেতিদৰা চকুৰ পলকতে পানীৰ তলত জাহ যোৱা দেখি এজন খেতিয়কৰ মনত চৰম নিৰাশাই গা কৰি উঠে। "এতিয়া পৰিয়ালটোক খুৱাম কি?", "ল'ৰা-ছোৱালীৰ পঢ়া-শুনা কেনেকৈ হ'ব?"— এনেবোৰ প্ৰশ্নই মনত নিৰাপত্তাহীনতাৰ সৃষ্টি কৰে, যিয়ে মানুহক মানসিক হতাশা আৰু দুশ্চিন্তাৰ পিনে ঠেলি দিয়ে।

আত্মসন্মান আৰু পৰিচয়ৰ সংকট: স্বাভাৱিকভাৱে এজন স্বাৱলম্বী মানুহে যেতিয়া সাহায্যৰ শাৰীত থিয় হ'বলগীয়া হয়, তেতিয়া তেওঁৰ আত্মসন্মানত আঘাত লাগে। নিজৰ খেতিৰ ধানেৰে ভঁৰাল ভৰাই ৰখা কৃষকজনে যেতিয়া আনে দিয়া এমুঠি অন্নৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, তেতিয়া এক মানসিক হীনমন্যতাই দেখা দিয়ে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ কেৱল চাউল-দাইল বা কাপোৰ-কানিৰ সাহায্যই যথেষ্ট নহয়, ইয়াৰ সমান্তৰালভাৱে মানসিক শক্তি যোগোৱাটোও সমানেই প্ৰয়োজনীয়। এই সংকটৰ সময়ত "মই অকলশৰীয়া নহয়, সমগ্ৰ সমাজখন মোৰ লগত আছে" — এই অনুভৱটোৱে এজন বানপীড়িতক আটাইতকৈ ডাঙৰ মানসিক সকাহ দিয়ে। চুবুৰীয়া আৰু সমাজৰ মানুহে ইজনে সিজনক মানসিকভাৱে সাহস দিয়া উচিত।

মানসিক স্বাস্থ্য: হঠাৎ ঘৰৰ ভিতৰলৈ পানী সোমাই অহা, কোনোমতে প্ৰাণটো হাতত লৈ মথাউৰি, ৰাস্তা বা ওখ ঠাইত আশ্ৰয় লোৱা, অথবা চকুৰ সন্মুখতে আপোন ঘৰখন খহি পৰা, পাশুধন উটি যোৱা আদি মৰ্মান্তিক দৃশ্যই মানুহৰ মনত দকৈ সাঁচ বহুৱাই যায়। বানপানী শাম কটাৰ পাছতো বহু সময়ত ডাৱৰীয়া বতৰ দেখিলে বা বৰষুণৰ শব্দ শুনিলে বুকুখনে ধপধপাবলৈ ধৰে। চিকিৎসা বিজ্ঞানৰ ভাষাত ইয়াক 'পোষ্ট-ট্ৰমেটিক ষ্ট্ৰেছ ডিছঅৰ্ডাৰ' (PTSD) বুলি কোৱা হয়। এনে পৰিস্থিতিত বানপীড়িত সকলক শাৰীৰিক চিকিৎসাৰ লগতে মানসিক পৰামৰ্শদাতা (Counselor)ৰ ব্যৱস্থা কৰাটো জৰুৰী। বিশেষকৈ শিশু আৰু বৃদ্ধসকলৰ মনৰ ভয় দূৰ কৰিবলৈ তেওঁলোকৰ সৈতে কথা পতা আৰু মৰম-যত্ন লোৱাৰ প্ৰয়োজন।

অতিৰিক্ত ঋণৰ বোজা: যি সময়ত ভাঙি যোৱা ঘৰখন পুনৰ নিৰ্মাণ আৰু ভৱিষ্যতৰ শংকাই মানুহক জৰ্জড়িত কৰি তুলিছে, তেনে পৰিস্থিতিত ইতিমধ্যেই বেংক বা আত্মসহায়ক গোটৰ পৰা ঋণ লৈ খেতি কৰা কৃষক ৰাইজৰ খেতিৰ সমগ্ৰ ফচল বানত ধ্বংসপ্ৰাপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি এইসকল কৃষকৰ সন্মুখত এতিয়া ঋণ পৰিশোধ কৰাৰ কোনো পথ নাই, উপাৰ্জন নাই। যাৰ ফলত গাঁৱে-গাঁৱে এক নীৰৱ আৰ্তনাদ আৰু অস্থিৰতাৰ সৃষ্টি হৈছে।

ভৱিষ্যতৰ পৰিকল্পনা আৰু সজাগতা: হতাশাৰ মাজতো আশাৰ ৰেঙণি বিচাৰি পাবলৈ চৰকাৰী সাহায্য, শস্য বীমা আৰু বৈজ্ঞানিক পদ্ধতিৰে পুনৰ খেতি কৰাৰ পৰিকল্পনা কৰিব লাগিব। "ক্ষতি হৈছে যদিও মই আকৌ থিয় হ'ম" — এই ইতিবাচক চিন্তাধাৰাই মনৰ দুশ্চিন্তা বহুখিনি লাঘৱ কৰে। এইক্ষেত্ৰত চৰকাৰৰ সহযোগ, সহমৰ্মিতা আৰু অৰ্থ সাহায্যৰ অতি প্ৰয়োজন আৰু ভৱিষ্যতে বানৰ বাবে স্থায়ী আৰু বিজ্ঞানভিত্তিক ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী।

# বঁটাৰ বাবে শিক্ষকসকল কেৱল আবেদনকাৰী হিতাধিকাৰীনে ?

**পিংকুমণি ৰায় চৌধুৰী**




কৃতি শিক্ষকৰ বঁটা বা যুৱ লেখকৰ বঁটা কি কি নিয়মৰ ভিত্তিত প্ৰদান কৰা হৈছে, সেয়া মোৰ জ্ঞাত নহয়। কাৰণ মই কেতিয়াও এই বিষয়ে কোনো লোকৰ সৈতে কথা পতা নাই নতুবা আবেদনো কৰা নাই। কিন্তু, সামাজিক মাধ্যমত দেখি শুনি কিছু পৰিমাণে বুজিব পাৰিছোঁ যে এই বঁটাসমূহ শিক্ষক বা লেখকসকলে আবেদনৰ ভিত্তিত লাভ কৰে। অৱশ্যে, কেতিয়া কাক কেনেদৰে আবেদন কৰিব লাগে সেয়াও মোৰ জ্ঞাত নহয়। কিয়নো, জীৱনৰ সুদীৰ্ঘ সময়জুৰি মই শিক্ষকতা বৃত্তিত সেৱাৰ মনোভাৱেৰে কাম কৰি অহাৰ উপৰিও ছাত্ৰ-ছাত্ৰী, সমাজ ব্যৱস্থা, সমাজত সংঘটিত অনিয়ম, ভুল নীতিক কঠোৰ ভাষাৰে সমালোচনা কৰি আহিছোঁ। কেতিয়াও কোনো বিষয়তে কোনো লোকক মোৰ ব্যক্তিগত কামৰ বাবে দিগদাৰি দিয়া নাই বা তৈলমৰ্দনো কৰা নাই। কিয়নো, মই মিছা প্ৰশংসাকাৰী লোকো নহয় বা হ'বও নোৱাৰোঁ। ভালক ভাল আৰু বেয়াক বেয়া বুলি কোৱাৰ সৎ সাহসকণ মোৰ আছে, লাগিলে তেওঁ মন্ত্ৰী, বিধায়ক কিম্বা উচ্চ পদধাৰী চৰকাৰী বিষয়াই নহওক। জীৱনৰ সুদীৰ্ঘ সময়জুৰি মই এখন চৰকাৰী বিদ্যালয়ত বিনা বেতনে ১৭ বছৰৰো অধিক কাল ধৰি নীৰৱ সাধনাৰে শিক্ষকতা কৰি আহিছোঁ। মোৰ সাধনা বঁটালাভ কিম্বা চৰকাৰী প্ৰশংসা লাভৰ উদ্দেশ্যে নহয়, সেয়েহে, মোৰ প্ৰাপ্য বিষয়ত চৰকাৰী বিষয়া কিম্বা মন্ত্ৰী বিধায়কৰ হাত নাই। কাৰণ মই জীৱনৰ প্ৰায় দুকুৰি বছৰ ধৰি কোনো ধৰণৰ চৰকাৰী আঁচনি কিম্বা ৰাজসাহায্য ভোগ কৰা নাই। শিক্ষকতাকে পবিত্ৰ বৃত্তি হিচাপে বাচি লোৱা দিন ধৰি ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনত অহৰহ ব্ৰতী হৈ আছোঁ। অৱশ্যে, তাৰ বিনিময়ত সম্ভ্ৰান্ত পৰিয়ালৰ লোকৰ পৰা মই প্ৰাপ্য ধন আদায় লৈছোঁ যদিও সেয়াও মই খুজি লোৱা নাই। তেওঁলোকে স্বেচ্ছাই যি দিছে সেয়াহে গ্ৰহণ কৰিছোঁ। মোৰ সম্বল অনুসৰি যিমানখিনিলৈকে পাৰিছোঁ দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ জ্ঞান প্ৰদান বিনামূলীয়াকৈ নিজৰ গৃহতে প্ৰদানেৰে সকাহ প্ৰদান কৰিবলৈও অহৰহ চেষ্টা কৰি আহিছোঁ। অৱশ্যে, যিসকলে নিজ ইচ্ছাৰে সম্বল অনুসৰি প্ৰদান কৰিছে সেয়া পেটৰ তাড়নাত গ্ৰহণ কৰিছোঁ। এইক্ষেত্ৰত মোৰ উপাই নাই, কাৰণ মোৰ সহকৰ্মীসকলৰ দৰে মই চৰকাৰী বেতনভোগী শিক্ষকো নহয়। মই এজন ভেঞ্চাৰ শিক্ষক। উচ্চ শিক্ষা আৰু শিক্ষকৰ প্ৰশিক্ষণ গ্ৰহণৰ পিছত নিযুক্তি লাভ কৰা নিজৰে গাঁৱৰ বিদ্যালয়খনত শিক্ষকতা কৰি অঞ্চলটোৰ সৰহভাগ ছাত্ৰ-ছাত্ৰীক মানুহ হোৱাৰ গৌৰৱবোধ কৰাইছোঁ, কেতিয়াও নিজৰ কথা চিন্তা কৰা নাছিলোঁ। কিন্তু যোগ্যতা অৰ্জন কৰাৰ পিছতো চৰকাৰী ৰঙা ফিতাৰ মেৰপাকত পৰি আমি সুদীৰ্ঘ দিন ধৰি বঞ্চিত হৈ আছোঁ। তথাপিও আমাৰ আক্ষেপ নাই, কাৰণ আমি বঁটা-বাহনৰ লালসাত নাই। কেৱল সেৱাৰ মনোভাৱেৰে নিজৰ কাম কৰি আহিছোঁ। গীতাত কোৱাৰ দৰেই কেৱল কৰ্ম কৰি গৈছোঁ, কেতিয়াও ফলৰ আশা কৰা নাই। সেয়েহে, কৃতি শিক্ষকৰ বঁটা বা যুৱ লেখকৰ বঁটাৰ বাবে আবেদন নিবেদন বা তৈলমৰ্দনো কৰা নাই। কেৱল নাদৰ ভেকুলীৰ দৰে ছাত্ৰ-ছাত্ৰীৰ মাজতে সময়বোৰ পাৰ কৰিছোঁ। সেয়েহে, হয়তো আমাৰ কোনো মন্ত্ৰী বিধায়ক কিম্বা কোনো বিশেষ ব্যক্তিৰ লগত চা-চিনাকিও নাই। সেয়েহে, মই এজন কৃতি শিক্ষক বুলি কেতিয়াও কাৰো ওচৰত দাবী উত্থাপনো কৰা নাই। কাৰণ, মোৰ কৃতিত্ব মই শিক্ষাদান কৰা ছাত্ৰ-ছাত্ৰী আৰু মোৰ চৌপাশে থকা সমাজখনৰ ওপৰতহে নিৰ্ভৰ কৰে। চৰকাৰ বা কোনো দল সংগঠনে মোৰ কৃতিত্ব বিচাৰ কৰিব নোৱাৰে, কিয়নো তেওঁলোকে মোক সিমান নাজানে যিমান মোক মোৰ ছাত্ৰ-ছাত্ৰী অভিভাৱক আৰু মোক ঘেৰি ধৰি ৰখা সমাজখনে জানে। সেয়েহে, মই ভাবোঁ কৃতি শিক্ষকে বঁটাৰ বাবে আবেদন কৰিব নোৱাৰে, বঁটা আবেদন নকৰাকৈয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু চৌপাশে ঘেৰি ৰখা সমাজখনে সময়ত আপোনাক নিজেই দিব। কেৱল আপুনি বঁটাৰ বাবে চৰকাৰী হিতাধিকাৰী নহ'ব। কিয়নো, আপোনাৰ মেধা আপোনাৰ নিজৰ একান্ত সাধনা আৰু প্ৰচেষ্টাৰ ফল।

# চামগুৰিৰ কুৰুৱাবাহী মোক্তাৰ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শৰৎ দাসক বিদায় সম্বৰ্ধনা



**অসম বাৰ্তা, পুৰণিগুদাম, ৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰিৰ ৰূপহী শিক্ষাখণ্ডৰ অধীনৰ কুৰুৱাবাহী মোক্তাৰ বিদ্যালয়ৰ পৰা সদ্য অৱসৰ গ্ৰহণ কৰা বিদ্যালয়খনৰ প্ৰধান শিক্ষক শৰৎ দাসক আজি বিদ্যালয় আৰু পৰিচালনা সমিতিয়ে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা উদ্দেশ্য এখন সভা অনুষ্ঠিত হয়। বিশিষ্ট সমাজসেৱক ঘনশ্যাম পাঠকৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভা খনত কুৰুৱাবাহী মোক্তাৰ বিদ্যালয়ৰ সদ্য অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষক শৰৎ দাসক বিদ্যালয়খনৰ লগতে স্থানীয় লোক আৰু বিদ্যালয়ৰ খনৰ ছাত্ৰ-ছাত্ৰীসকলে বিদায় সম্বৰ্ধনা জনায়। কুৰুৱাবাহী মোক্তাৰ বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বিনিতা হীৰাই আঁত ধৰা মুকলি সভা খনত বিশিষ্ট অতিথি হিচাপে খাটোৱাল মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মীৰা বৰা, চি আৰ চিচি প্ৰবীণ হাজৰিকা, ৰূপহী শিক্ষাখণ্ডৰ গাণনিক বিষয়া জয়দ্বীপ শইকীয়া, আঞ্চলিক সদস্য টাইজুল ইছলাম, বৰঙাতলি এম ভি স্কুলৰ প্ৰধান শিক্ষক ৰফিকুল ইছলাম, সমাজকৰ্মী চফিৰ আহমেদ, কুৰুৱাবাহী মোক্তাৰ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি মনছুৰ আলী, বৰ্তমানৰ সভাপতি চফিৰউদ্দিন আদিকে ধৰি কেইবাজন গণ্য-মান্য লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে। উল্লেখযোগ্য যে, ১৯৯০ চনত চাপানালা অঞ্চলৰ ২ নং চামগাঁও প্ৰাথমিক বিদ্যালয়ত শৰৎ দাসে শিক্ষকতা জীৱন আৰম্ভ কৰি ১৯৯৪ চনত কুৰুৱাবাহী মোক্তাৰ বিদ্যালয়লৈ বদলি আহে। কুৰুৱাবাহী মোক্তাৰ বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা শৰৎ দাসক আজি বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিচালনা সমিতিয়ে ফুলাম গামোছা, শৰাই, জাপি, গীতাপুথি, কিতাপ, মানপত্ৰ আদিৰে বিপুলভাৱে বিদায় সম্বৰ্ধনা জনায় লগতে স্থানীয় লোকসকলৰ লগতে বিদ্যালয়ৰখনৰ ছাত্ৰ-ছাত্ৰীসকলে ফুলাম গামোছাৰে সম্বৰ্ধনা জনায়। উক্ত বিদায় সম্বৰ্ধনাৰ মুকলি সভাখনত স্থানীয় ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকল আৰু অভিভাৱক সকল উপস্থিত থাকে।

**প্ৰতিগৰাকী মাতৃ ঘৰত শিক্ষক আৰু শিক্ষকসকল বিদ্যালয়ত মাতৃ হ'ব লাগিব ঃ হৃষীকেশ গোস্বামী**

# পুৰণিগুদামত বৌদ্ধিক পৰম্পৰাৰে শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, পুৰণিগুদাম, ৬ ছেপ্টেম্বৰ ঃ** "অসমৰ সংশ্লিষ্ট সকলোলৈকে আমাৰ আহ্বান শিক্ষক সকলৰ প্ৰতি আমি এক শ্ৰদ্ধাৰ মনোভাৱ গ্ৰহণ কৰি শিক্ষকসকলে যে বিদ্যালয়ত মাতৃৰ ভূমিকা পালন কৰি খনিকৰৰ দৰে ছাত্ৰ-ছাত্ৰীসকলক মৃণ্ময় মূৰ্তি ৰূপে গঢ়ি তোলে তেওঁলোকক সন্মান জনাব লাগে।" এই মন্তব্য অসম শিশু সাহিত্য ন্যাস সমিতিৰ সচিব, বিশিষ্ট লেখক, সুবক্তা হৃষীকেশ গোস্বামীৰ। নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল প্ৰাঙ্গণত আজি বিয়লি ২-৩০ বজাৰ পৰা পূৰ্বৰ পৰম্পৰা অনুসৰি ভাৰতবৰ্ষৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি, বিশ্ববিশ্ৰুত দাৰ্শনিক পণ্ডিত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন গৌৰৱপূৰ্ণ শিক্ষক দিৱসৰ এক বৌদ্ধিক কাৰ্যসূচীত উপস্থিত থাকি হৃষীকেশ গোস্বামীয়ে অসমৰ সংশ্লিষ্ট সকলোলৈকে আহ্বান জনাই নিজৰ ভাষণ প্ৰসঙ্গত কয় যে, 'শিক্ষকসকলক এক পৰিৱেশ কৰিব লাগে আৰু অদূৰ ভৱিষ্যতলৈ সম্ভাৱনাৰ আকৰ স্বৰূপ সফল নাগৰিক আৰু সফল ব্যক্তি হিচাপে যাতে ছাত্ৰ-ছাত্ৰীসকলক গঢ়ি তুলিব পাৰে।" জ্ঞানগৰ্ভ নানান উপমাৰে গোস্বামীয়ে প্ৰদান কৰা ভাষণ প্ৰসঙ্গত তেওঁ আৰু কয়, প্ৰতিগৰাকী মাতৃ ঘৰত শিক্ষক আৰু শিক্ষকসকল বিদ্যালয়ত মাতৃ হ'ব লাগিব। মাতৃ হৈছে প্ৰথমগৰাকী শিক্ষক। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত গোস্বামীয়ে আৰু কয়, শিক্ষকতা বৃত্তি নহয় শিক্ষকতা হৈ ব্ৰত। শিক্ষকসকলক শ্ৰদ্ধা কৰি অনাগত দিনত আগবাঢ়িব লাগে। ছাত্ৰ-ছাত্ৰীসকলে যাতে হতাশাত নুভুগে তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ নৈতিকতা যাতে অক্ষুণ্ণ থাকে তাৰ কাৰণে শিক্ষকসকল একো একোজন আৰ্হি আৰু আদৰ্শ হোৱা দৰকাৰ। সমাজত শিক্ষকৰ যি ভূমিকা তাৰ তুলনা নাই বুলি মন্তব্য কৰি তেওঁ লগতে কয়, মৃণ্ময় মূৰ্তি যেনেকৈ শিল্পীয়ে নিখুঁতভাৱে সৃষ্টি কৰে শিক্ষকসকলে তেনেকৈ ল'ৰা-ছোৱালীক শিকাই মানুহ হিচাপে গঢ় দিয়ে সেইকাৰণে সৰ্বপল্লী ৰাধাকৃষ্ণণে শিক্ষকসকলক শ্ৰদ্ধা জনাবলৈ তেওঁ জন্মদিনটো শিক্ষকসকলৰ নামত উৎসৰ্গা কৰিছে। সমাজৰ প্ৰকৃত পথ প্ৰদৰ্শক, মানৱ সম্পদৰ স্ৰষ্টা, আদিগুৰু পিতৃ-মাতৃৰ পিছতেই যথাৰ্থ স্থানত পূজিত নমস্য শিক্ষাগুৰুসকলৰ পুণ্য অৱদানক শ্ৰদ্ধাসহকাৰে সোঁৱৰণ কৰা উদ্দেশ্য বিশ্ববিশ্ৰুত দাৰ্শনিক পণ্ডিতগৰাকীৰ জীৱিতকালৰ পৰাই সৰ্বত্ৰত উদ্‌যাপিত শিক্ষক দিৱসটি পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালে বিগত ১৯৮৮ চনৰ পৰাই যথাযোগ্য মৰ্য্যদাৰে উদ্‌যাপন কৰি আহিছে। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সাধাৰণ সম্পাদক দ্বীপেন বৈৰাগীয়ে উদ্দেশ্য আৰু ব্যাখ্যা কৰা, সম্পাদক কুলপ্ৰদীপ দাসে আঁত ধৰা সভাত বিশিষ্ট অতিথি হিচাপে প্ৰাক্তন মন্ত্ৰী তথা পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱা, ডিমৰীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক মোহিনী মোহন ডেকা, সাহিত্যক পেঞ্চনাৰ ফণীন্দ্ৰনাথ গায়ন উপস্থিত থাকে। অনুষ্ঠানতে বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষটো বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ তিনিগৰাকী অৱসৰপ্ৰাপ্ত বিশিষ্ট শিক্ষক ক্ৰমে, দীপক বৰঠাকুৰ, প্ৰবীন্দ্ৰ নাথ গায়ন আৰু উপমা শইকীয়াৰ লগতে বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰা অঞ্চলৰ কৃৰ্তি ছাত্ৰ-ছাত্ৰীসকলক ন্যাস বঁটাৰে সম্বৰ্দ্ধনা জনোৱা হয়। ড° ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ নাথ গায়নে। ইয়াৰ পাছতে বিশিষ্ট ব্যক্তিসকলে মাল্যাৰ্পণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত অৱসৰপ্ৰাপ্ত বিশিষ্ট শিক্ষাক দীপক বৰঠাকুৰক প্ৰয়াত যতীন্দ্ৰ নাথ শৰ্মা সোঁৱৰণী ন্যাস পুঁজিৰ পৰা, প্ৰবীন্দ্ৰ নাথ গায়নক প্ৰয়াত প্ৰশান্ত কুমাৰ গায়ন (পুলক) সোঁৱৰণী আৰু উপমা শইকীয়াক প্ৰয়াত হেমচন্দ্ৰ হাজৰিকা সোঁৱৰণী ন্যাস পুঁজিৰ পৰা ৰাজহুৱা সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, বিভিন্ন ক্ষেত্ৰত সফলতা অৰ্জন কৰা অঞ্চলৰ কৃৰ্তি ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে, শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ ছাত্ৰী গায়ত্ৰী দাসক পুৰণিগুদাম পৰীক্ষা মণ্ডলৰ ভিতৰত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ বাবে অনন্ত বৰা সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। একেখন বিদ্যালয়ৰে ছাত্ৰী শিল্পা ভূএগ আৰু হিমাশ্ৰী দাসক পুৰণিগুদাম পৰীক্ষা মণ্ডলৰ ভিতৰত উচ্চতৰ মাধ্যমিক পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে সত্ৰাধিকাৰ লীলাকান্ত গোস্বামী সোঁৱৰণী বঁটা আৰু গায়ত্ৰী দাসক পুৰণিগুদাম পৰীক্ষা মণ্ডলৰ ভিতৰত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে বীৰেন্দ্ৰ নাথ বৰুৱা সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। শঙ্কৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ ছাত্ৰী ফাৰ্জিয়া আখতাৰক পুৰণিগুদাম পৰীক্ষা কেন্দ্ৰৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে চেনাৰাম শইকীয়া সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। একেখন বিদ্যালয়ৰে নিষ্ঠাজিতা ভূএগ আৰু লক্ষ্য জ্যোতি দাসক পুৰণিগুদাম পৰীক্ষা কেন্দ্ৰৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ক্ৰমে দ্বিতীয় আৰু তৃতীয় সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে গোবিন্দ খাওণ্ড সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। আনহাতে, উক্ত বিদ্যালয়ৰে ফাৰ্জিয়া আখতাৰক পুৰণিগুদাম পৰীক্ষা কেন্দ্ৰৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছাত্ৰীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে মাখনী দেৱী সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। শঙ্কৰদেৱ বিদ্যানিকেতন পুৰণিগুদামৰ ছাত্ৰ কৰণ মজিন্দাৰক পুৰণিগুদাম পৰীক্ষা কেন্দ্ৰৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে সত্ৰাধিকাৰ চাৰু চন্দ্ৰ গোস্বামী সোঁৱৰণী ন্যাস বঁটা, সাধাৰণ গণিত বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ বাবে টঙ্কেশ্বৰ বৰা সোঁৱৰণী ন্যাস বঁটা আৰু নিষ্ঠাজিতা ভূএগক সাধাৰণ বিজ্ঞান বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে হৰিশ খাওণ্ড সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয় লগতে নিষ্ঠাজিতা ভূএগক সমাজ বিজ্ঞান বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে মিঠাৰাম বৈৰাগী আৰু মাইকন বৈৰাগী সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। বঢ়মপুৰৰ শ্ৰীমন্ত শঙ্কৰ মিছন অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থানপ্ৰাপ্ত মৰিগাঁৱৰ ৰিঙ্কী বৰদলৈক তৃষ্ণা মধুকল্য সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। পুৰণিগুদাম সংগীত বিদ্যালয়ৰ পৰা সত্ৰীয়া নৃত্য শাখাত চলিত বৰ্ষত শ্ৰেষ্ঠতাৰে উত্তীৰ্ণ হোৱা মৃগাক্ষী ভট্টাচাৰ্যক বসন্ত কুমাৰ হাজৰিকা সোঁৱৰণী ন্যাস বঁটা প্ৰদান কৰা হয়। চৰম আৰ্থিক অনাটনৰ মাজতো উচ্চতৰ মাধ্যমিক শাখাত আশানুৰূপ সাফল্য কঢ়িয়াই উত্তীৰ্ণ হোৱা চলচলি ৰঙীয়া গাঁৱৰ দেৱাশিস শইকীয়া, চাপানালাৰ আকাংক্ষ্যা দি চিৰা আৰু চলচলি মুছলমানগাঁৱৰ সোণমাই বেগমৰ লগতে উচ্চ মাধ্যমিক শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ন-আলিমূৰৰ নাচিমা বেগম, গায়ন-বৈৰাগী গাঁৱৰ প্ৰিয়াঙ্কী ভূএগক যতীন বৰদলৈয়ে প্ৰদান কৰা দানেৰে গঠিত প্ৰয়াত শশী নাথ বৰদলৈ সোঁৱৰণী ন্যাস বঁটা আৰু চলচলিৰ চালমা বেগমক কাষৰিগাঁও মজলীয়া বিদ্যালয়ৰ শৈক্ষিক ন্যাস পুঁজিৰ ধনেৰে বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে, অসম চৰকাৰে যোৱা ২০২০-২১ বৰ্ষৰ পৰা উচ্চ প্ৰাথমিক আৰু নিম্ন-প্ৰাথমিকৰ মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষা অনুষ্ঠিত নকৰাৰ বাবে নিৰ্ধাৰিত শিতানত নিৰঞ্জন শৰ্মা আৰু নৰেন্দ্ৰনাথ হাজৰিকা সোঁৱৰণী ন্যাস বঁটা সমূহ প্ৰদান কৰিব পৰা নাই বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। আজিৰ শিক্ষক দিৱস গাম্ভীৰ্যপূৰ্ণ সভাত কৃষ্ণ গোস্বামী, দুৰ্লভ শৰ্মা, পূৰ্ণানন্দ ভূএগ, মিণ্টু শৰ্মা, প্ৰফুল্ল গোস্বামী, প্ৰফুল্ল শইকীয়া, প্ৰফুল্ল কলিতা, হোমেশ্বৰ শইকীয়া, প্ৰঞ্জল কটকী, অতনু খাওন্দ, যতীন বৈৰাগী, তিলক কুমাৰ গায়ন, দ্বিজেন্দ্ৰ মোহন শইকীয়া, কবিতা বৰা, কবিতা বৰা কলিতা আদিকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ লগতে প্ৰায় তিনি শতাধিক লোক উপস্থিত থাকে।

# তিনিচুকীয়া জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৬ ছেপ্টেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে তিনিচুকীয়া জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানতো আজি বিভিন্ন কাৰ্যসূচীৰে শিক্ষক দিৱস উদযাপন কৰা হয়। এই উপলক্ষে ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো শিক্ষাৰ্থীসকলে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। আৰম্ভণিতে বিদ্যালয়খনৰ অধ্যক্ষা আৰু অন্যান্যসকলে ডঃ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আংগামিলু আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক শিক্ষাৰ্থীসকলে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আংগামিলুএ শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। শিক্ষাৰ্থীসকলে অনুষ্ঠানত কেইবাটাও সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। আজিৰ অনুষ্ঠানতে বিদ্যালয়খনত বিগত ২৬ বছৰে শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা শিক্ষয়িত্ৰী মণিকা এক্কাক বিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলে বিশেষভাৱে সন্মানিত কৰাৰ লগতে আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়। বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী জ'লী উদে অৱসৰী শিক্ষয়িত্ৰী মণিকা এক্কাৰ বিষয়ে দুআষাৰ বক্তব্য প্ৰদান কৰে। শেষত বিদ্যালয়খনৰ সহকাৰী শিক্ষক অভিজিৎ খাটনিয়াৰে অনুষ্ঠানটি অনুষ্ঠিত কৰাৰ বাবে শিক্ষাৰ্থীসকলক ধন্যবাদ জনোৱাৰ লগতে শিক্ষক দিৱসৰ উদ্দেশ্য আৰু ভাৰতবৰ্ষত অতীতৰ পৰা চলি অহা গুৰু-শিষ্যৰ সম্পৰ্কৰ বিষয়েও ব্যাখ্যা আগবঢ়ায়। আনহাতে, ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলতো আজি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল সমবেত হৈ শিক্ষক দিৱস উদ্‌যাপন কৰে। প্ৰথমতে ড° ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে পৰিচালনা সমিতিৰ সভাপতি লক্ষেশ্বৰ মৰাণে। এই উপলক্ষ্যত অনুষ্ঠিত সভাখন পৰিচালনা কৰে অধ্যক্ষা মালা বৰুৱা কাকতিয়ে। শিক্ষয়িত্ৰী কাকলি দেবী বৰুৱাৰ ৰচনা আৰু সুৰৰ এটি সমবেত গীত শিক্ষক সমাজক আৰু অধ্যক্ষাক উপহাৰ দিয়ে। পাঁচগৰাকী ছাত্ৰীয়ে গীতটো পৰিবেশন কৰে। শিক্ষকসকলৰ ফালৰপৰা কাকলি দেবী আৰু ৰীলা সিনহাই ছাত্ৰ ছাত্ৰীসকলক শুভকামনা জনাই বক্তৃতা প্ৰদান কৰে। কাকলি দেবীয়ে গীত এটিও পৰিবেশন কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ পৰা শিক্ষক-কৰ্মচাৰীসকলক উপহাৰ প্ৰদান কৰে। ডুমডুমা জাতীয় বিদ্যালয়তো বিভিন্ন কাৰ্যসূচীৰে শিক্ষক দিৱস উদযাপন কৰা হয়। বিদ্যালয়খনৰ অধ্যক্ষা সুৰভি মৰাণে সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। শিক্ষাৰ্থীসকলে তেওঁলোকৰ শিক্ষকসকলক সম্বৰ্ধনা জনোৱাৰ লগতে কেইবাটাও সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। ডুমডুমাৰ পিএমশ্ৰী হুণলাল উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়তো বিভিন্ন কাৰ্যসূচীৰে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। তিনিচুকীয়াৰ আসাম হাইটছ পাব্লিক স্কুলতো শনিবাৰে উলহ-মালহেৰে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত শিক্ষাৰ্থীসকলে শিক্ষকসকলক সন্মান জনোৱাৰ লগতে তেওঁলোকৰ আশীৰ্বাদ গ্ৰহণ কৰে। এই উপলক্ষে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে একক আৰু সমবেত গীত, একক আৰু সমবেত নৃত্যকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। শিক্ষাৰ্থীসকলৰ মনোমোহা পৰিৱেশনে অনুষ্ঠানত উপস্থিতসকলক আপ্লুত কৰে। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ ই. শ্ৰীনিবাসনে শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে শিক্ষাৰ্থীৰ ব্যক্তিত্ব গঢ়ি তোলা আৰু দেশৰ ভৱিষ্যৎ নিৰ্মাণত শিক্ষকসকলৰ ভূমিকা অনন্য। শিক্ষকসকলে শৈক্ষিক জ্ঞান প্ৰদানৰ লগতে অনুশাসন, আত্মবিশ্বাস, সহানুভূতি, নৈতিকতা আৰু অধ্যৱসায়ৰ দৰে মূল্যবোধ গঢ়ি তোলে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জীৱন আৰু আদৰ্শ স্মৰণ কৰি শিক্ষক-শিক্ষাৰ্থী উভয়কে তেওঁৰ পৰা অনুপ্ৰেৰণা ল'বলৈ আহ্বান জনায়। বিদ্যালয় পৰিচালনা সমিতিৰ ট্ৰাষ্টী অধ্যক্ষ মধুকৰ আগৰৱালেও শিক্ষকসকললৈ শিক্ষক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি দেশ গঠনত তেওঁলোকৰ অৱদান অপৰিসীম বুলি কয়। অনুষ্ঠানটোৰে বিদ্যালয়খনত শিক্ষক-শিক্ষাৰ্থীৰ সুসম্পৰ্ক আৰু শিক্ষকসকলৰ প্ৰতি সন্মানৰ পৰিৱেশ অধিক সুদৃঢ় কৰে।

**ধোদাং, বচাপথাৰকে আদি কৰি ভালে কেইখন গাঁৱত চলিছে চোৰৰ উপদ্ৰৱ**

# কমাৰগাঁও আৰক্ষী থানাৰ এলেকাত চোৰৰ সন্ত্ৰাস; নামঘৰতো নিৰাপদ নহয় ৰাজহুৱা সম্পত্তি

**অসম বাৰ্তা, নুমলীগড়, ৬ ছেপ্টেম্বৰ ঃ** কমাৰগাঁও থানাৰ অন্তৰ্গত বৃহত্তৰ অঞ্চলটোত দিনক দিনে বৃদ্ধি পাইছে চুৰিৰ ঘটনা। বিশেষকৈ নিশাৰ ভাগত বিভিন্ন গাঁৱৰ নামঘৰসমূহত চোৰৰ উপদ্ৰৱে স্থানীয় ৰাইজৰ মাজত সৃষ্টি কৰিছে তীব্ৰ উদ্বেগ। ধোদাং বৰ নামঘৰ, শংকৰদেৱ ৰাজহুৱা নামঘৰ, পশ্চিম ধোদাং নামঘৰ, বচাপথাৰ নামঘৰকে ধৰি দাঁতিকাষৰীয়া কেইবাখনো গাঁৱৰ নামঘৰত চোৰে প্ৰৱেশ কৰি গেচৰ চিলিণ্ডাৰ, কাঁহী-বাটি, নগদ ধনসহ বিভিন্ন মূল্যৱান সামগ্ৰী চুৰি কৰি লৈ যোৱাৰ অভিযোগ উত্থাপিত হৈছে। ৰাজহুৱা ধৰ্মীয় অনুষ্ঠানসমূহতো ধাৰাবাহিকভাৱে চুৰিৰ ঘটনা সংঘটিত হোৱাত ৰাইজৰ মাজত সৃষ্টি হৈছে নিৰাপত্তাহীনতাৰ ভাৱ। নামঘৰৰ দুৱাৰ, খিৰিকি নানান কৌশলেৰে খুলি চোৰে সংঘটিত কৰি আহিছে চোৰাং কাৰ্য। ইফালে, কমাৰগাঁও তামোলীপথাৰত এৰাল দিয়াৰ পৰা প্ৰায় তিনিদিন পূৰ্বে এজনি গৰু হেৰাই যোৱাৰ পিছত গৃহস্থই বিভিন্ন স্থানত বিচাৰিও সন্ধান নোপোৱাত কমাৰগাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত কমাৰগাঁও আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি গৰু চুৰিৰ সৈতে জড়িত লোকৰ সন্ধানত অভিযান চলায়। অভিযানৰ সময়ত অৱশেষত কুৰুৱাবাহীৰ চিনাকনৰ পৰা চুৰি হোৱা গৰুজনী উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। লগতে চুৰি কাৰ্যত ব্যৱহাৰ কৰা এখন মটৰচাইকেলো জব্দ কৰে আৰক্ষীয়ে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত কাকীৰ নিবাসী ভগীৰথ নাথ আৰু প্ৰশান্ত নাথ নামৰ দুজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। ইয়াৰ পূৰ্বেও ধোদাং গাঁৱৰ পৰা ৰাতি গৰু চোৰে ভালে কেইঘৰ কৃষকৰ গোহালীৰ পৰা গৰু চুৰ কৰিছিল। এলেকাটোত মাজতে কিছুদিন চোৰে তলকা মাৰি আছিল যদিও এতিয়া নামঘৰ আদি ৰাজহুৱা অনুষ্ঠানত চুৰ কৰিবলৈ লোৱাত ৰাইজ সন্ত্ৰস্ত হৈ পৰিছে। বহু সময়ত সন্দেহ জনক লোকৰ চাল চলনে সকলোকে সন্দিহান কৰি তোলে যদিও এতিয়া লৈকে চোৰৰ সন্ধান সঠিক ভাৱে উলিয়াব পৰা হোৱা নাই। নামঘৰত ধাৰাবাহিক চুৰি আৰু গৰু চুৰিৰ ঘটনাক কেন্দ্ৰ কৰি বৃহত্তৰ কমাৰগাঁও থানা এলেকাত এতিয়া ক্ৰমাৎ উদ্বেগ বৃদ্ধি পাইছে। নিশাৰ ভাগত চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত কমাৰগাঁও থানা এলেকাত সঘন নিশা পেট্ৰ'লিং আৰু আৰক্ষীৰ পহৰা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে থানা কৰ্তৃপক্ষৰ ওচৰত আহ্বান জনাইছে ভুক্তভোগী ৰাইজে। চোৰৰ সন্ত্ৰাস ৰোধ কৰাৰ লগতে ৰাজহুৱা অনুষ্ঠান আৰু সাধাৰণ লোকৰ সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আৰক্ষীয়ে অধিক কঠোৰ আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰাটো জৰুৰী বুলি মত প্ৰকাশ কৰিছে সচেতন মহলে।

# ঠগ-প্ৰৱঞ্চকৰ বিৰুদ্ধে বৰপেটাত অসম আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, বৰপেটা সদৰ, ৬ ছেপ্টেম্বৰ ঃ** ঠগ-প্ৰৱঞ্চকৰ বিৰুদ্ধে বৰপেটাত অসম আৰক্ষীয়ে অভিযান চলায়। বৰপেটাৰ বৰপেটা, বাঘবৰ, কলগাছিয়া, সৰ্থেবাৰী আৰু তাৰাবাৰী আৰক্ষীয়ে অভিযান চলাই মুঠ ২৬জন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। বৰপেটা জিলাৰ অন্তৰ্গত বৰপেটা থানাই ৯ জন, বাঘবৰ থানাই ২জন, কলগাছিয়া থানাই ১১জন, তাৰাবাৰী থানাই ৩জন আৰু সৰ্থেবাৰী থানাৰ আৰক্ষীয়ে ১জন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। ইপিনে বৰপেটা সদৰ থানাই নলবাৰী আৰু মঙলদৈৰ লগতে বৰপেটাৰ বিভিন্ন স্থানত অভিযান চলাই মুঠ ৯জন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰে। বৰপেটা সদৰ থানাই গ্ৰেপ্তাৰ কৰা প্ৰৱঞ্চক কেইজন হৈছে ভেড়ালদী গাঁৱৰ পাচান আলী, বনিয়াপাৰা গাঁৱৰ জমিৰ আলী, পালহাজী গাঁৱৰ আব্দুল মালেক, ৰহমপুৰ গাঁৱৰ হাছমত আলী, বৰপেটা আজাদ নগৰৰ আফলুজ মজুমদাৰ, গৰেমাৰি গাঁৱৰ আব্দুচ চত্তৰ আহমেদ, মেটুৱাকুছি জনীয়াৰোডৰ নিতুল দাস মঙলদৈৰ ভকেলীমাৰী গাঁৱৰ ৰাজু আলী আৰু নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ কালাৰ চৰৰ হাইদৰ আলী। বৰপেটাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) সমীৰণ বৈশ্যই জানিবলৈ দিয়া অনুসৰি গ্ৰেপ্তাৰ হোৱা লোকসকল বিভিন্ন ধৰণৰ ঠগ-প্ৰৱঞ্চনামূলক কাৰ্যকলাপৰ সৈতে জড়িত। অভিযোগ অনুসৰি, লোকসকলে বিভিন্ন সময়ত নিৰীহ লোকক ছলাহী কথাৰে প্ৰলোভিত কৰি প্ৰৱঞ্চনা কৰি আহিছিল। এই সন্দৰ্ভত পৰৱৰ্তী সময়তো ঠগ-প্ৰৱঞ্চনাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থাকিব বুলি জনাইছে অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই। ইফালে, আটকাধীন লোককেইজনক বৰ্তমান বৰপেটা সদৰ আৰক্ষী থানাত সোধা-পোছা অব্যাহত আছে। বৰপেটাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) সমীৰণ বৈশ্যইজনোৱামতে, তদন্ত আগবঢ়াৰ লগে লগে গ্ৰেপ্তাৰৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

**জ্যেষ্ঠ তথা অৱসৰপ্ৰাপ্ত শিক্ষকক 'গুৰু প্ৰণাম'ৰে সন্মান**

# শিক্ষক দিৱসৰ দিনা সৰুপথাৰ শাখা সাহিত্য সভাৰ ব্যতিক্ৰমী পদক্ষেপ



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ৬ ছেপ্টেম্বৰ ঃ** শিক্ষক হৈছে সমাজ গঢ়াৰ অন্যতম খনিকৰ। জ্ঞানৰ পোহৰেৰে প্ৰজন্মৰ পিছত প্ৰজন্মক আলোকিত কৰি অহা শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপনৰ উদ্দেশ্যে শিক্ষক দিৱসৰ পবিত্ৰ দিনটোত শনিবাৰে সৰুপথাৰ শাখা সাহিত্য সভাই গ্ৰহণ কৰে এক ব্যতিক্ৰমী আৰু প্ৰশংসনীয় পদক্ষেপ। 'গুৰু প্ৰণাম' নামেৰে আয়োজন কৰা অনুষ্ঠানটিত সৰুপথাৰ সমজিলাৰ ১০গৰাকীকৈ জ্যেষ্ঠ তথা অৱসৰপ্ৰাপ্ত শিক্ষকক বিশেষভাৱে নিমন্ত্ৰণ কৰি আনি শাখা সাহিত্য সভাৰ তৰফৰ পৰা আন্তৰিক সন্মান জনোৱা হয়। অনুষ্ঠানটিত সভাপতিত্ব কৰে শাখাৰ উপ সভাপতি নৰজ্যোতি শইকীয়াই। জিলাৰ সাংগঠনিক সম্পাদক ৰঞ্জন মহন্তই আঁত ধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰাজীৱ লোচন সন্দিকৈয়ে আৰু আদৰণি ভাষণ প্ৰদান কৰে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সূৰ্য্য গগৈয়ে। জীৱনৰ সোণালী সময়ছোৱা শিক্ষা দানৰ দৰে মহান বৃত্তিত উৎসৰ্গা কৰি সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে অৱসৰপ্ৰাপ্ত শিক্ষক নন্দিতা দেৱ, ঘনশ্যাম বৰা, ভদ্ৰ কান্ত গগৈ, ৰঞ্জনা তামোলী, প্ৰফুল্ল তামোলী, নিৰঞ্জন ভট্ট, বলাই দেৱ, আনন্দ শইকীয়া আৰু ৰেৱ কান্ত গগৈক একোখনকৈ প্ৰশংসাপত্ৰ আৰু চেলেং চাদৰ প্ৰদান কৰি শাখা সাহিত্য সভাই সন্মানিত কৰে। সম্বৰ্ধিত শিক্ষক সকলৰ হৈ মহান অনুষ্ঠানটিত অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল বৰা, বলাই দেৱ আৰু ঘনশ্যাম বৰাই তেওঁলোকৰ বহুমূলীয়া বক্তব্য আগবঢ়াই। গুৰুসকলক সন্মান জনোৱাৰ এই মৰমলগা মুহূৰ্তই অনুষ্ঠানস্থলীত এক আবেগিক আৰু গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। সাহিত্য সভাৰ এনে পদক্ষেপে কেৱল অৱসৰপ্ৰাপ্ত শিক্ষকসকলক সন্মানিত কৰাই নহয়, বৰং শিক্ষক সমাজৰ প্ৰতি নতুন প্ৰজন্মৰ শ্ৰদ্ধা, কৃতজ্ঞতা আৰু দায়িত্ববোধ অধিক শক্তিশালী কৰাৰ এক সুন্দৰ বাৰ্তা বহন কৰে। শিক্ষক দিৱসৰ দিনটোত সৰুপথাৰ শাখা সাহিত্য সভাই গ্ৰহণ কৰা এই 'গুৰু প্ৰণাম' কাৰ্যসূচী উপস্থিত সকলোৰে মাজত বিশেষ চৰ্চা লাভ কৰে।

# অংকত যিমানেই নম্বৰ নাপাও কিয় জীৱনটো যদি সঠিক, সুস্থিৰ, সুখৰ নহয় জীৱনৰ অৰ্থ নাই ঃ পাৰ্থ জ্যোতি বৰুৱা



**অসম বাৰ্তা, পাথৰিঘাট, ৬ ছেপ্টেম্বৰ ঃ** পশ্চিম দৰঙৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান দিপীলা এন আৰ ডি এচ চিনিয়ৰ চেকেণ্ডাৰী স্কুলত তিনিদিনীয়াকৈ অনুষ্ঠিত নৱাগত আদৰণি সভাৰ সামৰণি পৰিছে। আনন্দৰ মাজেৰে অন্তিম দিনা পুৱা বন্তি প্ৰজ্বলনৰ পিছতেই শংকৰ বৈশ্যই আঁতধৰা মুকলি সভাৰ শুভ উদ্বোধন কৰে বিদ্যালয় খনৰ অধ্যক্ষা বিনীতা চহৰীয়াই। এক উৎসৱ মুখৰ পৰিৱেশত অৱসৰী অধ্যক্ষ্য কুলেন্দ্ৰ নাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট শিক্ষাবিদ, অনুপ্ৰেৰণামূলক বক্তা পাৰ্থ জ্যোতি বৰুৱা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক জীৱনৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। তেওঁ উল্লেখ কৰে যে অংকত, হাইস্কুল শিক্ষান্ত পৰীক্ষাত যিমানেই নম্বৰ নাপাওঁ কিয় জীৱনটো যদি সঠিক, সুস্থিৰ, সুখৰ নহয় জীৱনৰ অৰ্থ নাই। ছাত্ৰ-ছাত্ৰী সকলে বনভোজ খাব লাগিব, চিনেমা চাব লাগিব, গানো গাব লাগিব, সকলো কৰিব লাগিব কিন্তু সীমাবদ্ধতা থাকিব লাগিব। ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতে কিদৰে আগবাঢ়িব যাব লাগিব তাৰ ওপৰতো আলোকপাত কৰে। পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাবিদ পাৰ্থ জ্যোতি বৰুৱা অনুপ্ৰেৰণা মূলক বক্তব্যত আপ্লুত হৈ ৰয়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক পৰাগ কুমাৰ চহৰীয়া, প্ৰধান শিক্ষক ত্ৰৈলোক্য বৰুৱা, দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ শিক্ষক কৰ্মচাৰী, অভিভাৱকসহ ভালেমান বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। এশ শতাংশ উৰ্ত্তীৰ্ণৰ ধাৰা অব্যাহত ৰখা ২০১৫ বৰ্ষত প্ৰতিষ্ঠিত বিদ্যালখনত বিশিষ্ট কণ্ঠশিল্পী দাওৰাও বড়ো, ৰূপাঞ্জলী ৰাভা আৰু গোপাল কৃষ্ণ ডেকাৰ গীত পৰিবেশনৰে নবীন-প্ৰবীণ ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা ৰাইজক মোহিত কৰে সামৰণি অনুষ্ঠানত। সফলতাৰে অনুষ্ঠান সামৰণিৰ বাবে শিক্ষক, শিক্ষয়ত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলক ধন্যবাদ জ্ঞাপন কৰে বিদ্যালয়ৰ পৰিচালন সঞ্চালক হিৰক জ্যোতি মহন্তই।

# বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত একাংশ সত্ৰ, দেৱাল, নামঘৰত চোৰৰ উপদ্ৰৱ

**অসম বাৰ্তা, বান্দৰদেৱা, ৬ ছেপ্টেম্বৰ ঃ** ধৰ্মত হৈছেনেকি কিবা বিঘিনি! যি ধৰ্মৰ স্থান সমূহ দৰ্শন কৰিলে মনলৈ পবিত্ৰতা আনে সেই ধৰ্মৰ স্থান সমূহত ধাৰাবাহিক ভাৱে চলিছে চোৰৰ চাফাই অভিযান। ৰাইজৰ দান বৰঙণিয়ে সংগ্ৰহ কৰা ধৰ্ম স্থানৰ মুল্যৱান সামগ্ৰী সমূহৰ ওপৰত চোৰৰ সেন চকু এতিয়া। লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱা, পথালিপাহাৰ সমিপৰ কেইবাখনো সত্ৰ, দেৱাল, মন্দিৰ, নামঘৰত চোৰে কিছুদিন পূৰ্বে চাফাই অভিযান চলোৱাৰ পাছত এইবাৰ চোৰে তহিলং কৰিলে অসম-অৰুণাচল সীমান্তত অৱস্থিত শংকৰপুৰ নামঘৰটোত। এই নামঘৰ ভাগত আছিল বহুটো মুল্যৱান সা সামগ্ৰী। চোৰে যোৱা শনিবাৰে নিশা তলা ভাঙি এই মুল্যৱান সামগ্ৰী সমূহ লৈ উধাও হয়। সামগ্ৰী সমূহৰ ভিতৰত ৰূপৰ ফুল, বৰ তাল, পিতলৰ শৰাই, কাঁহৰ কাঁহী-বাতিকে ধৰি লক্ষাধিক টকাৰ মুল্যৱান সামগ্ৰী আছিল। উল্লেখ্য যে বিহপুৰীয়া সমষ্টিটোৰ অন্তৰ্গত বিভিন্ন অঞ্চলত গৰু-ছাগলী চুৰ কৰাৰ উপৰিও দোকান, ঘৰ, মন্দিৰ, থান আৰু নামঘৰ সমূহত বিগত দিনবোৰত চোৰে উপদ্ৰপ চলাই স্থানীয় ৰাইজৰ মাজত একপ্ৰকাৰ সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে।

## শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান

সমাৰোহত বিশ্ববিদ্যালয়খনৰ বিভিন্ন পাঠ্যক্ৰমৰ স্নাতক, স্নাতকোত্তৰ আৰু গৱেষক শিক্ষাৰ্থীসকলক ডিগ্ৰী আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানটি ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত এক স্মৰণীয় পৰিৱেশত সম্পন্ন হয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে কয় যে উপৰাষ্ট্ৰপতি হিচাপে ৰাধাকৃষ্ণণে ভাৰতৰ উপৰাষ্ট্ৰপতি হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত এইটোৱেই তেওঁৰ অসমলৈ প্ৰথম ভ্ৰমণ। তেওঁ উল্লেখ কৰে যে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ে গুৰুজনা শ্ৰীমন্ত শংকৰদেৱৰ মানৱ সেৱাৰ মহান বাণীক বাস্তৱায়িত কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে গৌৰৱান্বিত চিত্তে জনায় যে অসমৰ ‘জন বেৰী হোৱাইট বঁটা’ প্ৰৱৰ্তন কৰাটো এক ডাঙৰ সফলতা। ২০২২ চনত এম বি বি এছ চূড়ান্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰা শিক্ষাৰ্থীৰ বাবে এই বঁটা ঘোষণা কৰা হৈছিল আৰু ২০২৩ চনৰ পৰা ইয়াক নিয়মীয়াকৈ প্ৰদান কৰি অহা হৈছে। ইয়াৰ লগতে তেওঁ অসমৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত হোৱা আমূল পৰিৱৰ্তনৰ চিত্ৰ অংকন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, “২০২৬ চনত অসমত NEET-UG পৰীক্ষাত উত্তীৰ্ণৰ হাৰ প্ৰায় শতাংশ। বৰ্তমান দেশত মুঠ MBBS আসনৰ সংখ্যা ১,৪৯,৮৮৪খন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত এক দশকত দেশত মেডিকেল কলেজৰ সংখ্যা ৩৮৩খনৰ পৰা ৮৬৬খনলৈ বৃদ্ধি পাইছে। তেওঁ গুৰুত্ব দি কয় যে স্বাধীনতাৰ পাছৰ পাঁচ দশকত অসমত মাত্ৰ ৬খন মেডিকেল কলেজ নিৰ্মাণ হৈছিল, কিন্তু বৰ্তমান সেই সংখ্যা ১৪খনলৈ উন্নীত হৈছে। ইয়াৰ উপৰি আৰু ৯খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাম দ্ৰুতগতিত আগুৱাই চলিছে। বজালী, হাইলাকান্দি আৰু হোজাইত নতুন মেডিকেল কলেজ নিৰ্মাণৰ প্ৰস্তুতি চলি থকাৰ লগতে মাজুলীত এখন মেডিকেল কলেজ স্থাপনৰ বিষয়েও চৰকাৰে গভীৰভাৱে চিন্তা-চৰ্চা কৰি আছে। মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে ৰাজ্যত MBBS আসনৰ সংখ্যা প্ৰায় ২,০০০খন বৃদ্ধি কৰাটো বৰ্তমান চৰকাৰৰ এক প্ৰধান লক্ষ্য। কেন্সাৰ চিকিৎসাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে অগ্ৰগতিৰ উল্লেখ কৰে। তেওঁ জনায় যে অসমত ইতিমধ্যে বৰ্দ্ধন কেন্সাৰ চিকিৎসালয় সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ উঠিছে। ৰাজ্য চৰকাৰ আৰু টাটা গ্ৰুপৰ যৌথ উদ্যোগত মুঠ ১৭খন কেন্সাৰ চিকিৎসালয় স্থাপনৰ লক্ষ্য লোৱা হৈছে। তেওঁ গুৱাহাটী মেডিকেল কলেজ হস্পিতালত অহা ৩ বছৰৰ ভিতৰত প্ৰ’টন থেৰাপী মেচিন স্থাপন কৰা হ’ব। চৰকাৰে দুখন ব্যক্তিগত মেডিকেল কলেজক অনুমোদন দিয়াৰ বিষয়েও চিন্তা-চৰ্চা চলাই আছে বুলি তেওঁ উল্লেখ কৰে। শেষত মুখ্যমন্ত্ৰী ড° শৰ্মাই চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীসকলক উদ্দেশ্য কয় যে অসমৰ লগত সমগ্ৰ ভাৰতৰ সমুখত হৈ মানৱ সম্পদৰ এক অপৰিসীম সুযোগ আছে। ভাৰতৰ মধ্যম বয়স ২৯ বছৰ হোৱাৰ বিপৰীতে অসমৰ মধ্যম বয়স চৰ বছৰ বুলি উল্লেখ কৰি তেওঁ কয় যে বিশ্বৰ বহু দেশ ক্ৰমাৎ বয়স্ক হৈ যোৱাৰ পৰিৱেশত ভাৰত আৰু অসম এতিয়াও যুৱশক্তিৰে সমৃদ্ধ। এই সুযোগৰ সদ্ব্যৱহাৰ কৰি পৃথিৱীলৈ মানৱ সম্পদ সৃষ্টি কৰাই চৰকাৰৰ অন্যতম লক্ষ্য। চিকিৎসা পেছাত প্ৰৱেশ কৰাৰ পাছতো সমাজৰ প্ৰতি থকা দায়িত্ব কেতিয়াও নাপাহৰিবলৈ তেওঁ শিক্ষাৰ্থীসকলক আহ্বান জনায়। দীক্ষান্ত সমাৰোহত ২০২৩, ২০২৪ আৰু ২০২৫ বৰ্ষৰ জন বেৰী হোৱাইট বঁটা প্ৰদান কৰা হয়। এই বঁটা এম বি বি এছ চূড়ান্ত পৰীক্ষাত শ্ৰেষ্ঠ স্থান লাভ কৰা শিক্ষাৰ্থীক প্ৰদান কৰা হয়। উপৰাষ্ট্ৰপতিয়ে তিনিওগৰাকী বঁটা প্ৰাপকক সন্মানীয় বঁটা প্ৰদান কৰে। ২০২৩ চনৰ বঁটা লাভ কৰে ডাঃ বিকী দত্তই, যি গুৱাহাটী মেডিকেল কলেজ হাস্পতালৰ পৰা এম বি বি এছ সম্পূৰ্ণ কৰিছিল। ২০২৪ চনৰ বঁটা প্ৰদান কৰা হয় ডাঃ ভাগ্যশ্ৰী মেধীক, যি তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা এম বি বি এছ সম্পূৰ্ণ কৰিছিল। আনহাতে, ২০২৫ চনৰ বঁটা লাভ কৰে ডাঃ প্ৰীতম ডেকাই, যি অসম মেডিকেল কলেজৰ পৰা এম বি বি এছ সম্পূৰ্ণ কৰিছিল। ইয়াৰ উপৰি বিশ্ববিদ্যালয়খনৰ পৰা PhD, MBBS, BSc Nursing, BHMS, ফাৰ্মাচীকে ধৰি বিভিন্ন বিষয়ত ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলেও উপৰাষ্ট্ৰপতিৰ হাতৰ পৰা নিজৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। সমাৰোহ শেষত আটাইবোৰ শিক্ষাৰ্থী, শিক্ষক, অভিভাৱক আৰু উপস্থিত গণ্যমান্য ব্যক্তিসকলে এই বাৰ্ষিক দীক্ষান্ত সমাৰোহক এক স্মৰণীয় মুহূৰ্ত হিচাপে অভিহিত কৰে।

## দুদিনীয়া ভ্ৰমণসূচীৰে অসমত

নৱনিৰ্মিত শৈক্ষিক ভৱনটো ভাৰ্চুৱেলী উদ্বোধন কৰে। এই মহাবিদ্যালয়খন অসমৰ মহিলা শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে, বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে শিক্ষাৰ গুণগত মানৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, “আন্তঃগাঁথনিয়ে সম্ভাৱনা সৃষ্টি কৰে, কিন্তু উৎকৃষ্টতা সৃষ্টি হয় শিক্ষাদান, গৱেষণা, শিক্ষাৰ্থীৰ শিকন প্ৰক্ৰিয়া আৰু চৰিত্ৰ গঠনৰ জৰিয়তেহে।” তেওঁ শিক্ষানুষ্ঠানসমূহৰ সফলতা তাৰ ছাত্ৰ-ছাত্ৰীৰ সফলতাৰ জৰিয়তে নিৰ্ধাৰণ কৰিব পাৰি বুলি মত পোষণ কৰে। ৰাধাকৃষ্ণণে ছাত্ৰ-ছাত্ৰীসকলক মাদক দ্ৰব্যৰ পৰা দূৰত থাকিবলৈ আৰু বন্ধু-বান্ধৱীকে ধৰি সকলোকে একে পথে চলিবলৈ উৎসাহিত কৰাৰ আহ্বান জনায়। লগতে সামাজিক মাধ্যমৰ সচেতন ব্যৱহাৰৰ ওপৰতো তেওঁ কেইবাটাও পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল প্ৰযুক্তি, জৈৱ প্ৰযুক্তি, মহাকাশ গৱেষণা আৰু উদ্যোগীকৰণৰ দৰে ক্ষেত্ৰত উদীয়মান সুযোগসমূহে যুৱক-যুৱতীসকলক উন্নত ভাৰত গঢ়াৰ পথত অগ্ৰণী হিচাপে কাম কৰিবলৈ সক্ষম কৰিব পাৰে। উপৰাষ্ট্ৰপতিগৰাকীয়ে অসমৰ বিকাশৰ প্ৰসংগত কয় যে ৰাজ্যখনে কেৱল পৰিৱৰ্তন নহয়, এক আত্মবিশ্বাসী, সংযুক্ত আৰু উচ্চাকাংক্ষী ৰাজ্য হিচাপে নিজকে স্থাপন কৰিছে। তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত স্বাস্থ্য শিক্ষা, অৰ্থনীতি আদি বিভিন্ন ক্ষেত্ৰত অসমে লাভ কৰা অগ্ৰগতিৰ প্ৰশংসা কৰে। বিশেষকৈ চৰকাৰী চিকিৎসা খণ্ডত প্ৰ’টন থেৰাপী ক্ৰয় কৰা প্ৰথম ৰাজ্য হিচাপে অসমৰ ভূমিকাক তেওঁ গুৰুত্ব দিয়ে। অসমৰ চাহৰ প্ৰসংগত ৰাধাকৃষ্ণণে কয়, “মই যেতিয়াই দিল্লীৰ অফিচত থাকোঁ, সদায় অসমৰ চাহ পিবলৈ পছন্দ কৰোঁ।” লগতে তেওঁ মুখ্যমন্ত্ৰীৰ দুৰ্যোগ প্ৰতিৰোধ আৰু সাহায্য সম্পৰ্কীয় পৰিকল্পনাৰ প্ৰশংসা কৰে আৰু সেইবোৰ সফল ৰূপায়ণৰ আশা প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গীতানগৰ মহাবিদ্যালয়ৰ প্ৰথমগৰাকী অধ্যক্ষা পদ্মশ্ৰী ইন্দিৰা মিৰি, পৰিচালনা সমিতিৰ প্ৰথম সভাপতি খনীন্দ্ৰ চন্দ্ৰ বৰুৱা আৰু প্ৰথম সম্পাদিকা সাহিত্য অকাডেমি বঁটা বিজয়ী শুচিব্ৰতা ৰায়চৌধুৰীক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ কয় যে ১৯৭৭ চনত কন্যা মহাবিদ্যালয় হিচাপে আৰম্ভ হোৱা এই শিক্ষানুষ্ঠানখনে অৰ্ধশতিকাত পা ৰাখি ৰাজ্যৰ শিক্ষাক্ষেত্ৰত এক উজ্জ্বল পৰিচয় গঢ়িছে। মুখ্যমন্ত্ৰীয়ে ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনলৈকে বিকশিত ভাৰত গঢ়াৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰি কয় যে নৱপ্ৰজন্ম সেই স্বপ্ন পূৰণৰ মূল অংশীদাৰ। তেওঁ কয় যে কেৱল শৈক্ষিক জ্ঞানেই যথেষ্ট নহয়, ব্যৱহাৰিক দক্ষতা, বিশ্লেষণাত্মক চিন্তা আৰু উদ্ভাৱনী ক্ষমতাৰ সমন্বয় সাধন কৰাটো আজিৰ প্ৰেক্ষাপটত অত্যাৱশ্যকীয়। ড° শৰ্মাই অসম চৰকাৰে উত্তৰ-পূব দক্ষতা কেন্দ্ৰ, দক্ষতা বিশ্ববিদ্যালয় স্থাপন আৰু পলিটেকনিক তথা আইটিআইসমূহৰ আধুনিকীকৰণৰ জৰিয়তে যুৱ সমাজৰ বাবে সৃষ্টি কৰা সুযোগসমূহৰ কথা স্মৰণ কৰে। লগতে ‘চিএম-ফ্লাইট’ শীৰ্ষক পদক্ষেপৰ জৰিয়তে অসমৰ যুৱক-যুৱতীসকলক বিদেশী ভাষাৰ জ্ঞান প্ৰদানৰ কথাও উল্লেখ কৰে। কৃত্ৰিম বুদ্ধিমত্তা, ৫জি, বীগ ডাটা, ৰ’বটিছ, কোৱাণ্টাম কম্পিউটিং আদি নতুন প্ৰযুক্তিৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচিত কৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাষণৰ শেষছোৱাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, “ধ্বংসমুখী কাম-কাজ আৰু নৈৰাজ্যবাদ আমাৰ আদৰ্শ হ’ব নোৱাৰে। আমাৰ উদ্দেশ্য হ’ব লাগিব সৃষ্টি। ধ্বংসই মানুহক সাময়িকভাৱে তৃপ্তি দিয়ে, কিন্তু সৃষ্টিৰ আনন্দ জীৱনজোৰা।” তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজ বুদ্ধিমত্তাৰে নতুন সম্পদ গঢ়ি তুলিবলৈ আহ্বান জনায়।

## ড্ৰাগছমুক্ত যুৱশক্তিয়েই বিকশিত

পদক্ষেপ গ্ৰহণ কৰিছে, ঠিক সেইদৰে উন্নত ভাৰতৰ সপোন বাস্তৱায়িত কৰিবলৈ দেশখনক ড্ৰাগছমুক্ত কৰিবলৈও প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে ২০১৪ চনৰ পূৰ্বে নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে যুঁজখন সীমিত আৰু সৰু সৰু অপৰাধীক ধৰাতেই সীমাবদ্ধ আছিল, কিন্তু বৰ্তমান চৰকাৰে ইয়াক ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয় হিচাপে চিহ্নিত কৰি ব্যাপক কৌশল গ্ৰহণ কৰিছে। শ্বাহে জানিবলৈ দিয়ে যে ২০১৯ চনত কাৰ্যবাহী, ৰাজ্য আৰু জিলা পৰ্যায়ত ড্ৰাগছ সৰবৰাহ প্ৰতিৰোধৰ বাবে ৪টা স্তৰৰ ৰাষ্ট্ৰীয় সমন্বয় সমিতি (NCORD) গঠন কৰা হৈছিল। লগতে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নিৰ্দিষ্ট এণ্টি-নাৰ্কটিক্স টাস্ক ফ’ৰ্চ (NTF) গঠন কৰি স্থানীয় আৰক্ষীক ৰাষ্ট্ৰীয় কৌশলৰ সৈতে সংযুক্ত কৰা হৈছে। চৰকাৰে সজাগতা, চিকিৎসা, পৰামৰ্শ, পুনৰ্বাসন আৰু জীৱিকাৰ সুযোগসমূহক নিচাবিৰোধী অভিযানৰ সৈতে সংযোগ কৰি আসক্তসকলক সহায় কৰিবলৈ ১৯৩৩ মানাছ হেল্পলাইন (MANAS) প্ৰৱৰ্তন কৰা বুলিও তেওঁ উল্লেখ কৰে। গৃহমন্ত্ৰীয়ে কয় যে ‘ড্ৰাগছ মুক্ত ভাৰত ২০২৯’ৰ লক্ষ্যত উপনীত হ’বলৈ চৰকাৰে ৪টা স্তম্ভৰ ভিত্তিত, বছৰীয়া ৰোডমেপ প্ৰস্তুত কৰিছে। স্তম্ভকেইটা হৈছে-চোৰাংচোৱা আৰু অভিযান ভিত্তিক বলবৎকৰণ, কৃত্ৰিম ড্ৰাগছৰ ওপৰত নিয়ন্ত্ৰণ, চাহিদা আৰু ক্ষতি হ্ৰাস, আৰু সামৰ্থ্য-সমন্বয় সৃষ্টি। তেওঁ দাবী কৰে যে ২০২৭ চনৰ মাৰ্চ মাহৰ ভিতৰত নিচাজাতীয় সামগ্ৰীৰ যোগান শৃংখল সম্পূৰ্ণৰূপে ধ্বংস কৰা হ’ব আৰু ২০২৬ চনত কমেও ৭৫টা গোপন লেব ধ্বংস কৰা হ’ব। অমিত শ্বাহে অভ্যন্তৰীণ নিৰাপত্তা ক্ষেত্ৰত চৰকাৰৰ সফলতাৰ কথাও স্মৰণ কৰে। তেওঁ কয় যে মোদী চৰকাৰৰ বহল কৌশলে তিনিটা দীৰ্ঘদিনীয়া প্ৰত্যাহ্বান-জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদ, উত্তৰ-পূবত বিদ্ৰোহ আৰু বাঁওপন্থী উগ্ৰবাদ-সফলভাৱে মোকাবিলা কৰিছে। উত্তৰ-পূবৰ প্ৰসংগত তেওঁ কয় যে ২০১৯ চনৰ পৰা ১৪খন বৃহৎ শান্তি চুক্তি স্বাক্ষৰিত হৈছে আৰু প্ৰায় ৰৰ হাজাৰ সশস্ত্ৰ যুৱকে অস্ত্ৰ এৰি মূলসুঁতিলৈ ঘূৰি আহিছে। লগতে ২০২৬ চনৰ ৩১ মাৰ্চত বাঁওপন্থী উগ্ৰবাদৰ প্ৰায় ৬ দশকীয়া প্ৰত্যাহ্বানৰ অন্ত পেলোৱা বুলিও তেওঁ গৌৰৱান্বিত চিত্তে ঘোষণা কৰে। পলাতক অপৰাধীৰ প্ৰসংগত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ২০১৯ চনৰ জুলাইৰ পৰা ২০২৬ চনৰ জুলাইলৈকে ৩৬খন দেশৰ পৰা ২৭৪জন ৱাণ্টেড বা পলায়ন কৰা অপৰাধীক ভাৰতলৈ ঘূৰাই অনা হৈছে। ইয়াৰ উপৰি যোৱা ৩ বছৰত ৪০১খন ৰেড কৰ্ণাৰ জাননী জাৰি কৰা হৈছে। তেওঁ কয় যে ২০১৯ চনৰ পৰা ২০২৬ চনৰ ভিতৰত পলাতকসকলৰ ১৭, ৮৭৪ কোটি টকাৰ সম্পত্তি জব্দ কৰাৰ লগতে ১৮, ৭৬২ কোটি টকা উদ্ধাৰ কৰা হৈছে। শ্বাহে চাইবাৰ অপৰাধৰ বিৰুদ্ধে চৰকাৰৰ ব্যৱস্থাৰ কথাও উল্লেখ কৰি কয় যে ২০২৬ চনৰ ৩০ জুনলৈকে ৩২.৮ লাখ অভিযোগৰ ভিত্তিত চাইবাৰ ব্যৱস্থাই ১১, ১৫৮ কোটি টকাতকৈ অধিক ধন উদ্ধাৰত সহায় কৰিছে। তেওঁ সীমান্ত আৰু উপকূলীয় নিৰাপত্তা শক্তিশালী কৰা, তিনিটা নতুন অপৰাধমূলক আইন ৰূপায়ণ, আৰু ভাইব্ৰেণ্ট ভিলেজছ প্ৰগ্ৰামকে ধৰি চৰকাৰে গ্ৰহণ কৰা অন্যান্য ব্যৱস্থাসমূহৰ বিষয়েও সভাক অৱগত কৰে। অনুষ্ঠান শেষত অমিত শ্বাহে গোৱা আৰক্ষীৰ প্ৰচেষ্টাক প্ৰশংসা কৰি কয় যে নতুন অপৰাধমূলক আইনসমূহ ফলপ্ৰসূ ৰূপায়ণৰ বাবে গোৱাত দোষী সাব্যস্ত হোৱাৰ হাৰ ২২ শতাংশৰ পৰা ৫৬.চ শতাংশলৈ বৃদ্ধি পাইছে। তেওঁ দৃঢ়তাৰে কয়, “আমি নক্সালবাদ নিৰ্মূল কৰিছো, আৰু নিচাজাতীয় সামগ্ৰীৰ বিপদৰ সৈতেও একেদৰে মোকাবিলা কৰিম।”

## ড° ভূপেন হাজৰিকাৰ কলকাতাৰ

পশ্চিম বংগৰ সৈতে ড° হাজৰিকাৰ আছিল এক গভীৰ সম্পৰ্ক। বাংলা ভাষাত বহু অমৰ গীত ৰচনা, সুৰ আৰু কণ্ঠদান কৰি তেওঁ বঙালী সংস্কৃতিতো নিজৰ ছাপ এৰি গৈছে। ‘গংগা আমাৰ মা’, ‘একখানা মেঘ ভেসে এলো আকাশে’, ‘এ চহৰ প্ৰান্ত’কৈ ধৰি তেওঁৰ সৃষ্টি কৰা গীতসমূহ আজিও সমান জনপ্ৰিয়। কলকাতাৰ টালিগঞ্জ অঞ্চলৰ ৭৭ বি গল্‌ফ ক্লাব ৰোডত অৱস্থিত এখন তিনিমহলীয়া ভৱনে বহুদিন তেওঁৰ আৱাসস্থল হিচাপে কাম কৰিছিল। সেইসময়ত এই ঘৰখন বংগৰ প্ৰখ্যাত সংগীতজ্ঞসকলৰ বাবে এক প্ৰিয় আড্ডাস্থলী হিচাপে পৰিগণিত হৈছিল। কিন্তু সুধাকণ্ঠৰ প্ৰয়াণৰ পিছত ঘৰখন পৰিত্যক্তপ্ৰায় অৱস্থাত পৰিণত হয়। এই প্ৰেক্ষাপটত অসম চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লৈছে। দেওবাৰে অসম চৰকাৰৰ এখন উচ্চপৰ্যায়ীয় দলে উক্ত অট্টালিকাটো পৰিদৰ্শন কৰে। দলটোৰ প্ৰধান তথা অসমৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে সাংবাদিকক কয় যে ড° হাজৰিকাই প্ৰথম মহলাত বাস কৰা বিশেষ কোঠাটো সংৰক্ষণ কৰি স্মৃতিসৌধ হিচাপে গঢ়ি তোলাৰ বাবে পশ্চিম বংগ চৰকাৰ আৰু তাত্ত্বিক সাংস্কৃতিক প্ৰতিষ্ঠানসমূহৰ সৈতে আলোচনা কৰা হ’ব। তেওঁ কয়, “ভূপেন হাজৰিকাৰ জীৱনৰ লগত জড়িত এই স্থানটি অতি গুৰুত্বপূৰ্ণ। মই ইয়ালৈ আহি ঠাইখন পৰিদৰ্শন কৰিলোঁ। এই বিষয়টো যাতে উচ্চতম পৰ্যায়ত আলোচিত হয় আৰু সংস্কাৰ তথা সংৰক্ষণৰ পথ সূচী কৰিব পাৰি, তাৰ বাবে মই প্ৰয়াস কৰিম।” ড° হাজৰিকাই প্ৰথমে এই ভৱনটো ভাৰাতীয়া হিচাপে বসবাস কৰিছিল আৰু পিছত ১৯৮১ চনত ক্ৰয় কৰি লয়। নব্বৈৰ দশকৰ শেষভাগত তেওঁ সম্পত্তি বিক্ৰী কৰি মুম্বাইলৈ গুচি যায় বুলি অসম সন্থাৰ সদস্য ত্ৰিদিব শৰ্মাই জনায়। তেওঁ লতা মংগেশকাৰ আৰু মান্না দেৰ দৰে শিল্পীসকলৰ উপস্থিতিৰ কথা স্মৰণ কৰি কয় যে এই ঘৰখন কেৱল বাসস্থানেই নাছিল, বৰঞ্চ সংগীতৰ একত্ৰীকৰণৰ প্ৰতীক আছিল। ইয়াতেই তেওঁ অসমীয়া, বাংলা আৰু হিন্দী ভাষাত বহু কালজয়ী গীত ৰচনা আৰু কণ্ঠদান কৰিছিল। অৱশ্যে এই সম্পত্তিৰ বৰ্তমান একাধিক মালিক আছে, যাৰ বাবে ইয়াক পূৰ্ণাংগ স্মৃতিসৌধলৈ ৰূপান্তৰ কৰাটো প্ৰত্যাহ্বানজনক হৈ পৰিছে। ত্ৰিদিব শৰ্মাই কয়, “এতিয়া এই ঘৰটোত একাধিক পৰিয়ালে বসবাস কৰে আৰু তেওঁলোকৰ কোনোৱেই হাজৰিকাদেৱৰ উত্তৰাধিকাৰী নহয়।” উল্লেখ্য যে পূৰ্বে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও এই সম্পত্তি স্মৃতিসৌধলৈ ৰূপান্তৰ কৰাৰ চেষ্টা চলাইছিল যদিও পশ্চিম বংগৰ তেতিয়াৰ চৰকাৰে সেইদিশত উদ্যোগ গ্ৰহণ কৰা নাছিল। অসমৰ বিষয়াসকলে আশা প্ৰকাশ কৰে যে বৰ্তমানৰ ৰাজ্য চৰকাৰে সহযোগিতা আগবঢ়াই এই স্মৃতি সংৰক্ষণৰ কাম আগুৱাই নিব। উল্লেখযোগ্য যে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে ৬ ছেপ্টেম্বৰ তাৰিখে কলকাতাত এখন বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰা হৈছে। অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে কয় যে সুধাকণ্ঠৰ সংগীতে ভাষিক আৰু সামাজিক সীমা অতিক্ৰম কৰিছিল আৰু সংস্কৃতিক একত্ৰিত কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অনস্বীকাৰ্য। তেওঁ দৃঢ়তাৰে কয়, “বাংলা সংগীতৰ এজন মহান শিল্পীৰ বাসস্থান এনেদৰে জৰাজীৰ্ণ হৈ পৰিব পাৰে নেকি? তেওঁৰ লাখ লাখ অনুৰাগীয়ে চহৰখনৰ পৰা তেওঁলৈ যথাযথ সন্মান আশা কৰে। অসম চৰকাৰে শীঘ্ৰেই এই বিষয়টো আনুষ্ঠানিকভাৱে পশ্চিম বংগ চৰকাৰৰ সন্মুখত উত্থাপন কৰিব আৰু যৌথ কৌশল গ্ৰহণ কৰি ভূপেন হাজৰিকাৰ স্মৃতি চিৰকাল জীয়াই ৰখাৰ ব্যৱস্থা কৰা হ’ব।”

## গৰিমা শইকীয়া গাৰ্গৰ উন্মোচন ঃ প্ৰতিষ্ঠা

ঐতিহ্যমণ্ডিত নৌকা শিল্পৰ বাবে সমগ্ৰ দেশতে সুকীয়া পৰিচয় থকা শালমৰাত আজি পুৱাৰে পৰা উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰে। শিশুৰ পৰা বৃদ্ধলৈকে হাজাৰ হাজাৰ লোক প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানত উপস্থিত হৈ জুবিন গাৰ্গৰ প্ৰতি থকা মৰম, শ্ৰদ্ধা আৰু সন্মান প্ৰকাশ কৰে। অঞ্চলটোৰ যুৱ সমাজ আৰু স্থানীয় ৰাইজৰ এই ঐক্যবদ্ধ প্ৰচেষ্টাই এক বিশেষ দৃষ্টান্ত স্থাপন কৰে। উল্লেখযোগ্য যে, প্ৰতিবছৰে বান আৰু গৰাখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হৈ অহা শালমৰাবাসীয়ে বহু প্ৰত্যাহ্বানৰ মাজতো নিজৰ প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ প্ৰকাশ ঘটাই এই প্ৰতিমূৰ্তি স্থাপনৰ উদ্যোগ গ্ৰহণ কৰিছিল। প্ৰায় এটা বছৰে চলোৱা প্ৰস্তুতি, পৰিকল্পনা আৰু ৰাইজৰ সহযোগিতাৰ অন্তত অৱশেষত আজি তেওঁলোকৰ সেই সপোন বাস্তৱ ৰূপ লাভ কৰে। প্ৰতিমূৰ্তিটোৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট মুখাশিল্পী তথা পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামী আৰু জুবিন গাৰ্গৰ বাদ্যযন্ত্ৰী তথা ঘনিষ্ঠ বন্ধু ৰাজা বৰুৱাই। অনুষ্ঠানত জুবিন গাৰ্গৰ বাদ্যযন্ত্ৰী আৰু বন্ধুবৰ্গৰ এটা সজাতি দলেও অংশগ্ৰহণ কৰে। আনহাতে, নিমাতী ঘাটৰ পৰা জাহাজেৰে মাজুলীৰ অফলামুখ ঘাটত উপস্থিত হয় গৰিমা শইকীয়া গাৰ্গ। তেওঁৰ সৈতে জুবিনৰ বাদ্যযন্ত্ৰী তথা বন্ধু ৰাজা বৰুৱাকে ধৰি কেইবাগৰাকীও সংগীতশিল্পী আৰু ঘনিষ্ঠ লোকৰ এটা সজাতি দল মাজুলীলৈ আহে। অফলামুখ ঘাটৰ পৰাই গৰিমা গাৰ্গক স্থানীয় ৰাইজে আদৰণি জনাই শালমৰালৈ লৈ যায়। প্ৰতিমূৰ্তি উন্মোচনৰ পিছত সাংবাদিকৰ আগত আবেগিক হৈ গৰিমা গাৰ্গে কয় যে জুবিনে মাজুলীক নিজৰ মাজতে ৰাখিছিল। মাজুলী আছিল জুবিন গাৰ্গৰ অতি প্ৰিয় ঠাই আৰু মাজুলীৰ মানুহৰ প্ৰতিও তেওঁৰ আছিল গভীৰ আন্তৰিকতা। গৰিমা গাৰ্গে কয়, “মাজুলীবাসীক বহুত বহুত ধন্যবাদ। ইমান মৰম, ইমান আদৰ... জুবিনে মাজুলীক বহুত ভাল পাইছিল, মাজুলীৰ মানুহক বহুত ভাল পাইছিল। আজি ইয়াত তেখেতৰ প্ৰতিমূৰ্তি স্থাপন কৰিছে, এয়া আমাৰ বাবে বহুত আবেগৰ মুহূৰ্ত। আপোনালোকে যি মৰম দিলে, যি সন্মান দিলে, তাৰ বাবে মই সদায় কৃতজ্ঞ হৈ ৰম।” জুবিন গাৰ্গ শাৰীৰিকভাৱে আজি নাই যদিও তেওঁৰ গান, সুৰ, সৃষ্টি আৰু সাংস্কৃতিক অৱদানৰ মাজেৰে তেওঁ সদায় জীয়াই থাকিব বুলিও গৰিমা গাৰ্গে মন্তব্য কৰে। তেওঁৰ মতে, শালমৰাৰ যুৱ সমাজ আৰু স্থানীয় ৰাইজে জুবিনৰ প্ৰতিমূৰ্তি স্থাপন কৰি শিল্পীগৰাকীৰ প্ৰতি মাজুলীবাসীৰ গভীৰ ভালপোৱা আৰু সন্মানৰ এক অনন্য নিদৰ্শন দাঙি ধৰিছে। এই প্ৰতিমূৰ্তিৰ জৰিয়তে জুবিন গাৰ্গ সদায় মাজুলীৰ ৰাইজৰ হৃদয়ত জীয়াই থাকিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অসমীয়া সংগীতক এক নতুন পৰিচয় প্ৰদান কৰাৰ লগতে অসমীয়া চলচ্চিত্ৰ, সংস্কৃতি আৰু জনজীৱনৰ সৈতে গভীৰভাৱে জড়িত হৈ থকা জুবিন গাৰ্গৰ মাজুলীৰ সৈতে আছিল এক বিশেষ আত্মিক সম্পৰ্ক। মাজুলীৰ সত্ৰীয়া সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য আৰু সাধাৰণ মানুহৰ জীৱন-যাত্ৰাই শিল্পীগৰাকীক সদায় আকৰ্ষিত কৰিছিল। সেইবাবেই মাজুলীৰ মাটিত তেওঁৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি স্থাপন কৰাটো অনুৰাগীসকলৰ বাবে এক বিশেষ আবেগৰ বিষয় হৈ পৰিছে। আজিৰ অনুষ্ঠানত উপস্থিত ৰাইজে জুবিন গাৰ্গৰ গীত, সুৰ আৰু সৃষ্টিৰ কথা স্মৰণ কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। বহু অনুৰাগীয়ে প্ৰতিমূৰ্তিৰ সন্মুখত ফটো তোলাৰ লগতে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে প্ৰিয় শিল্পীগৰাকীক স্মৰণ কৰে। প্ৰতিবছৰে বান-গৰাখহনীয়াৰ সৈতে যুঁজি অহা শালমৰাবাসীয়ে নিজৰ সীমিত সামৰ্থ্যৰ মাজতো যি ঐক্য, নিষ্ঠা আৰু ভালপোৱাৰ পৰিচয় দিলে, সেয়া নিঃসন্দেহে প্ৰশংসনীয়। উদ্যোক্তাসকলৰ আশা-শালমৰাত প্ৰতিষ্ঠা হোৱা জুবিন গাৰ্গৰ এই প্ৰতিমূৰ্তি ভৱিষ্যৎ প্ৰজন্মৰ বাবেও অসমীয়া সংগীত আৰু সংস্কৃতিৰ প্ৰতি শিল্পীগৰাকীৰ অৱদানৰ এক জীৱন্ত স্মাৰক হৈ ৰ’ব। জুবিন গাৰ্গৰ বিয়োগৰ এবছৰ সম্পূৰ্ণ হোৱাৰ পূৰ্বে মাজুলীৰ শালমৰাত স্থাপিত এই প্ৰতিমূৰ্তিয়ে পুনৰ এবাৰ প্ৰমাণ কৰিলে যে শিল্পী শাৰীৰিকভাৱে আঁতৰি গ’লেও তেওঁৰ সৃষ্টি আৰু মানুহৰ হৃদয়ত থকা ভালপোৱাই তেওঁক চিৰদিন জীয়াই ৰাখে। শালমৰাৰ মাটিত প্ৰতিষ্ঠিত এই প্ৰতিমূৰ্তি এতিয়া কেৱল এটি স্মাৰক নহয়-ই মাজুলীবাসীৰ মৰম, শ্ৰদ্ধা, আবেগ আৰু গৌৰৱৰ এক স্থায়ী প্ৰতীক হৈ পৰিল।

## ৰকিবুল হুছেইন, ৰিপুণ বৰা আৰু

সমষ্টিৰ দোপদৰত অনুষ্ঠিত ৰাইজৰ দলৰ এক বিশাল গণ সমাৱেশত অংশগ্ৰহণ কৰি তেওঁ স্পষ্টভাৱে কয় যে এই নেতাসকল দলত থকালৈকে কংগ্ৰেছ ক্ষমতালৈ আহিব নোৱাৰে। সাংবাদিকৰ আগত ক্ষোভ প্ৰকাশ কৰি বিধায়কগৰাকীয়ে কয় যে কাজিৰঙাৰ বিভিন্ন অনিয়ম আৰু কু-কৰ্মৰ সৈতে ৰকিবুল হুছেইন প্ৰত্যক্ষভাৱে জড়িত থকা বুলি ৰাইজে কয়। উজনি অসমৰ মানুহে কেতিয়াও তেওঁৰ দৰে নেতাক সহ্য নকৰে বুলিও তেওঁ সঁকিয়াই দিয়ে। ইফালে, সমাৱেশত শিৱসাগৰ জিলাৰ তৃণমূল কংগ্ৰেছৰ কৰ্মীসকলৰ ভূমিকাক প্ৰশংসা কৰে অখিল গগৈয়ে। নাজিৰা সমষ্টিৰ দোপদৰত অনুষ্ঠিত এই গণ সমাৱেশত বানাক্ৰান্ত শ শ লোকে অংশগ্ৰহণ কৰে। নাজিৰা সমষ্টিৰ বানাক্ৰান্ত ৰাইজে এতিয়ালৈকে চৰকাৰী এককালীন ১৫ হাজাৰ টকাৰ সাহায্য লাভ নকৰাৰ প্ৰসংগত চৰকাৰক তীব্ৰ সমালোচনা কৰে বিধায়কগৰাকীয়ে। অতিশীঘ্ৰে বানত ক্ষতিগ্ৰস্ত অথচ সাহায্যৰ পৰা বঞ্চিত প্ৰতিটো পৰিয়ালৈ তৎকালীন চৰকাৰী সাহায্য প্ৰদান কৰিবলৈ তেওঁ মুখ্যমন্ত্ৰীৰ ওচৰত জোৰদাৰ দাবী জনায়। অন্যথা তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে অখিল গগৈয়ে। ৰাইজৰ দলৰ এই গণ সমাৱেশত দলটোৰ বহুসংখ্যক কেন্দ্ৰীয় তথা স্থানীয় নেতা-কৰ্মী উপস্থিত থাকে।

## ডমিনিকান ৰিপাব্লিকৰ জ’হেইৰী

শ্ৰেষ্ঠত্ব প্ৰমাণ কৰে। বিচাৰকমণ্ডলীয়ে তেওঁৰ ৰূপ, লাৱণ্য, মঞ্চকৌশল আৰু সৌন্দৰ্য্যৰ প্ৰতি থকা দৃষ্টিভংগীৰে প্ৰভাৱিত হয়। অৱশ্যে, অনুষ্ঠানটোৰ অন্তিম পৰ্যায়ত বিচাৰকৰ সোধা প্ৰশ্নৰ প্ৰতি জ’হেইৰী মোলাই দিয়া অতি সংযত, ইতিবাচক আৰু গভীৰ চিন্তাশীল উত্তৰেই তেওঁক বাকী প্ৰতিযোগীসকলতকৈ পৃথক কৰি তোলে আৰু শীৰ্ষস্থান দখল কৰাত সহায়ক হয়। বিজয়ীৰ নাম ঘোষণা কৰাৰ লগে লগে জ’হেইৰী মোলা ডমিংগুৱেজ আৱেগিক হৈ পৰে। মুকুট পৰিধান কৰাৰ পিছত তেওঁ সংগঠক, বিচাৰক, দৰ্শক আৰু নিজৰ পৰিয়ালৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। নিজৰ জয়ৰ মুহূৰ্তত তেওঁৰ চকুপানী বৈছিল, যিয়ে এই অসাধ্য সাফল্যৰ বাবে তেওঁ কৰা কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ কথাই প্ৰতিফলিত কৰিছিল। ইতিমধ্যে ডমিনিকান ৰিপাব্লিকৰ লগতে ভিন্ন দেশৰ অনুৰাগীসকলে সামাজিক মাধ্যমত নৱনিৰ্বাচিত বিশ্বসুন্দৰীগৰাকীক শুভেচ্ছা আৰু অভিনন্দন জনাই সন্মান জনোৱা পৰিলক্ষিত হৈছে। জ’হেইৰী মোলাই নিজৰ জয়ৰ পিছত প্ৰকাশ কৰা ভাষণত সমাজসেৱা আৰু মহিলা সবলীকৰণৰ প্ৰতি থকা প্ৰতিশ্ৰুতিও ঘোষণা কৰে, যাৰ বাবে তেওঁ বৰ্তমান বিশ্বব্যাপী সমাদৃত হৈ পৰিছে।

## ছোকাৰ্ণো-হাট্টা আন্তঃৰাষ্ট্ৰীয়

ইঞ্জিনৰ কাৰ্যক্ষমতা হ্ৰাস কৰিব পাৰে আৰু উৰণ কালত গুৰুতৰ দুৰ্ঘটনা সংঘটিত কৰাৰ আশংকা থাকে। সেয়েহে ইণ্ডোনেছিয়াৰ বিমান পৰিবহণ কৰ্তৃপক্ষই সাৱধানতামূলক ব্যৱস্থা হিচাপে জাকাৰ্টাৰ ছোকাৰ্ণো-হাট্টা আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত বিমান সেৱা সাময়িকভাৱে স্থগিত ৰাখিবলৈ বাধ্য হয়। এই সিদ্ধান্তই বহুসংখ্যক যাত্ৰীক দুৰ্বিপাকত পেলায়। ইণ্ডোনেছিয়াৰ পৰিবহণ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, বিমানবন্দৰ বন্ধ হৈ থকাৰ বাবে মুঠ ২০৯খন বিমানৰ উৰণ আৰু অৱতৰণ কাৰ্যসূচী প্ৰভাৱিত হয়। ইয়াৰ ভিতৰত কেইবাখনো আন্তঃৰাষ্ট্ৰীয় উৰণ আছিল, যিবোৰ বাতিল বা পুনৰনিৰ্ধাৰণ কৰিবলগীয়া হয়। ফলত প্ৰায় ২২, ৮০০ যাত্ৰীয়ে বিমানবন্দৰতে অপেক্ষা কৰি সময় কটায়। ছাইৰ প্ৰকোপ কেৱল বিমানবন্দৰৰ সীমাতেই আৱদ্ধ নাথাকে। ই পশ্চিম ইণ্ডোনেছিয়াৰ জাকাৰ্টা, বাণ্টেন, পশ্চিম জাভা আৰু লাম্পুঙৰ আকাশতো ব্যাপকভাৱে বিয়পি পৰে। ইণ্ডোনেছিয়াৰ বতৰ বিজ্ঞান সংস্থা BMKG-ই নিশ্চিত কৰে যে ধোঁৱাৰ মেঘে ৫০ হাজাৰ ফুট উচ্চতা অতিক্ৰম কৰিছে, যিয়ে অঞ্চলটোৰ বায়ুমণ্ডলীয় পৰিস্থিতিক সংকটজনক কৰি তুলিছে। পৰিস্থিতিৰ গুৰুত্ব অনুধাৱন কৰি স্থানীয় প্ৰশাসনে আগ্নেয়গিৰিৰ আশে-পাশে থকা লোকসকলক নিৰাপদ দূৰত্ব বজাই ৰাখিবলৈ নিৰ্দেশ দিয়ে। লগতে ধোঁৱাৰ প্ৰভাৱৰ পৰা ৰক্ষা পাবলৈ মুখ ঢাকি ৰখা, ঘৰৰ বাহিৰলৈ আহিবলৈ নিষেধাজ্ঞা আদি সতৰ্কবাণী জাৰি কৰা হয়। অঞ্চলটোৰ বিদ্যালয়সমূহৰ কাৰ্যসূচী স্থগিত কৰি দিয়াৰ লগতে মাছ ধৰা কামবোৰো অত্যন্ত সাৱধানতামূলকভাৱে বন্ধ ৰখা হৈছে। উল্লেখযোগ্য যে, এই ঘটনাত এতিয়ালৈকে কোনো লোকৰ মৃত্যু বা বৃহৎ উদ্ধাৰ অভিযানৰ প্ৰয়োজন হোৱা নাই।

## ‘অখিল গগৈয়ে কেতিয়াও মিত্ৰতাৰ

কিমান সময় মিত্ৰতাৰ নীতি পালন কৰিছিল, সেইটোৱেই এতিয়া আটাইতকৈ ডাঙৰ প্ৰশ্ন। তেওঁ উল্লেখ কৰে যে বিগত সময়ছোৱাত অখিল গগৈয়ে কেৱল নিৰ্বাচনৰ আসন বুজাবুজিৰ ক্ষন্তেকীয়া সময়কণৰ বাহিৰে বাকী সকলো সময়তে কংগ্ৰেছক আক্ৰমণ আৰু সমালোচনা কৰি আহিছে। গৌৰৱ গগৈয়ে কয় যে বিধানসভা নিৰ্বাচনৰ পূৰ্বেও হওক বা নিৰ্বাচনৰ পাছতেই হওক, অখিল গগৈয়ে সদায় কংগ্ৰেছ আৰু বিজেপি দুয়োটা দলকে একে শাৰীত ৰাখি সমান শত্ৰুৰ দৰে ব্যৱহাৰ কৰি আহিছে। কিন্তু মিত্ৰতাৰ সময়তো যিহেতু তেওঁ কংগ্ৰেছক আক্ৰমণ কৰিছিল, এতিয়া মিত্ৰতা ভংগ হোৱাৰ পাছতো একে আচৰণ চলাই আছে, গতিকে ই কংগ্ৰেছৰ বাবে একো নতুন বা আশ্চৰ্যজনক কথা নহয়। তেওঁ দোহাৰে যে এনেবোৰ বক্তব্যক গুৰুত্ব নিদিয়েই কংগ্ৰেছ দলে ৰাইজৰ প্ৰকৃত সমস্যা আৰু জনহিতকৰ বিষয়সমূহক প্ৰাধান্য দি আগবাঢ়ি গৈ আছে। অখিল গগৈৰ বিজেপি আৰু মুখ্যমন্ত্ৰীৰ প্ৰতি থকা মনোভাৱ সম্পৰ্কে গুৰুতৰ অভিযোগ উত্থাপন কৰি গৌৰৱ গগৈয়ে কয় যে অখিল গগৈ কংগ্ৰেছৰ প্ৰতি সদায় আক্ৰমণাত্মক হ’লেও বিজেপিৰ ক্ষেত্ৰত বিধানসভাৰ ভিতৰত ‘গৰম’ আৰু বাহিৰত ‘নৰম’ হৈ পৰে। তেওঁ উল্লেখ কৰে যে মুখ্যমন্ত্ৰীয়ে শিৱসাগৰ ভ্ৰমণ কৰি বানপানীৰ মাজত খোজ কঢ়াৰ সময়ত অখিল গগৈয়ে তেওঁক ভূয়সী প্ৰশংসা কৰি ওপচাই পেলাইছিল। কিন্তু এতিয়া সেই একেটা প্ৰসংগত তেওঁ নিজৰ কথা সলনি কৰিছে, যিটো ৰাইজে স্পষ্টভাৱে বুজি পাইছে। বিজেপিৰ সৈতে অখিল গগৈৰ বক্তব্যৰ ‘অভাৱনীয় মিল’ থকাৰ ইংগিত দি প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কটাক্ষ কৰে যে বিজেপিয়ে যি কথা কয়, তাৰ পিছদিনাই অখিল গগৈৰ মুখতো একে যুক্তি আৰু তৰ্ক শুনা যায়। তেওঁ সন্দেহ প্ৰকাশ কৰে যে নিশাৰ ভাগত অহা ফোনকল বা গোপন যোগাযোগৰ মাধ্যমেই এনে সংযোগ গঢ় লৈ উঠিছে। শেষত গৌৰৱ গগৈয়ে পুনৰ দৃঢ়তাৰে কয় যে অখিল গগৈয়ে কেতিয়াও মিত্ৰতাৰ ধৰ্ম পালন কৰা নাই, বৰঞ্চ বেছিভাগ সময় কংগ্ৰেছৰ প্ৰতি শত্ৰুভাৱাপন্ন আচৰণেই কৰি আহিছে।

## অসম কংগ্ৰেছৰ নতুন প্ৰভাৰী ভূপেশ

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে উষ্ম আদৰণি জনাইছে আৰু বাঘেলৰ অভি:তা অসম কংগ্ৰেছৰ বাবে অত্যন্ত মূল্যবান হ’ব বুলি মন্তব্য কৰিছে। দেওবাৰে সামাজিক মাধ্যম ‘এক্স’ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গগৈয়ে লিখে, “আমি অসমত এআইচিচিৰ সাধাৰণ সম্পাদক ভূপেশ বাঘেলজীৰ সৈতে কাম কৰিবলৈ আগ্ৰহী। তেওঁৰ অভিজ্ঞতা আৰু পথ প্ৰদৰ্শন আমাৰ বাবে অমূল্য হ’ব।” একেটা পোষ্টতে তেওঁ পূৰ্বৰ প্ৰভাৰী জিতেন্দ্ৰ সিঙকো কৃতজ্ঞতা :াপন কৰি শেহতীয়া সময়ছোৱাত দলটোৰ নেতৃত্ব আৰু পথ প্ৰদৰ্শনৰ বাবে তেওঁক ধন্যবাদ জনায়। উল্লেখযোগ্য যে, অসমৰ শেহতীয়া বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ শোচনীয় পৰাজয়ৰ পিছত জিতেন্দ্ৰ সিঙে অসমৰ প্ৰভাৰী পদৰ পৰা পদত্যাগ কৰিছিল। তেতিয়াৰ পৰা এই পদ খালী হৈ আছিল। শনিবাৰে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই এক বৃহৎ সাংগঠনিক ৰদবদল কৰি ভূপেশ বাঘেলক অসমৰ দায়িত্ব দিয়ে। পূৰ্বে বাঘেল পঞ্জাব কংগ্ৰেছৰ প্ৰভাৰী আছিল, কিন্তু প ?বত আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি দলটোৱে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰাৰ সময়তে তেওঁক অসমলৈ স্থানান্তৰ কৰা হয়। ভূপেশ বাঘেল অসম কংগ্ৰেছৰ বাবে সম্পূৰ্ণ অচিনাকি নহয়। বিগত অসম বিধানসভা নিৰ্বাচনৰ সময়ত তেওঁ কংগ্ৰেছৰ কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সেয়ে ৰাজ্যখনৰ ৰাজনৈতিক পৰিস্থিতি আৰু দলটোৰ সাংগঠনিক অৱস্থাৰ সৈতে তেওঁৰ আগতীয়া অভি:তা থকাটোৱে এই নিযুক্তিক অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। বিশেষকৈ নগাঁও লোকসভা সমষ্টিত অনুষ্ঠিত হ’বলগা উপ-নিৰ্বাচনক লৈ দলটোৱে ৰণনীতি প্ৰস্তুত কৰাৰ সময়তে বাঘেলৰ এই নতুন দায়িত্বই কংগ্ৰেছৰ বাবে এক সুবিধাজনক অৱস্থা সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

## হাত-ভৰি বন্ধা অৱস্থাত উদ্ধাৰ

কনিষ্ঠ পুত্ৰক সংগীত বিদ্যালয়লৈ লৈ গৈছিল। ঘৰত অকলে আছিল জ্যেষ্ঠ পুত্ৰ গাণ্ডিপ লাহন শৰ্মা। ঘূৰি আহি পিতৃ-মাতৃয়ে দেখে যে জ্যেষ্ঠ পুত্ৰৰ হাত-ভৰি বন্ধা অৱস্থাত নিথৰ দেহ পৰি আছে। এই দৃশ্য দেখি তেওঁলোক স্তম্ভিত হৈ পৰে আৰু অঞ্চলজুৰি হুৰাদুৰাৰ সৃষ্টি হয়। প্ৰত্যক্ষদৰ্শী আৰু স্থানীয় লোকসকলে সন্দেহ প্ৰকাশ কৰিছে যে দীৰ্ঘদিন ধৰি কোনো পক্ষই গাণ্ডিপক আক্ৰমণৰ লক্ষ্য হিচাপে লৈ আছিল। ছাত্ৰজন অতি মেধাসম্পন্ন আছিল বুলি জানিব পৰা গৈছে। ঘটনাটো আৰক্ষী থানাৰ নাকৰ তলতে সংঘটিত হোৱা বাবে স্থানীয় মহলত আৰক্ষীৰ প্ৰকৃত সক্ষমতাক লৈ প্ৰশ্ন উঠিছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ক্ষেত্ৰী আৰক্ষী (অসম আৰক্ষী) ঘটনাস্থলীত উপস্থিত হয় আৰু তদন্ত আৰম্ভ কৰে। ইতিমধ্যে অসম আৰক্ষীৰ ডিচিপি (DCP) প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এই ঘটনা অতি গুৰুতৰ আৰু ইয়াক লৈ কঠোৰ অনুসন্ধান চলাইছে। লগতে CID আৰু ফৰেনচিক বিভাগৰ এটা বিশেষ দলেও ঘটনাস্থলী পৰিদৰ্শন কৰি প্ৰতিটো দিশ তন্নতন্নকৈ অনুসন্ধান কৰি আছে। কি কাৰণত আৰু কোনে এই নৃশংস হত্যাকাণ্ড সংঘটিত কৰিলে, সেই বিষয়ে এতিয়ালৈকে স্পষ্ট তথ্য পোহৰলৈ অহা নাই। আৰক্ষীৰ সম্পূৰ্ণ অনুসন্ধানৰ পাছতহে এই হত্যাকাণ্ডৰ প্ৰকৃত ৰহস্য উদঘাটিত হ’ব বুলি আশা কৰা হৈছে।

## দিল্লীৰ সত্য নিকেতনত খহি

খবৰ দিয়ে। উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ ধ্বংসস্তূপৰ মাজৰ পৰা এতিয়ালৈকে কেইবাজনো লোকক জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। কিন্তু এতিয়াও বহু লোক আৱদ্ধ হৈ থকাৰ সম্ভাৱনা আছে বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ ১২খন গাড়ী, এনডিআৰএফৰ দল আৰু কুকুৰ স্কোয়াড মোতায়েন কৰা হৈছে। উদ্ধাৰ অভিযান অব্যাহত থকাৰ সময়তে আশে-পাশে থকা অট্টালিকাসমূহ সুৰক্ষাৰ দৃষ্টিকোণৰ পৰা খালি কৰি দিয়া হৈছে। আহতসকলক স্থানীয় চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ইতিমধ্যে এই ঘটনাক লৈ দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই গভীৰ উদ্বেগ প্ৰকাশ কৰি সামাজিক মাধ্যমযোগে প্ৰতিক্ৰিয়া দিয়ে। তেওঁ ডিডিএমএ, এনডিআৰএফ, দিল্লী অগ্নি সেৱা, দিল্লী আৰক্ষী, এমচিডি, কেটিএছ আৰু অসামৰিক প্ৰতিৰক্ষা দলসমূহক যুদ্ধংদেহী মনোভাৱে উদ্ধাৰ অভিযান চলাবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ধ্বংসস্তূপত আৱদ্ধ থকা লোকসকলক নিৰাপদে উদ্ধাৰ কৰাটো প্ৰথম অগ্ৰাধিকাৰ, আৰু ক্ষতিগ্ৰস্ত পৰিয়ালবোৰক তাৎক্ষণিক সাহায্য আগবঢ়াবলৈ সকলো পদক্ষেপ গ্ৰহণ কৰা হৈছে। ঘটনাটোৰ সময়ত অট্টালিকাটোত বহুতো ছাত্ৰ-ছাত্ৰী আৰু শ্ৰমিক থকাৰ সম্ভাৱনা আছে, কাৰণ এই এলেকাত বহু পিজি হোষ্টেল আছে। স্থানীয় বিধায়ক অনিল শৰ্মাই এই ঘটনাক “অতি হৃদয়বিদাৰক” বুলি অভিহিত কৰি কয় যে ভৱনটোৰ গাঁথনি অতি দুৰ্বল আছিল। লিখা পৰ্যন্ত কোনো লোকৰ মৃত্যু বা গুৰুতৰ আঘাতৰ সঠিক তথ্য পোৱা নাই। প্ৰশাসনে ঘটনাস্থলী পৰ্যবেক্ষণ কৰি আছে আৰু অতিৰিক্ত সতৰ্কতা স্বৰূপে সংলগ্ন অঞ্চলবোৰতো নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। উদ্ধাৰ অভিযান শেষ নোহোৱালৈকে স্থানীয় লোকসকলক শান্ত আৰু সজাগ থকাৰ আহ্বান জনোৱা হৈছে।

## বিশ্বনাথত আৰক্ষীৰ নৈশ অভিযানত

প্ৰয়োজনীয় নথিপত্ৰসমূহও পৰীক্ষা কৰে আৰু কোনো বৈধ ভাৰতীয় পৰিচয় নথি নথকা পোৱাৰ পিছতেই গ্ৰেপ্তাৰ কৰে। আটক হোৱা লোকসকলৰ ভিতৰত ৭ গৰাকী মহিলা আৰু ২জন পুৰুষ আছে। ধৃতসকলক চিনাক্ত কৰি এছপি গৰাকীয়ে আগবঢ়োৱা তথ্য অনুসৰি, তেওঁলোক ক্ৰমে-নাবিজাল খাতুন, চাহাৰ খাতুন, মামনি বেগম, ৰহিমা বেগম, চম্পাফুল খাতুন, ফাতেমা খাতুন, চাহিদা খাতুন, আকবৰ আলী আৰু নুৰজামাল শ্বেখ। সংবাদমেলত এছপি আহমেদে জানিবলৈ দিয়া মতে, এই লোকসকলে দীৰ্ঘদিন ধৰি বিশ্বনাথ জিলাৰ বিভিন্ন অঞ্চলত ভুৱা পৰিচয়েৰে আত্মগোপন কৰি বসবাস কৰি আছিল আৰু সম্ভৱতঃ আন কিছু লোককো সাহায্য কৰা বুলি সন্দেহ কৰা হৈছে। বৰ্তমান গ্ৰেপ্তাৰীসকলক আইনী প্ৰক্ৰিয়াৰ অধীনত স্থানীয় ন্যায়ালয়ত হাজিৰ কৰোৱাৰ লগতে আৰক্ষীয়ে এই ঘটনা সম্পৰ্কে গভীৰভাৱে তদন্ত অব্যাহত ৰাখিছে। লগতে তেওঁলোকৰ আন কোনো সহযোগী থকা-নথকাৰ বিষয়েও সন্ধান চলাই আছে। বিশ্বনাথ আৰক্ষীৰ এই পদক্ষেপক স্থানীয় লোকসকলে স্বাগতম জনাইছে আৰু অনুৰূপ অভিযান অঞ্চলটোত অব্যাহত থাকিব বুলি আৰক্ষী সূত্ৰে নিশ্চিত কৰিছে।

# ২৯ সংখ্যক ৰাজ্যিক যোগাসন প্ৰতিযোগিতাত দৰং জিলালৈ দ্বিতীয় স্থান; স্থান প্ৰাপ্তক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, পাথৰিঘাট, ৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাত যোৱা ২৮ আগষ্টৰ পৰা ৩০ আগষ্টলৈ অনুষ্ঠিত হৈ যোৱা ২৯ সংখ্যক ৰাজ্যিক যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত দৰং জিলা যোগ সন্থাই সমগ্ৰ অসমৰ ভিতৰতে দ্বিতীয় স্থান দখল কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ভাৰ্গৱ কলিতা আৰু সুমন ৰাজবংশীৰ নেতৃত্বত অংশগ্ৰহণ কৰা ৬০ গৰাকী খেলুৱৈৰ দলটোৱে বিভিন্ন শাখাত উৎকৃষ্ট প্ৰদৰ্শন দাঙি ধৰি পদক আজুৰি আনিবলৈ সক্ষম হয়। প্ৰতিযোগিতাত দলটোৰ প্ৰশিক্ষক হিচাপে কমল ৰাজবংশী, জুৱেল কলিতা, মেনেজাৰ বিজিত কলিতা, বিতোপন কলিতা আৰু অভিজিৎ ৰাজবংশী উপস্থিত থাকি খেলুৱৈ সকলক মাকদৰ্শন কৰে। প্ৰতিযোগিতাৰ প্ৰফেচনেল শাখাত সুমন ৰাজবংশীয়ে সোণৰ পদক আৰু ভাৰ্গৱ কলিতাই ৰূপৰ পদক লাভ কৰে। আনহাতে আৰ্টিষ্টিক যুটীয়া আৰু ৰীদমিক যোগাসন শাখাতো দৰঙৰ খেলুৱৈসকলে সোণৰ পদক লাভ কৰে। ছাব জুনিয়ৰ আৰ্টিষ্টিক যুটীয়া ল'ৰা শাখাত ধৃতিষ্মান কলিতা আৰু মিনাল সিং কলিতা, জুনিয়ৰ ল'ৰা শাখাত ৰিতুমনি ডেকা আৰু ভাৰ্গৱ ডেকা, কলাত্মক যোগাসনত সুস্মিতা ডেকা আৰু ৰীদমিক যুটীয়া জুনিয়ৰ ছোৱালী শাখাত সুস্মিতা ডেকা আৰু লুনা কলিতাই সোণৰ পদক লাভ কৰে। ইয়াৰ উপৰিও পৰম্পৰাগত যোগাসন, কলাত্মক, ৰীদমিক আৰু ফ্ৰী-ফ্লৰ আদি বিভিন্ন বয়সৰ শাখা সমূহত ফাৰহান মজিদ, ভিতালী চহৰীয়া, বৰ্ণিল ভৰদ্বাজ, কৃষ্ণা বৰুৱা, ৰিতুমনি ডেকা, জ্যোতিষ ৰাজবংশী, সুস্মিতা ডেকা, লুনা কলিতা, নিকিতা স্বৰ্গীয়াৰী, মাধুৰ্য মধুৰ কাশ্যপ, তনয়া আৰাধ্যা বৰুৱাই ৰূপৰ পদক লাভ কৰে। জ্যোতিষ্মান বি ৰাজবংশী, চিন্ময় ডেকা, আৰাধ্যা চহৰীয়া, ময়ূৰ ডেকা, জিজ্ঞাশ্ৰী কলিতা, ৰিকচিতা কাশ্যপ, নেইনচি দেৱী মহন্ত, ববিতা কলিতা, প্ৰেৰণাময়ী নাথ, অৰূপ জ্যোতি কলিতা, গায়ত্ৰী কলিতা, মেঘালী ডেকা আৰু হৃষীকেশ চহৰীয়াই ব্ৰঞ্জৰ পদক লাভ কৰে। বিজয়ী খেলুৱৈ সকলক পবিত্ৰ শিক্ষক দিৱসৰ দিনা পশ্চিম দৰং প্ৰেছক্লাব (দিপীলা)ত দৰং জিলা যোগ সন্থাই এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। গীত-মাত, নৃত্য, যোগাসনৰে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক প্ৰাপ্ত সকলক উষ্ম আদৰণি জনায়। যোগ শিক্ষক বিতুপন কলিতাই আঁতধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দৰং জিলা ক্ৰীড়া বিষয়া তথা জিলা যোগ সন্থাৰ মুখ্য উপদেষ্টা বিষ্ণুজ্যোতি কলিতা। তেওঁ খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ক্ৰীড়াৰ প্ৰতি আগ্ৰহী হ'বলৈ উদগনি যোগায়। অনাগত দিনত জিলা যোগ সন্থাৰ লগত পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানত দৰং জিলা যোগ সন্থাৰ সভাপতি বিষ্ণু ৰায় ৰাজবংশীয়ে জানিবলৈ দিয়ে যে, অহা ৩ অক্টোবৰৰ পৰা ৬ অক্টোবৰলৈ ৰাজস্থানৰ জয়পুৰত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতালৈ দৰং জিলাৰ পৰা ৭ গৰাকী খেলুৱৈ নিৰ্বাচিত হৈছে। জিলাখনৰ এই ক্ৰীড়া সফলতাক লৈ সমগ্ৰ দৰং জিলাতে এক আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে। সম্বৰ্দ্ধনা সভাত শিক্ষক লোকেন্দ্ৰ শৰ্মা, জ্যোতিময় ডেকা, দৰং জিলা যোগ সন্থাৰ সম্পাদক ভাৰ্গৱ কলিতা, কোষাধক্ষ সুমন ৰাজবংশী, পশ্চিম দৰং প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত কাকতি, সাংবাদিক ক্ৰমে লোকেশ্বৰ নাথ, পংকজ কুমাৰ ডেকা সহ বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ আমোলাপট্টি এমভি স্কুলত ৰাষ্ট্ৰীয় শিক্ষক দিৱস উদ্‌যাপন

## বৰ্ষশ্ৰেষ্ঠ শিক্ষক বসন্ত কুমাৰ গগৈ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ আমোলাপট্টি এম ভি স্কুলত আজি ৬৫ সংখ্যক ৰাষ্ট্ৰীয় শিক্ষক দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দন ফুকনৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰধান শিক্ষক গৰাকীয়ে কয়- "শিক্ষক হৈছে এডাল মমবাতি যি নিজে জ্বলি আনকো পোহৰ দিয়ে। আজিৰ ছাত্ৰ কাইলৈ দেশৰ ভৱিষ্যৎ গঢ়িব। সেয়ে ভৱিষ্যৎ প্ৰজন্মক সঠিক পথ দেখুওৱাটোৱে শিক্ষকৰ প্ৰধান দায়িত্ব।" সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শান্তিপাৰা বাঙালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহঃপ্ৰধান শিক্ষক সুশান্ত দেৱে কয় যে শিক্ষকৰ দায়িত্ব কেৱল শ্ৰেণীকোঠাতে সীমাবদ্ধ নহয়, নিৰ্বাচন, লোকপিয়লৰ পৰা আৰম্ভ কৰি সকলো চৰকাৰী কামতে শিক্ষক জড়িত হৈ থাকে। শিক্ষকৰ ত্যাগক কেতিয়াও অৱমাননা কৰিব নালাগে। বিশিষ্ট অতিথি শান্তিপাৰা বাঙালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহঃপ্ৰধান শিক্ষক সুশান্ত দেৱেএই বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে চন্দন ফুকনে দায়িত্বৰ ভাৰ লোৱাৰ পিছত বিদ্যালয়ৰ গৃহটি পকী হোৱাত সন্তোষ প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীক সাধুৰ জৰিয়তে সুনাগৰিক হোৱাৰ উপদেশ দিয়ে। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষয়িত্ৰী মামনি বৰা, নিপুজ্যোতি গগৈ, অঞ্জনা চুতীয়া, জেনিভা শৰ্মা, নীলিমা চাংকাকতি, কল্যাণী দাস, বনশ্ৰী ফুকন আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী যোগেন দাস, সংযুক্তা দাস আৰু ৰান্ধনী মাজনি দত্ত, জিনামণি দত্ত, অঞ্জনা দাস, বন্তি দাস, ৰঞ্জনা দাসক সম্বৰ্ধনা জনোৱা হয়। আনহাতে ২০২৫-২৬ বৰ্ষৰ 'বৰ্ষশ্ৰেষ্ঠ শিক্ষক' বঁটা বিদ্যালয়ৰ সহকাৰী শিক্ষক বসন্ত কুমাৰ গগৈক প্ৰদান কৰা হয়। অনুষ্ঠানত বৰ্ষ শ্ৰেষ্ঠ শিক্ষক বসন্ত কুমাৰ গগৈয়ে কয় যে- শিক্ষকৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী সমান। কোনো ছাত্ৰ-ছাত্ৰীক জাতিভেদ চাই বিদ্যালয়ত শিক্ষা দিয়া নহয়। সকলোকে সম অধিকাৰ সম মৰ্যাদা প্ৰদান কৰা হয়। সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক সকল উপস্থিত থাকে। সভাত অষ্টম শ্ৰেণীৰ ছাত্ৰ ভাৰ্গৱ কৃষ্ণ দাসে শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে স্বৰচিত কবিতা পাঠ কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকল অনুষ্ঠানত উপস্থিত থাকে। ■

# বিজনীত দুৰ্গা পূজাৰ প্ৰস্তুতি তুংগত

**অসম বাৰ্তা, বিজনী, ৬ ছেপ্টেম্বৰ ঃ** দুৰ্গা পূজা এতিয়াও প্ৰায় ৪০ দিন বাকী। দেৱী দুৰ্গাক আগমনৰ বাবে প্ৰস্তুতি তুংগত চলাইছে বিজনী ভিন্ন দুৰ্গা পূজা কমিটিয়ে। বিজনীৰ তিনিখন দুৰ্গা পূজা কমিটিয়ে লাইখুঁটা স্থাপন কৰি দুৰ্গা পূজাৰ শুভাৰম্ভ কৰিছে। দুৰ্গা পূজা কমিটি ক্ৰমে বিজনী শিৱ শঙ্কৰ কলনী দুৰ্গা পূজা কমিটি, বিজনী ভেটাগাঁও দুৰ্গা পূজা কমিটি আৰু বিজনী শ্ৰী দুৰ্গা পূজা কমিটি। বিজনী শ্ৰী দুৰ্গা পূজা কমিটিৰ এইবাৰৰ দুৰ্গা পূজাৰ বিশেষ আকৰ্ষণ(থীম) জি-২০ ভাৰতমণ্ডপম। প্ৰায় ২০ লাখ টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰা হব বিজনী শ্ৰী দুৰ্গা পূজা কমিটিৰ পূজা মণ্ডপ। ২০২৩ চনত টুইন টোৱাৰ, ২০২৪ চনত মুন টোৱাৰ আৰু ২০২৫ চনত মহিষাসুৰৰ আৰ্হিত পূজা মণ্ডপ নিৰ্মাণ কৰি সমগ্ৰ ৰাজ্যতে এক চমক পদৰ্ষণ কৰিছিল। শুকুৰবাৰে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ কেন্দ্ৰীয় উপ সভাপতি বিশ্বজিৎ ৰজক দাস উপস্থিত থাকি লাইখুঁটা স্থাপন কৰে। দেওবাৰে বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বিজনী ভেটাগাঁও সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা কমিটিৰ ২২ তম দুৰ্গা পূজাৰ লাইখুঁটা স্থাপন কৰা হয়। ভেটাগাঁও সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা কমিটিৰ এইবাৰৰ বিশেষ আকৰ্ষণ (থীম) নতুন দিল্লীৰ লটাচ টেম্পল। প্ৰায় ২০ লাখ টকা ব্যায় সাপেক্ষে উক্ত পূজা মঞ্চপখন নিৰ্মাণ কৰা হ'ব বুলি জানিবলৈ দিয়ে কমিটিৰ সম্পাদক পুৰন্দৰ সৰকাৰে। বিজনী আন এখন অন্যতম দুৰ্গা পূজা কমিটি বিজনী শিৱ শঙ্কৰ কলনী দুৰ্গা পূজা কমিটি। দেওবাৰে বিজনী শিৱ শঙ্কৰ কলনী দুৰ্গা পূজা কমিটিৰ পূজা মণ্ডপৰ লাইখুঁটা স্থাপন কৰাৰ উপৰি পূজা কমিটিৰ অস্থায়ী কাৰ্যালয় মুকলি কৰা হয়। উক্ত পূজা কমিটিৰ অস্থায়ী কাৰ্যালয় মুকলি কৰে ১৭ নং সুবাইঝাৰ সমষ্টিৰ পৰিষদ তথা বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰীয়ে। বিজনী শিৱ শঙ্কৰ কলনী দুৰ্গা পূজা কমিটিৰ এইবাৰৰ বিশেষ আকৰ্ষণ (থীম)অপাৰেশ্যন সিন্দূৰ। প্ৰায় ১৫ পৰা১৬ লাখ টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰা হব বুলি জানিবলৈ দিয়ে।

# দৰঙত ৬৫ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দেওমৰনৈ, ৬ ছেপ্টেম্বৰ ঃ** দৰং জিলা প্ৰশাসনৰ উদ্যোগত গঠিত হোৱা উদ্‌যাপন সমিতিৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি ৬৫ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। দৰঙৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়ন্ত ঠাকুৰীয়াই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই শিক্ষক দিৱস অনুষ্ঠানত অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মীন উন্নয়ন নিগমৰ অধ্যক্ষকে ধৰি বিশিষ্ট ব্যক্তিসকলে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে শিক্ষকসকলক শিক্ষক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি কয় যে শিক্ষকতা বৃত্তি কাৰো লগত তুলনা কৰিব নোৱাৰি। শিক্ষকসকল মানৱসম্পদ গঢ় দিয়া খনিকৰ। তেওঁ কয় যে ছাত্ৰ - ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কৰক। তেওঁ কয় যে শিক্ষকসকলে শিক্ষা প্ৰদান কৰাৰ বাবে আমি এখন সুন্দৰ সমাজ পাইছোঁ। ছাত্ৰ-ছাত্ৰীক সম্পদৰূপে গঢ়িব পাৰি সেই ক্ষেত্ৰত মনোযোগ দিবলৈ শিক্ষকসমাজক আহ্বান জনায়। সভাত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ প্ৰদান কৰি মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বৰাই ভাষণত ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ ৰ কথা উল্লেখ কৰে। এই শিক্ষানীতিৰ উদ্দেশ্য কেৱল ডাক্তৰ, অভিযন্তা বনোৱা নহয় বুলি উল্লেখ কৰি কয় যে এই শিক্ষানীতি এখন জ্ঞান সন্তোলিত সমাজ সৃষ্টি কৰা আৰু তেওঁ জ্ঞান আৰু প্ৰজ্ঞাৰ দিশ দেখুৱা মানুহজনেই হ'ল শিক্ষক বুলি অভিহিত কৰে। তেওঁ শিক্ষকসকল কেনেকুৱা হ'ব লাগে কয় আৰু পৰিৱৰ্তনৰ লগত খাপখোৱাটো দৰকাৰী বুলি কয়। অনুষ্ঠানত দৰং জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া কল্পনা ডেকাই শিক্ষক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ মহান দাৰ্শনিক ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনৰ বিষয়ে কয় আৰু শিক্ষকসকল সমাজৰ বিশেষ ব্যক্তি। তেওঁ শিক্ষকতা বৃত্তি নহয় সেৱাহে বুলি উল্লেখ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীক মূল্যবোধৰ শিক্ষা দিয়াটো অতি জৰুৰী বুলি কয়। অনুষ্ঠানত জিলা খনৰ ৪৫গৰাকী কৃতী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত জিলা খনৰ বহু সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যানুৰাগী ব্যক্তি, বিশিষ্ট নাগৰিক, ছাত্ৰ-ছাত্ৰী, জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত আছিল।

# শিক্ষক দিৱসত ২২নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্দ্ধনা



**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** বৃহত্তৰ নামনি মাজুলীৰ অঞ্চলৰ চিলাকলা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ২২নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ৰ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলে আজি বিদ্যালয়ত দিনজোৱা বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে ৬৫ সংখ্যক শিক্ষক দিৱস উদ্‌যাপন কৰে। বিদ্যালয় ছাত্ৰীসকলে সমৱেত সংগীত পৰিৱেশন কৰা উক্ত সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উত্তম কুমাৰ মেধীয়ে। প্ৰধান শিক্ষক সোণজ্যোতি পামেগামে আঁত ধৰা আজিৰ শিক্ষক দিৱসৰ সভাত ২২নং কাকৰিকটা প্ৰাথমিক বিদ্যালয়ৰ পৰম্পৰাগতভাৱে অৱসৰপ্ৰাপ্ত প্ৰধানশিক্ষকদ্বয় প্ৰণৱ বৰঠাকুৰ আৰু নাৰায়ণ চন্দ্ৰ বৰুৱাক বিদ্যালয়ৰ তৰফৰপৰা সম্বৰ্দ্ধনা জনোৱা হয়। লগতে বিদ্যালয় পৰিচালনা সমিতিৰ সদ্যপ্ৰাক্তন সভাপতি উত্তম কুমাৰ মেধী আৰু নৱ নিৰ্বাচিত সভাপতি তৰুণ দাসকও সম্বৰ্দ্ধনা জনোৱা হয়। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সংস্কৃতিক অনুষ্ঠানে জীপাল কৰা উক্ত সভাত বিশিষ্ট অতিথি হিচাপে কাকৰিকটা গাঁৱৰ গাঁও প্ৰধান অৰুণ কুমাৰ দাস, তৰুণ চন্দ্ৰ পামেগাম শাখা সাহিত্য সভাৰ সভাপতি ভোলানাথ দাস হাজৰিকা, সমাজকৰ্মী শেৱালি মেধী আৰু অঞ্জলি দাস আৰু শিক্ষক কৃষ্ণ কমল শইকীয়াই উপস্থিত থাকি ভাষণ প্ৰদান কৰে। শিক্ষয়িত্ৰী ডলী গগৈ, জ্ঞানজ্যোতি নাথ, দেৱযানী ভূঞা আৰু নৱনীতা মহন্তই ভূতপূৰ্ব ৰাষ্ট্ৰপতি, মহান শিক্ষাবিদ, দাৰ্শনিক পণ্ডিত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনাদৰ্শৰ ওপৰত ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ আগত ডাঙি ধৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই প্ৰধান শিক্ষক সোণজ্যোতি পামেগামে।

# ৮খন উচ্চন্যায়ালয়ত নতুন মুখ্য ন্যায়াধীশ নিযুক্তি

আজি সামাজিক মাধ্যম 'X' (পূৰ্বৰ টুইটাৰ)ৰ জৰিয়তে এই নিযুক্তিৰ বিষয়ে আনুষ্ঠানিকভাৱে অৱগত কৰে। তেওঁ ঘোষণা অনুসৰি, পঞ্জাব আৰু হাৰিয়ানা উচ্চন্যায়ালয়ৰ কাৰ্যবাহী মুখ্য ন্যায়াধীশ আশ্বনী কুমাৰ মিশ্ৰক একে ন্যায়ালয়খনৰ পূৰ্ণকালীন মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। ইয়াৰ উপৰিও আন ৭খন উচ্চ ন্যায়ালয়ত মুখ্য ন্যায়াধীশ নিযুক্তিৰ সিদ্ধান্ত লোৱা হৈছে। নতুন মুখ্য ন্যায়াধীশ লাভ কৰা ন্যায়ালয়সমূহ হৈছে-জম্মু-কাশ্মীৰ আৰু লাডাখ উচ্চন্যায়ালয়, পাটনা উচ্চন্যায়ালয়, কলকাতা উচ্চন্যায়ালয়, ৰাজস্থান উচ্চন্যায়ালয়, বোম্বে উচ্চন্যায়ালয়, ছত্তীশগড় উচ্চন্যায়ালয় আৰু মধ্যপ্ৰদেশ উচ্চন্যায়ালয়। এই নিযুক্তিসমূহে ন্যায়পালিকাৰ শীৰ্ষ পদসমূহত এক বৃহৎ পৰিৱৰ্তন সংঘটিত কৰিছে। উল্লেখযোগ্য যে, ন্যায়াধীশ আশ্বনী কুমাৰ মিশ্ৰৰ নিযুক্তি কিছুদিন ধৰি স্থগিত হৈ আছিল। উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে তেওঁক পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল যদিও পঞ্জাব ৰাজ্যৰ আম আদমি পাৰ্টি (AAP) চৰকাৰৰ মতামত লাভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অপেক্ষা কৰি আছিল। এই কাৰণতে নিযুক্তি প্ৰক্ৰিয়াত পলম হৈছিল বুলি ন্যায়িক মহলত আলোচনা চলিছিল। আশ্বনী কুমাৰ মিশ্ৰক চল্লাচপ্ত চনৰ জুলাই মাহত পঞ্জাব আৰু হাৰিয়ানা উচ্চন্যায়ালয়লৈ বদলি কৰা হৈছিল। তেতিয়াৰ পৰা তেওঁ ন্যায়ালয়খনত কাৰ্যনিৰ্বাহ কৰি আছিল। ২০২৬ চনৰ চ জুন তাৰিখে তেওঁ উচ্চন্যায়ালয়খনৰ কাৰ্যবাহী মুখ্য ন্যায়াধীশ হিচাপে দায়িত্ব গ্ৰহণ কৰে, যেতিয়া তেতিয়াৰ মুখ্য ন্যায়াধীশ শীল নাগুক উচ্চতম ন্যায়ালয়লৈ উন্নীত কৰা হৈছিল। বৰ্তমানৰ নিযুক্তিৰ জৰিয়তে তেওঁ পূৰ্ণকালীন দায়িত্ব পালনৰ সুযোগ লাভ কৰিলে। এই ন্যায়িক নিযুক্তিসমূহে দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ত ন্যায়াধীশৰ অভাৱ দূৰ কৰাৰ লগতে বিচাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ন্যায়পালিকাৰ সৈতে সমন্বয় ৰাখি অদূৰভৱিষ্যতে অধিক নিযুক্তি ঘোষণা কৰিব পাৰে বুলি সূত্ৰই জানিবলৈ দিছে।

## অনুষ্ঠানত উপস্থিত বিলাসীপাৰাৰ বিধায়ক জীৱেশ ৰায়

# বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জত উলাহেৰে শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ৬ ছেপ্টেম্বৰ ঃ** ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিন তথা পৱিত্ৰ শিক্ষক দিৱস সমগ্ৰ দেশৰ লগতে লক্ষ্মীগঞ্জতো উলাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। এই উপলক্ষে আজি বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জ বিদ্যালয় প্ৰাংগণত এক বিশেষ তথা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। আজিৰ এই বিশেষ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ১০ নং বিলাসীপাৰা বিধানসভা সমষ্টিৰ জনপ্ৰিয় বিধায়ক জীৱেশ ৰায়। বিদ্যালয় কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰীসকলে বিধায়কগৰাকীক উষ্ণ আদৰণি জনায়। অনুষ্ঠানৰ শুভাৰম্ভণিতে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। ইয়াৰ পাছতে বিদ্যালয় খনৰ ধাৰাবাহিক সফলতাৰ বাবে অৰিহণা যোগোৱা গুৰু সকলক গামোচা, মানপত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাখনত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি বিধায়ক জীৱেশ ৰায়ে বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জৰ শৈক্ষিক অগ্ৰগতি, শৃংখলা পৰায়ণতা আৰু সুন্দৰ নিয়মানুৱৰ্তিতাৰ ভূয়সী প্ৰশংসা কৰে। বিদ্যালয়খনৰ অনুশাসন আৰু সুন্দৰ শৈক্ষিক পৰিবেশ প্ৰত্যক্ষ কৰি তেওঁ অতিশয় আপ্লুত হৈ পৰে। নিজৰ বক্তব্যত বিধায়ক গৰাকীয়ে উল্লেখ কৰে যে- এখন সুন্দৰ আৰু শৃংখলিত শিক্ষানুষ্ঠানেহে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উজ্জ্বল কৰি তুলিব পাৰে আৰু দেশৰ সু-নাগৰিক হিচাপে গঢ়ি তুলিব পাৰে। ভৱিষ্যতে বিদ্যালয়খনৰ শিক্ষাৰ মানদণ্ড অধিক উন্নত কৰাৰ লগতে আৱশ্যকীয় আন্তঃগাঁথনিমূলক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বিধায়কজনে গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ স্পষ্টভাৱে কয় যে, বিদ্যাসাগৰ একাডেমী লক্ষ্মীগঞ্জৰ যিকোনো প্ৰকাৰৰ উন্নতি আৰু আন্তঃগাঁথনিৰ দিশত সহায়-সহযোগ কৰিবলৈ বিধায়ক হিচাপে তেওঁৰ সদায় সুদৃষ্টি আৰু পূৰ্ণ সমৰ্থন থাকিব। এই অনুষ্ঠানৰ অন্তৰালত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এক আকৰ্ষণীয় আৰু মনোৰম সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে, যিয়ে উপস্থিত সকলোৰে মন জয় কৰিবলৈ সক্ষম হয়। আজিৰ এই শিক্ষক দিৱসৰ বিশেষ অনুষ্ঠানটোত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু বহুসংখ্যক স্থানীয় গণ্য-মান্য ব্যক্তি উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তোলে।

## টিনপাত আত্মসাতৰো অভিযোগ ৰাইজৰ

# মেৰামতিৰ কামৰ বাবে আবণ্টিত ধনৰ ব্যৱহাৰক লৈ প্ৰশ্ন

**অসম বাৰ্তা, অভয়াপুৰী, ৬ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত দক্ষিণ টিলাপাৰা ৪৭ নং অংগনবাড়ী কেন্দ্ৰৰ কমিটিৰ সভানেত্ৰীৰ বিৰুদ্ধে কেন্দ্ৰটোৰ মেৰামতিৰ কামক লৈ গুৰুতৰ অনিয়মৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। অংগনবাড়ী কেন্দ্ৰটোৰ মেৰামতিৰ বাবে অহা সামগ্ৰী আৰু আবণ্টিত ধনৰ ব্যৱহাৰক লৈ উত্থাপিত অভিযোগে অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, অংগনবাড়ী কেন্দ্ৰটোৰ মেৰামতিৰ কামৰ বাবে অহা টিনপাত কমিটিৰ আন সদস্যসকলক অৱগত নকৰাকৈ সভানেত্ৰীগৰাকীয়ে নিজ গৃহলৈ লৈ যায়। অভিযোগ অনুসৰি, পৰৱৰ্তী সময়ত উক্ত টিনপাতৰ কিছু অংশ ঘৰুৱা কামত ব্যৱহাৰ কৰা হৈছে। বিষয়টো পোহৰলৈ অহাৰ পিছতে অংগনবাড়ী কেন্দ্ৰটোৰ সামগ্ৰী ব্যক্তিগত কামত ব্যৱহাৰ কৰাৰ অভিযোগক লৈ ৰাইজৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। ইফালে, স্থানীয় ৰাইজে দাবী কৰা মতে, অংগনবাড়ী কেন্দ্ৰটোৰ মেৰামতিৰ কামৰ বাবে মুঠ ১ লাখ ৬ হাজাৰ টকা আবণ্টন কৰা হৈছিল। অভিযোগ অনুসৰি, উক্ত ধনেৰে



কেন্দ্ৰটোত টিনপাত লগোৱা আৰু ৰং কৰাৰ কাম সম্পন্ন কৰা হয় যদিও আবণ্টিত ধনৰ বাকী অংশ কিদৰে আৰু ক'ত ব্যয় কৰা হ'ল, সেই সন্দৰ্ভত পৰ্যাপ্ত স্বচ্ছতা নথকাৰ অভিযোগ উত্থাপন হৈছে। ৰাইজৰ অভিযোগ, চৰকাৰী ধনেৰে পৰিচালিত অংগনবাড়ী কেন্দ্ৰৰ মেৰামতিৰ বাবে আবণ্টিত ধন আৰু সামগ্ৰীৰ ব্যৱহাৰত সম্পূৰ্ণ স্বচ্ছতা থকাটো অত্যন্ত গুৰুত্বপূৰ্ণ। কমিটিৰ সকলো সদস্যক অৱগত কৰি সিদ্ধান্ত গ্ৰহণ কৰাৰ পৰিৱৰ্তে যদি কোনো সামগ্ৰী ব্যক্তিগতভাৱে ব্যৱহাৰ কৰা হৈছে, তেন্তে সেয়া তদন্তৰ আওতালৈ অনা উচিত বুলিও মত প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। অৱশ্যে, সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ সত্যতা বৰ্তমানলৈকে বিভাগীয়ভাৱে নিশ্চিত হোৱা নাই। অভিযোগসমূহৰ প্ৰকৃত সত্যতা এক নিৰপেক্ষ আৰু বিভাগীয় তদন্তৰ জৰিয়তেহে স্পষ্ট হ'ব। সেয়েহে স্থানীয় ৰাইজে সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষক সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে লৈ তদন্ত কৰাৰ দাবী জনাইছে। বিশেষকৈ অংগনবাড়ী কেন্দ্ৰটোৰ মেৰামতিৰ বাবে আবণ্টিত ১ লাখ ৬ হাজাৰ টকাৰ সম্পূৰ্ণ হিচাপ-নিকাচ, ক্ৰয় কৰা সামগ্ৰী, মেৰামতিৰ কামৰ ব্যয় আৰু অৱশিষ্ট ধনৰ ব্যৱহাৰ সন্দৰ্ভত তদন্তৰ জৰিয়তে স্বচ্ছতা নিশ্চিত কৰাৰ দাবী উঠিছে। এতিয়া স্থানীয় ৰাইজে উত্থাপন কৰা এই গুৰুতৰ অভিযোগৰ ভিত্তিত সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষই বিষয়টো কেনেদৰে তদন্ত কৰে আৰু অভিযোগৰ সত্যতা প্ৰমাণিত হ'লে কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়া পৰৱৰ্তী সময়তহে স্পষ্ট হ'ব।

# অৰুণাচলত ভাৰত-চীনৰ প্ৰথমখন কৰ্পছ কমাণ্ডাৰ পৰ্যায়ৰ বৈঠক সম্পন্ন

চলি থকা সমস্যাসমূহ সমাধানৰ উপায় বিচৰা হ'ব। ভাৰতীয় পক্ষৰ নেতৃত্ব দিব ৩ কৰ্পছৰ কমাণ্ডাৰ লেফটেনেণ্ট জেনেৰেল গিৰীশ কালিয়াই। অৰুণাচল প্ৰদেশত চীনৰ সৈতে থকা প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ নিৰাপত্তাৰ দায়িত্ব ভাৰতীয় সেনাৰ দুটা কৰ্পছৰ ওপৰত আছে, তেজপুৰস্থিত ৪ কৰ্পছ আৰু ৰাংগাপাহাৰস্থিত ৩ কৰ্পছ। সূত্ৰই জনোৱা মতে, অঞ্চলটোত চীনা সেনাই গ্ৰহণ কৰা স্থিতিৰ ক্ষেত্ৰত ভাৰতীয় সেনাই যথেষ্ট দৃঢ় স্থিতি গ্ৰহণ কৰিছে। ভাৰত আৰু চীনৰ মাজত নিজ নিজ ভূখণ্ডত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ অৱস্থান সম্পৰ্কে ভিন্ন মত আছে। ইয়াৰ ফলত সময়ে সময়ে সীমান্তত বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হৈ আহিছে। ২০২০ চনৰ গালৱান সংঘৰ্ষৰ পিছৰে পৰা ভাৰত আৰু চীনৰ মাজত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সমস্যা সমাধানৰ বাবে লাডাখ ছেক্টৰৰ চুশুল-মল্ডো সীমান্ত বৈঠকস্থলীত কৰ্পছ কমাণ্ডাৰ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হৈ আহিছে। গালৱান সংঘৰ্ষত দুয়োপক্ষই যথেষ্ট লোকচানৰ সন্মুখীন হৈছিল। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ চীন ভ্ৰমণৰ পিছতো দুয়োখন দেশে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত শান্তি আৰু স্থিৰতা বজাই ৰখাৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণৰ কথা ঘোষণা কৰিছিল। সেই প্ৰেক্ষাপটতে এই বৈঠকখনক গুৰুত্বপূৰ্ণ হিচাপে গণ্য কৰা হৈছে। শেহতীয়াকৈ সেনাধ্যক্ষ জেনেৰেল ধীৰাজ শেঠেও ৩ কৰ্পছৰ মুখ্য কাৰ্যালয় ভ্ৰমণ কৰিছিল। তেওঁক অঞ্চলটোৰ সেনা বিষয়াসকলে অভিযানৰ বাবে প্ৰস্তুতি, লগতে যুদ্ধ সক্ষমতা অধিক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। ২০২০ চনৰ গালৱান সংকটৰ সময়ত পূব লাডাখত চীনা সেনাই একপক্ষীয়ভাৱে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ স্থিতি সলনি কৰাৰ চেষ্টা কৰাৰ বিৰুদ্ধে ভাৰতে কঠোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। সেই সময়ত ভাৰতে বৃহৎ সংখ্যক সেনা মোতায়েন কৰাৰ লগতে পাহাৰীয়া যুদ্ধৰ বাবে নিজৰ ষ্ট্ৰাইক কৰ্পছৰ দায়িত্ব আৰু সামৰিক ব্যৱস্থাপনাতো ব্যাপক পৰিৱৰ্তন আনিছিল।

# ডিব্ৰুগড়ত অসম অনুসূচিত জাতি সংযুক্ত মৰ্চা আৰু লুইতপৰীয়া লোক-সাংস্কৃতিক কলা কেন্দ্ৰৰ উদ্যোগত শিক্ষক-শিল্পীক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ত অসম অনুসূচিত জাতি সংযুক্ত মৰ্চা আৰু লুইতপৰীয়া লোক-সাংস্কৃতিক কলা কেন্দ্ৰৰ উদ্যোগত গ্ৰহণ কৰা হৈছে এক উল্লেখযোগ্য পদক্ষেপ। ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৪ দিনীয়া কাৰ্যসূচীৰে শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক দিশত বিশেষভাৱে অৰিহনা আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলৰ বাসগৃহত উপস্থিত হৈ তেওঁলোকক সম্ভাষণ জনোৱাৰ এক কাৰ্যসূচী হাতত লয়। আজি শিক্ষক দিৱসৰ পবিত্ৰ দিনটোত ডিব্ৰুগড়ৰ সামাজিক শৈক্ষিক পবিত্ৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা এগৰাকী বিশিষ্ট ব্যক্তি তথা বাগ্মীবৰ নীলমনি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, মৌচাকৰ সভাপতি সঞ্জীৱ বৰদলৈক চেলেং, স্মাৰক আৰু এটা জাপিৰে সম্বৰ্ধনা জনোৱা হয় উক্ত অনুষ্ঠানতে সাংস্কৃতিক ক্ষেত্ৰত বিশেষভাৱে অৰিহনা আগবঢ়োৱা লেখিকা, নৃত্যশিল্পী সঞ্জনা বৰদলৈক অসম অনুসূচিত জাতি সংযুক্ত মৰ্চা ডিব্ৰুগড় জিলা সমিতি, লুইতপৰীয়া লোক-সাংস্কৃতিক কলা কেন্দ্ৰৰ তৰফৰ পৰা বিশেষভাৱে সম্ভাষণ জনোৱা হয়। অনুষ্ঠানত নাগালেণ্ড কহিমা বিজ্ঞান মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অধ্যাপক ড° পল্লৱ চাংকাকতিকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিপিন বড়া, নিৰন্ত দাস, অচ্যুত দাস, চন্দন দাস আৰু গৌতম দাসৰ লগতে কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

# চাহ জনগোষ্ঠীৰ প্ৰতিভাৱান যুৱক মণিৰাম গোৱালাই ঝুমুৰ নৃত্য-গীতৰ সাধনাৰে সৰুপথাৰলৈ কঢ়িয়াই আনিছে গৌৰৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৬ ছেপ্টেম্বৰ ঃ** চাহ জনগোষ্ঠীৰ সমৃদ্ধ লোক-সংস্কৃতি, নৃত্য-গীত আৰু পৰম্পৰাক আগুৱাই নিয়াৰ ক্ষেত্ৰত নীৰৱচ্ছিন্নভাৱে সাধনা কৰি অহা এগৰাকী প্ৰতিভাৱান যুৱক হৈছে মণিৰাম গোৱালা। সৰুপথাৰ সমজিলাৰ অন্তৰ্গত খনিকৰ পানজানৰ বাসিন্দা মণিৰাম গোৱালাই নিজৰ প্ৰতিভা আৰু সাধনাৰ জৰিয়তে ইতিমধ্যে অঞ্চলটোৰ সাংস্কৃতিক জগতত এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। সৰুৰে পৰা বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে ডাঙৰ-দীঘল হোৱা মণিৰামে বিগত বহু বছৰ ধৰি চাহ জনগোষ্ঠীৰ অতি জনপ্ৰিয় লোকসংস্কৃতি ঝুমুৰ নৃত্য আৰু গীতৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আহিছে। ঝুমুৰৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু একাগ্ৰতাৰ বাবেই তেওঁ এই শিল্পধাৰাক কেৱল নিজৰ মাজতে সীমাবদ্ধ নাৰাখি বিভিন্ন মঞ্চত উপস্থাপন কৰি আহিছে। সৰুপথাৰ সমজিলাত অনুষ্ঠিত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু কৰম পূজা, তুচু পূজাত মণিৰামে তেওঁৰ দলীয় সতীৰ্থসকলৰ সৈতে ঝুমুৰ নৃত্য আৰু গীত পৰিৱেশন কৰি দৰ্শকৰ যথেষ্ট সমাদৰ লাভ কৰিছে। তেওঁৰ সুললিত কণ্ঠ, নৃত্যৰ ছন্দ আৰু পৰিৱেশনৰ স্বকীয় শৈলীয়ে দৰ্শকক আকৰ্ষিত কৰি আহিছে। ফলত অতি কম সময়ৰ ভিতৰতে মণিৰাম গোৱালা সৰুপথাৰ অঞ্চলৰ সাংস্কৃতিক ক্ষেত্ৰত এটা চিনাকি নাম হিচাপে পৰিগণিত হৈছে। কেৱল ঝুমুৰ নৃত্য-গীত পৰিৱেশনতে সীমাবদ্ধ নহয় মণিৰামৰ প্ৰতিভা। গীত ৰচনা আৰু সুৰ সৃষ্টিৰ ক্ষেত্ৰতো তেওঁ যথেষ্ট পাৰদৰ্শীতা আছে। বৰ্তমানলৈকে তেওঁ প্ৰায় অৰ্ধশতাধিক গীত ৰচনা কৰাৰ লগতে নিজেই সুৰ কৰি বিভিন্ন অনুষ্ঠানত পৰিৱেশন কৰিছে। নিজৰ অনুভৱ, সমাজ-জীৱন আৰু চাহ জনগোষ্ঠীৰ লোকজীৱনৰ বিভিন্ন দিশ গীতৰ মাধ্যমেৰে প্ৰকাশ কৰাৰ প্ৰয়াস কৰি আহিছে তেওঁ। চাহ জনগোষ্ঠীৰ নিজস্ব নৃত্য-গীতৰ চৰ্চাৰ সমান্তৰালভাৱে মণিৰামে অসমীয়া আধুনিক গীত, বিহুগীত আৰু হিন্দী গীতো সুন্দৰ আৰু শুৱলাকৈ পৰিৱেশন কৰিব পাৰে। বিভিন্ন ধৰণৰ গীতৰ প্ৰতি থকা তেওঁৰ আগ্ৰহ আৰু সংগীতৰ প্ৰতি থকা গভীৰ অনুৰাগে তেওঁৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। ইয়াৰ উপৰি মাদল বজোৱাতো মণিৰাম গোৱালা যথেষ্ট পাকৈত। ঝুমুৰ নৃত্য-গীতৰ সৈতে মাদলৰ নিবিড় সম্পৰ্ক থকাৰ বাবে বাদ্যযন্ত্ৰবিধৰ প্ৰতিও তেওঁ বিশেষ দক্ষতা অৰ্জন কৰিছে। নৃত্য, গীত, গীত ৰচনা, সুৰ সৃষ্টি আৰু মাদল বাদন—এই সকলোবোৰ ক্ষেত্ৰতে নিজকে জড়িত কৰি মণিৰামে চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সৰুপথাৰ সমজিলাৰ বিভিন্ন অনুষ্ঠানৰ উপৰি অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানতো মণিৰামে সৰুপথাৰক প্ৰতিনিধিত্ব কৰি ঝুমুৰ নৃত্য-গীত পৰিৱেশন কৰিছে। নিজৰ প্ৰতিভাৰ জৰিয়তে সৰুপথাৰৰ সাংস্কৃতিক পৰিচয় অসমৰ বিভিন্ন প্ৰান্তত দাঙি ধৰাৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আজৰি সময় পালেই মণিৰামে গীত ৰচনা, সুৰ সৃষ্টি আৰু সংগীতৰ চৰ্চাত ব্যস্ত থাকে। ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো নিজৰ শিল্পীসত্তাক জীয়াই ৰাখিবলৈ তেওঁ নীৰৱচ্ছিন্নভাৱে সাধনা কৰি আহিছে। কোনো আনুষ্ঠানিক স্বীকৃতিৰ পিছত নদৌৰি নিজৰ প্ৰতিভা, কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ জৰিয়তে সাংস্কৃতিক ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ সপোন পুহি ৰাখিছে মণিৰামে। চাহ জনগোষ্ঠীৰ চহকী লোক-সংস্কৃতিৰ সংৰক্ষণ আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰচাৰৰ ক্ষেত্ৰত মণিৰাম গোৱালাৰ দৰে যুৱ প্ৰতিভাৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। তেওঁৰ প্ৰতিভা আৰু সাংস্কৃতিক সাধনাই চাহ জনগোষ্ঠীৰ লগতে সৰুপথাৰবাসী ৰাইজকো গৌৰৱান্বিত কৰিছে। ভৱিষ্যতে অধিক তথা বৃহৎ মঞ্চত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি মণিৰামে চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিক অধিক উজ্জ্বলাই তুলিব বুলি আশাবাদী স্থানীয় ৰাইজ।

# নুমলীগড় শোধনাগাৰত ‘চলন্ত কুইজ’ৰ জৰিয়তে সততা-স্বচ্ছতাৰ বাৰ্তা

## ‘সমৃদ্ধিৰ বাবে সত্যনিষ্ঠা’ৰ সংকল্প

**অসম বাৰ্তা, নুমলীগড়, ৬ ছেপ্টেম্বৰ ঃ** সততা, স্বচ্ছতা, নৈতিকতা আৰু জবাবদিহিতাৰ প্ৰতি কৰ্মচাৰীসকলক অধিক সজাগ কৰি তোলাৰ লক্ষ্যৰে নুমলীগড় শোধনাগাৰ লিমিটেডএ গ্ৰহণ কৰিছে এক ব্যতিক্ৰমী পদক্ষেপ। ২০২৬ চনৰ সতৰ্কতা সজাগতা অভিযানৰ অংশ হিচাপে যোৱা ৩ ছেপ্টেম্বৰত নুমলীগড় স্থিত এনআৰএলত চলন্ত কুইজ (‘Chalta Bolta Quiz’) অনুষ্ঠিত কৰা হয়। এই কুইজৰ জৰিয়তে প্ৰতিষ্ঠানটোৰ বিভিন্ন বিভাগৰ কৰ্মচাৰীসকলক একেলগে সামৰি সততা, স্বচ্ছতা, নৈতিকতা আৰু কৰ্মক্ষেত্ৰত সুশাসনৰ মূল্যবোধৰ বিষয়ে সজাগ কৰাৰ প্ৰয়াস কৰা হয় বুলি শোধনাগাৰ সূত্ৰত প্ৰকাশ। নুমলীগড় শোধনাগাৰৰ Maintenance, Projects, Commercial, Inspection, IIS আদি বিভিন্ন বিভাগত এই ব্যতিক্ৰমী কুইজ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কৰ্মচাৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰি বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়াৰ লগতে সততা আৰু নৈতিক আচৰণৰ গুৰুত্বৰ বিষয়েও চিন্তা-চৰ্চাৰ সুযোগ লাভ কৰে। সাধাৰণতে সজাগতামূলক কাৰ্যসূচীসমূহ বক্তৃতা, আলোচনা বা শপত গ্ৰহণৰ মাজতে সীমাবদ্ধ থাকে। কিন্তু ‘চলন্ত কুইজ’ৰ দৰে আকৰ্ষণীয় আৰু অংশগ্ৰহণমূলক পদ্ধতি গ্ৰহণ কৰি এনআৰএলে কৰ্মচাৰীসকলক সজাগতাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত কৰাৰ প্ৰয়াস কৰিছে। এনআৰএলৰ মতে, এই কাৰ্যসূচীয়ে কৰ্মক্ষেত্ৰত সততা আৰু নৈতিকতাৰ বাৰ্তাক অধিক আনন্দদায়ক আৰু সহজ বোধগম্য কৰি তুলিছে। ‘সমৃদ্ধিৰ বাবে সত্যনিষ্ঠা’—২০২৬ৰ এই মূল বাৰ্তা লৈয়ে আগবাঢ়িছে এই বিস্তৃত কাৰ্যসূচী। ২০২৬ চনৰ আনুষ্ঠানিক সতৰ্কতা সজাগতা সপ্তাহ (Vigilance Awareness Week )২৬ অক্টোবৰৰ পৰা ১ নৱেম্বৰলৈ অনুষ্ঠিত কৰা হ'ব, আৰু ইয়াৰ মূল বিষয়বস্তু হৈছে “সমৃদ্ধিৰ বাবে সত্যনিষ্ঠা”। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় সতৰ্কতা আয়োগে ১৭ আগষ্টৰ পৰা ১৬ নৱেম্বৰ ২০২৬লৈ তিনিমহীয়া প্ৰতিৰোধমূলক সতৰ্কতা অভিযান (Preventive Vigilance Campaign ) ৰূপায়ণৰ আহ্বান জনাইছে। সেই অভিযানৰ অধীনত অভিযোগ আৰু গোচৰৰ নিষ্পত্তি, সক্ষমতা বিকাশ, ডিজিটেল পদক্ষেপ, চৰকাৰী ক্ৰয় ব্যৱস্থা আৰু চুক্তি ব্যৱস্থাপনাকে ধৰি কেইবাটাও বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলি জানিবলৈ দিয়ে। সেয়েহে ৩ ছেপ্টেম্বৰত এনআৰএলত অনুষ্ঠিত চলন্ত কুইজক মূল সতৰ্কতা সজাগতা সপ্তাহৰ লগত সংস্পৃক্ত কৰাৰ উপৰিও ২০২৬ৰ তিনিমহীয়া প্ৰতিৰোধমূলক সতৰ্কতা অভিযানতো ইয়াৰ প্ৰভাৱ পৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। এন আৰ এল এ অৱশ্যে এনে ধৰণৰ সজাগতামূলক পদক্ষেপ ধাৰাবাহিক ভাবে গ্ৰহণ কৰি আহিছে। নুমলীগড় শোধনাগাৰ লিমিটেডে ইয়াৰ পূৰ্বেও সতৰ্কতা আৰু নৈতিক প্ৰশাসনৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এন আৰ এলৰ পূৰ্বৰ কাৰ্যসূচী সমূহটো সতৰ্কতা সজাগতা সপ্তাহ উপলক্ষে কুইজ, ৰচনা, শ্লোগান প্ৰতিযোগিতা, আলোচনা-চক্ৰ আৰু জনসজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। ২০২৬ৰ অভিযানতো এনআৰএলে কেৱল পৰম্পৰাগত সজাগতামূলক কাৰ্যসূচীতে সীমাবদ্ধ নাথাকি অংশগ্ৰহণমূলক আৰু ব্যৱহাৰিক পদ্ধতি গ্ৰহণ কৰিছে। ২ ছেপ্টেম্বৰত গুৱাহাটীৰ কৰ্পৰেট কাৰ্যালয়ত ‘GeM: New Features and Functionalities’ বিষয়ত সক্ষমতা বিকাশ কাৰ্যসূচীও অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল চৰকাৰী ই-মাৰ্কেটপ্লেচ (GeM)ৰ নতুন সুবিধাসমূহৰ বিষয়ে কৰ্মচাৰীসকলক অৱগত কৰা আৰু ক্ৰয় প্ৰক্ৰিয়াত স্বচ্ছতা, দক্ষতা আৰু নিয়ম-অনুসৰণ শক্তিশালী কৰা। ‘চলন্ত কুইজ’ৰ দৰে কাৰ্যসূচীৰ মূল উদ্দেশ্য কেৱল কৰ্মচাৰীৰ জ্ঞান পৰীক্ষা কৰা নহয়; বৰং দৈনন্দিন কৰ্মজীৱনত সততা, ন্যায়সংগত আচৰণ, স্বচ্ছতা, নৈতিকতা আৰু দায়িত্বশীলতাৰ প্ৰয়োগ নিশ্চিত কৰাৰ বাবে এক ইতিবাচক পৰিৱেশ সৃষ্টি কৰা। সেয়েহে কৰ্মচাৰীসকলক এনে মূল্যবোধৰ সৈতে নিৰন্তৰভাৱে সংযুক্ত কৰি ৰখাৰ ক্ষেত্ৰত এইধৰণৰ সৃষ্টিশীল কাৰ্যসূচীয়ে ইতিবাচক ভূমিকা পালন কৰিব পাৰে। ‘সততা’ৰ পৰা ‘সমৃদ্ধি’লৈ এই মূল যাত্ৰা হৈছে সততা আৰু নৈতিকতা কেৱল দুৰ্নীতি ৰোধৰ উপায় নহয়; ই এক শক্তিশালী, স্বচ্ছ আৰু দায়িত্বশীল প্ৰতিষ্ঠান গঢ়াৰ ভেটি। এনআৰএলত অনুষ্ঠিত ‘চলন্ত কুইজ জৰিয়তে সেই বাৰ্তাকেই কৰ্মচাৰীসকলৰ মাজলৈ সহজ আৰু আকৰ্ষণীয় ৰূপত লৈ যোৱাৰ প্ৰয়াস কৰিছে বুলি শোধনাগাৰ সূত্ৰত প্ৰকাশ।

## ৰাজ্যিক সাংবাদিক সন্থা, গোলাঘাট জিলা সমিতিৰ গাম্ভীৰ্যপূৰ্ণ শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন

# একেখন পতাকাৰ তলত একত্ৰিত হ'ল গোলাঘাটৰ সাংবাদিক মহল




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ মফচলীয় সাংবাদিক সকলৰ শক্তিশালী সংগঠন অসম ৰাজ্যিক সাংবাদিক সন্থা, গোলাঘাট জিলাল নৱ-নিৰ্বাচিত সমিতিৰ আজি গাম্ভীৰ্যপূৰ্ণ শপত গ্ৰহণ আৰু আৰু অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। একেখন পতাকাৰ তলত গোলাঘাটৰ সাংবাদিক সকল আজি একত্ৰিত হৈ সুস্থ সাংবাদিকতাৰ সমান্তৰালভাৱে সাংবাদিকসকলৰ মাজত ঐক্য, ভাতৃত্ববোধ অধিক সুদৃঢ় কৰি দায়বদ্ধ ভূমিকা পালনেৰে সমাজখন সমৃদ্ধ কৰাৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰাৰ উমৈহতীয়া সংকল্প গ্ৰহণ কৰে। গোলাঘাট পৌৰ সভা কাৰ্যালয়ৰ সভাকক্ষত সন্থাৰ গোলাঘাট জিলা সমিতিৰ বিগত কাৰ্যকালৰ সভাপতি পৰাগ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ প্ৰাৰম্ভণিতে পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ শিল্পী সকলে ‘তোৰে মোৰে আলোকৰে যাত্ৰা’ পৰিৱেশন কৰি মুখৰিত কৰি তোলে। জিলা সমিতিৰ নৱ-নিৰ্বাচিত সম্পাদক পৱন কামানে আঁত ধৰা অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক, গোলাঘাট প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি দিগন্ত কুমাৰ ভূএঞা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সভাপতি জিতু শৰ্মা ৰাজখোৱা, জ্যেষ্ঠ সাংবাদিক, বোকাখাত মহকুমা সাংবাদিক সন্থাৰ সভাপতি বুবুল দত্ত, গোলাঘাট মিডিয়া ফ'ৰামৰ সম্পাদকদ্বয় মোস্তাক হুছেইন, পংকজ হাজৰিকা, গোলাঘাট জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক গিৰীণ বৰা, গোলাঘাট প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক প্ৰবীণ কুমাৰ দাস, মৰঙী প্ৰেছক্লাবৰ সভাপতি হেমন্ত শইকীয়া, জ্যেষ্ঠ সাংবাদিক সপোন তামূলী, আদিয়ে বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ পাতনি মেলে। বন্তি প্ৰজ্বলক হিচাপে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূএঞাই কয় যে - আজি আমাৰ বাবে কেৱল এক শপত গ্ৰহণৰ অনুষ্ঠান নহয়, আজি এক নতুন দায়িত্ববোধ, এক নতুন সংকল্প আৰু সাংবাদিকতাৰ প্ৰতি এক নতুন অংগীকাৰৰ শুভক্ষণ। এই শপত গ্ৰহণ কেৱল এটা সাংগঠানিক আনুষ্ঠানিকতা নহয়। এই শপত হৈছে সত্যৰ পক্ষত থকাৰ, নিৰ্ভীকভাৱে জনমতৰ কণ্ঠস্বৰ হোৱাৰ, অন্যায় -অনিয়মৰ বিৰুদ্ধে কলম তুলি ধৰাৰ আৰু সমাজৰ প্ৰতি নিজৰ দায়বদ্ধতা নিষ্ঠাৰে পালন কৰাৰ এক পবিত্ৰ অংগীকাৰ। সাংবাদিকতাৰ শক্তি কেৱল কলমত নাই, কেমেৰা বা মাইক্ৰ'ফোনতো নাই। সাংবাদিকতাৰ প্ৰকৃত শক্তি নিহিত হৈ আছে সত্য, নৈতিকতা, নিৰপেক্ষতা আৰু জনস্বাৰ্থৰ প্ৰতি থকা দায়বদ্ধতাতহে বুলি তেওঁ মন্তব্য কৰে। জ্যেষ্ঠ সাংবাদিক বুবুল দত্তই সাম্প্ৰতিক সাংবাদিকতা আৰু দায়বদ্ধতাৰ সম্পৰ্কত বিস্তৃতভাৱে আলোকপাত কৰে। শপত গ্ৰহণ অনুষ্ঠান শুভ উদ্বোধন কৰে বিশিষ্ট সাংবাদিক, জননী বাৰ্তা কাকতৰ মুখ্য সম্পাদক, সাহিত্যিক পেঞ্চনাৰ মাখনলাল বাঢ়ৈয়ে। শপতবাক্য পাঠ কৰোৱায় অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সভাপতি জিতু শৰ্মা ৰাজখোৱাই। তেওঁ অসম ৰাজ্যিক সাংবাদিক সন্থাৰ গৌৰৱময় ঐতিহ্য, সাংগঠনিক বিভিন্ন দিশৰ ওপৰত বক্তব্য আগবঢ়াই অসম ৰাজ্যিক সাংবাদিক সন্থাৰ দুৱাৰ প্ৰতিগৰাকী সাংবাদিক, সংবাদকৰ্মীৰ বাবে সদায়েই খোলা বুলি প্ৰকাশ কৰে। অনুষ্ঠানত গোলাঘাট জিলা পৰিষদৰ সভানেত্ৰী পূৰ্ণিমা দাস, অসম চাহ জনগোষ্ঠী সাহিত্য সভা, গোলাঘাট জিলা সমিতিৰ উপ-সভাপতি ৰাজুৱাৰ, অসম চাহ জনজাতি জাতীয় মহাসভাৰ গোলাঘাট জিলাৰ সভাপতি কৃষ্ণ বাঢ়ৈ, অসম চাহ জনজাতি জাতীয় সন্মিলনী গোলাঘাট জিলাৰ সভাপতি চিমচন লোহাৰ, জ্যেষ্ঠ সাংবাদিক ৰবীন হাজৰিকা, অভিজিত নাথ, চন্দন কৰ্মকাৰ আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সন্থাৰ নৱ-নিৰ্বাচিত সভাপতি সোণেশ্বৰ বাঢ়ৈ, সাধাৰণ সম্পাদক পৱন কামানৰ হাতত পুৰণা সমিতিয়ে আনুষ্ঠানিক ভাৱে দায়িত্বভাৰ প্ৰদান কৰে।

# দমদমা শতদল সাহিত্য সভাৰ নৱম সাহিত্য বৈঠক সম্পন্ন

**অসম বাৰ্তা, হাজো, ৬ ছেপ্টেম্বৰ ঃ** তেতেলীয়া-নিজ বাউসী ঐতিহাসিক হৰগৌৰী মন্দিৰ প্ৰাংগনত আজি দমদমা শতদল সাহিত্য সভাৰ ৯ম সাহিত্য বৈঠকখন উৎসাহ-উদ্দীপনাৰে অনুষ্ঠিত হৈ যায়। দমদমা শতদল সাহিত্য সভাৰ সভাপতি বাবুল চন্দ্ৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত বৈঠকখনত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা ক্ৰীড়াবিদ কনক দাসে। ভাষণ প্ৰসংগত তেখেতে দমদমা শতদল সাহিত্য সভাৰ ধাৰাবাহিক সাহিত্য চৰ্চাৰ এনে মহৎ প্ৰচেষ্টাক বিশেষভাৱে প্ৰশংসা কৰে। অনুষ্ঠানত ক্ৰমে গজেন দাস, পায়েল চক্ৰৱৰ্তী, গণেশ চন্দ্ৰ কলিতা, বিউটি কলিতা, ৰাজেন মহন্ত, অৰ্চনা দেৱী, যাদৱ চন্দ্ৰ দাস, ধৰণীধৰ কলিতা, গুণাধৰ ভড়ালী, মাধৱ চন্দ্ৰ দাস, বিনোদ চন্দ্ৰ মালাকাৰ, বাবুল চন্দ্ৰ দাস আৰু কনক শৰ্মাই স্ব-ৰচিত কবিতা পাঠ কৰে। আনহাতে চন্দ্ৰ কান্ত ডেকা, পৰমানন্দ দাস, অতুল কলিতা আৰু যাদৱ চন্দ্ৰ দাসে স্ব-ৰচিত প্ৰবন্ধ পাঠ কৰে। লেখিক-সাহিত্যিক কনক শৰ্মাই যোৱা মনাহকুছি গাঁৱত অনুষ্ঠিত সাহিত্য বৈঠকৰ স্ব-ৰচিত লেখা সমূহৰ এটি বস্তুনিষ্ঠ পৰ্যালোচনা আগবঢ়ায়। উক্ত বৈঠকত অসম সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ সদস্য ৰাজেন মহন্ত, কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰজনী শালৈ, বিশিষ্ট লেখক খগেন মহন্তকে ধৰি অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাৰ আৰম্ভণিতে দমদমা শতদল সাহিত্য সভাৰ সম্পাদক বিনোদ চন্দ্ৰ মালাকাৰে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে শেষত শলাগৰ শৰাই আগবঢ়ায়। সভাপতিৰ মন্তব্যৰ পাছত উপস্থিত সকলোৰে সমবেতভাৱে জাতীয় সংগীত পৰিৱেশন কৰি বৈঠকৰ সামৰণি মাৰে।

## হাতেলিখা আলোচনী “জ্ঞান জ্যোতি” উন্মোচন

# কমলাবাৰী একাডেমীত শিক্ষক দিৱসৰ বৰ্ণাঢ্য কাৰ্য্যসূচী

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** মাজুলী কমলাবাৰীত অৱস্থিত উচ্চ মাধ্যমিক বিদ্যালয় কমলাবাৰী একাডেমীত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে শিক্ষক দিৱস উদ্‌যাপন হয়। বিদ্যালয়খনিত প্ৰথমবাৰলৈ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অৰ্চিতা শইকীয়া সম্পাদিত হাতেলিখা আলোচনী “জ্ঞান জ্যোতি” উন্মোচন কৰে প্ৰাক্তন শিক্ষক মাখন শইকীয়াই। পুৱা ৮ বজাৰ পৰা আৰম্ভ হোৱা কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত শিক্ষক শিক্ষয়িত্ৰী সকলক মূল পথৰ পৰা গায়ন-বায়ন আৰু উৰুলি ধ্বনিৰে আদৰি আনে। ইফালে এইবাৰ বিদ্যালয়ত “প্ৰজ্ঞা” নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱেও শিক্ষক দিৱস বিশেষ কাৰ্যসূচীৰে উদযাপনৰ বাবে উপস্থিত হয়হি। সংগঠনটোৰ মাজুলী জিলাৰ সভাপতি মনোজ বৰা, সদস্য প্ৰতাপ বৰুৱা, নীলকমল শইকীয়া, হেমন্ত বৰা আহি সমদলত অংশগ্ৰহণ কৰি শিক্ষক শিক্ষয়িত্ৰী সকলক সম্পূৰ্ণ আধ্যাত্মিক পৰম্পৰাৰে আদৰি আনে। সংগঠনটোৰ পৰা প্ৰধান শিক্ষক কমল দত্তক এখনি চাদৰ, সম্বৰ্ধনা পত্ৰ আৰু অন্যান্য সকলোকে একোখন সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰীসকলে গুৰু পূজন, আদৰণি সম্পূৰ্ণ কৰাৰ পিছতে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ হয়। বৰগীত, ভূপেন্দ্ৰ সংগীত, একক নৃত্য, দলীয় নৃত্য, ছাত্ৰ-ছাত্ৰীৰ বক্তৃতাৰে মুখৰ হৈ পৰে বিদ্যালয়ৰ চৌহদ। সভাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাজুলী জিলা সমিতিয়েও এক সম্বৰ্ধনা অনুষ্ঠান ৰূপায়িত কৰে। জিলাৰ সভাপতি মুণিন্দ্ৰ ভূঞাৰ নেতৃত্বত সম্পাদক, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গুনেশ্বৰ গায়ন, সম্পাদক পৱিত্ৰ বৰা সহ কেইবাজনো বিষয়ববীয়াই প্ৰধান শিক্ষক কমল দত্তক সম্বৰ্ধনা জ্ঞাপন কৰে আৰু বিদ্যালয়ৰ সকলো পদক্ষেপত পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি ঘোষণা কৰে। সভাত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বৰ্ণালী দত্ত কটকী, আশা ৰাণী হাজৰিকা, শিক্ষক ডলী বৰুৱা, ডিম্বেশ্বৰ শইকীয়া, অতুল হাজৰিকা, সন্ধ্যাৰাণী বৰুৱা, যতীন শইকীয়া, জীৱন শইকীয়াই অংশ গ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী বৰ্ণালী দত্ত আৰু আশা ৰাণী হাজৰিকাই নৱ নিযুক্ত প্ৰধান শিক্ষক গৰাকীৰ বিভিন্ন পদক্ষেপক শলাগ লয় আৰু তেখেতসকলে আগন্তুক দিনত বিদ্যালয়ৰ সকলো কৰ্মতে সহযোগিতা আশ্বাস প্ৰদান কৰে। আজিৰ কাৰ্যসূচীত বিদ্যালয়ৰ সকলো শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী আৰু সকলো ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সভাৰ অন্তত বিদ্যালয়ে সকলো ছাত্ৰ ছাত্ৰীৰ বাবে দুপৰীয়াৰ প্ৰীতি ভোজৰো ব্যৱস্থা কৰে।

# থানাই থানাই দালালে গিজগিজাই থকা মৰিগাঁৱতো অভিযান

## দালালীৰ অভিযোগত ভূৰাগাঁৱত ৮ জনক আটক কৰি ৪ জনক আদালতত হাজিৰ

**অসম বাৰ্তা, ভূৰাগাঁও, ৬ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে মৰিগাঁও জিলাৰ কেবাখনো থানা এলেকাত শুক্ৰবাৰে নিশা দালালৰ বিৰুদ্ধে মৰিগাঁও আৰক্ষীয়ে চলাই অভিযান। এই অভিযানত জিলাখনৰ ভূৰাগাঁও থানা এলেকাত সৰ্বাধিক আঠজন লোকক দালাল কৰাৰ অভিযোগত ভূৰাগাঁও আৰক্ষীয়ে আটক কৰে। ইফালে জিলা খনৰ লাহৰীঘাট, ভেলৌগুৰী, বড়ী বজাৰ, জাগীৰোড, মায়ং আদি থানা এলেকাতো দালালৰ বিৰুদ্ধে চলিছিল অভিযান। অৱশ্যে জিলা খনত সৰ্বমুঠ কিমানজন দালালক আটক কৰি গ্ৰেপ্তাৰ বা মোকলাই দিয়া হৈছে এই সন্দৰ্ভত আৰক্ষীয়ে আজি সন্ধ্যা ৫ বাজি যোৱাৰ পাছতো সংবাদ মাধ্যমৰ আগত প্ৰকাশ নকৰাত ৰহস্যৰ সৃষ্টি হৈছে। ইফালে ভূৰাগাঁও থানা এলেকাৰ পৰা মুঠ আঠ জনক আটক কৰা হৈছিল যদিও আবেলি তিনি মান বজাত তেওঁলোকৰ মাজৰ পৰা চাৰিজন ক্ৰমে জামাল উদ্দিন, আব্দুল বাৰেক, এমদাদুল ইছলাম, আৰু মমিনুল হকক ভূৰাগাঁও থানাৰ পৰা আদালতত হাজিৰ কৰিবৰ বাবে ভূৰাগাঁও আৰক্ষীয়ে লৈ যায়। বাতৰি লিখা পৰলৈ বাকী চাৰি জনক মোকলাই দিয়া নাই। ইফালে দালালে গিজগিজাই থকা লাহৰীঘাট আৰু মৈৰাবাৰী থানা এলেকাত কিমানজন দালাল কৰায়ত্ব কৰা হৈছে সেই সন্দৰ্ভতো বাতৰি লিখা পৰলৈ সঠিক তথ্য লাভ কৰিব পৰা হোৱা নাই।

# কোকৰাঝাৰত আৰম্ভ হ'ল বাওঁখুংগ্ৰী এমএলএ কাপ ফুটবল প্ৰতিযোগিতা




**অসম বাৰ্তা, কোকৰাঝাৰ, ৬ ছেপ্টেম্বৰ ঃ** বাওঁখুংগ্ৰী সমষ্টিৰ যুৱ প্ৰজন্মক ক্ৰীড়াৰ জৰিয়তে আগুৱাই নিয়াৰ লগতে অনাগত দিনত প্ৰতিভাৱান খেলুৱৈ গঢ়ি তোলাৰ লক্ষ্যৰে বিধায়ক ৰূপম চন্দ্ৰ ৰায়ৰ উদ্যোগত আয়োজন কৰা হৈছে এক ফুটবল প্ৰতিযোগিতা। ৫ ছেপ্টেম্বৰৰ পৰা ১৮ ছেপ্টেম্বৰলৈ কোকৰাঝাৰৰ মাগুৰমাৰীৰ জিলিমিলি ক্লাব খেলপথাৰত অনুষ্ঠিত হ'ব বাওঁখুংগ্ৰী এমএলএ কাপ। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে আৰম্ভ কৰে অসম চৰকাৰৰ মন্ত্ৰী চৰণ বড়োৱে। প্ৰতিযোগিতাখনৰ বিজয়ী দলক ট্ৰফীৰ লগতে এক লাখ টকাৰ পুৰস্কাৰ আৰু ৰানাৰ্ছ আপ দলক ট্ৰফীৰ সৈতে পঞ্চাশ হাজাৰ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব। উদ্বোধনী খেলখনত দোতমা ব্লক বিপিএফ আৰু কচুগাঁও ব্লক বিপিএফে পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হয়। যুৱ প্ৰজন্মক ক্ৰীড়াৰ জৰিয়তে আগুৱাই নিয়াৰ লগতে ভৱিষ্যতে ভাল খেলুৱৈ প্ৰস্তুত কৰাৰ লক্ষ্য বিধায়ক ৰূপম ৰায়ৰ। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি অসম চৰকাৰৰ মন্ত্ৰী চৰণ বড়োৰ লগতে বিধায়ক ৰূপম চন্দ্ৰ ৰায়, ৰবিৰাম নাৰ্জাৰী, ইএম কৰ্মেশ্বৰ ৰায়, প্ৰকাশ বসুমতাৰী, এমছিএলএ এজামুল হক, এস্তাজ আলীৰ লগতে বিপিএফৰ বিভিন্ন পদবীত থকা ব্যক্তিসকল। আজিৰ খেলখনত ২/৩ গোলৰ ব্যৱধানত দোতমা ব্লক বিপিএফে জয়লাভ কৰে আৰু বিন্দিয়া নাৰ্জাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

# শিক্ষক দিৱস উপলক্ষে মাজুলীত গৌৰৱ গগৈ ফেন ক্লাৱৰ বিশেষ সম্বৰ্ধনা

**অসম বাৰ্তা, উজনী মাজুলী, ৬ ছেপ্টেম্বৰ ঃ** পৱিত্ৰ শিক্ষক দিৱস উপলক্ষে আজি মাজুলীত গৌৰৱ গগৈ ফেন ক্লাৱৰ উদ্যোগত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। শিক্ষাগুৰু সকলৰ প্ৰতি সন্মান জনাই মাজুলীৰ পাঁচখনকৈ আগশাৰীৰ শিক্ষানুষ্ঠানৰ অধ্যক্ষক এই দিনটোত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, পূব মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰা, জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱকুমাৰ পেগু, ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱকুমাৰ গাম আৰু গড়মূৰ পীতাম্বৰদেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতক সম্বৰ্ধনা জনোৱা হয়। ফেন ক্লাৱৰ সদস্য সকলে প্ৰতিখন মহাবিদ্যালয় আৰু বিদ্যালয়ত উপস্থিত হৈ অধ্যক্ষ সকলক ফুলাম গামোচা, কলম আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবে গৌৰৱ গগৈ ফেন ক্লাৱৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰা হয়। এই সন্দৰ্ভত ফেন ক্লাৱৰ এজন বিষয়ববীয়াই কয়, “শিক্ষক হৈছে সমাজৰ পথ প্ৰদৰ্শক। সাংসদ গৌৰৱ গগৈ ডাঙৰীয়াই সদায় শিক্ষক সকলক সন্মান জনাই আহিছে। তেখেতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমি এই পবিত্ৰ দিনটোত মাজুলীৰ শিক্ষাগুৰু সকলক সন্মান জনাইছোঁ।” সম্বৰ্ধনা গ্ৰহণ কৰি অধ্যক্ষ সকলেও গৌৰৱ গগৈ ফেন ক্লাৱৰ এই পদক্ষেপক শলাগ লয় আৰু ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতৰ বাবে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

# ডবকাৰ হাজী আনফৰ আলী কলেজত উলহ-মালহেৰে শিক্ষক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ৬ ছেপ্টেম্বৰ ঃ** ডবকাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হাজী আনফৰ আলী কলেজত আজি ইং ৫ ছেপ্টেম্বৰ, ২০২৬ তাৰিখ শনিবাৰে পবিত্ৰ শিক্ষক দিৱস অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। কলেজৰ ছাত্ৰ একতা সভাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত এই অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মামুন আজম বৰভূঞা ডাঙৰীয়াই। মহাবিদ্যালয়ৰ সকলো বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত কলেজ প্ৰাংগণ উখল-মাখল হৈ পৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতৰত্ন ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে একোটি কলম আৰু ফুলাম গামোচাৰে প্ৰতিগৰাকী শিক্ষাগুৰুক সেৱা আৰু সন্মান জনায়। অধ্যক্ষ ড° বৰভূঞাই তেওঁৰ সভাপতিৰ ভাষণত কয়, “শিক্ষক হৈছে জাতিৰ মেৰুদণ্ড। শিক্ষকৰ আদৰ্শ আৰু ত্যাগৰ অবিহনে এখন সুস্থ সমাজ গঢ়ি উঠিব নোৱাৰে।” তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত মনোনিৱেশ কৰি পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ সপোন পূৰণ কৰিবলৈ আহ্বান জনায়। আন আন অধ্যাপক-অধ্যাপিকাসকলেও ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সাৰুৱা ভাষণ প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলে বক্তৃতা, স্বৰচিত কবিতা আবৃত্তি, সমবেত সংগীত আৰু একক সংগীত পৰিৱেশন কৰি সমগ্ৰ অনুষ্ঠানটি জীপাল কৰি তোলে। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে আঁত ধৰা অনুষ্ঠানটিৰ শেষত শলাগৰ শৰাই আগবঢ়োৱা হয়। কেন্দ্ৰীয় অনুষ্ঠানৰ উপৰিও কলেজৰ আন আন বিভাগৰ দৰে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলেও বিভাগীয়ভাৱে শিক্ষক দিৱসৰ এক আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তুলিকা গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অধ্যাপক কবিতা দেৱী, সহকাৰী অধ্যাপক দীপক নাথৰ লগতে ইংৰাজী বিভাগৰ অধ্যাপকসকল উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত-কথাৰে শিক্ষাগুৰু সকলৰ প্ৰতি থকা শ্ৰদ্ধা আৰু মৰম প্ৰকাশ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন